# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ১৩/০৮/২০২১ শুকুৰবাৰ**

---

**ইংৰাজী ১৩-০৮-২১ তাৰিখে ৰাতিপুৱা ৯.০০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম-কাজ পূৰ্বৰ নিৰ্দ্ধাৰিত সময় মতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ এতিয়া ঘোষণা আছে,**

**ঘোষণা**

১৩ আগষ্ট, ২০২১

মই এতিয়া অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰিচালনা বোৰ্ডৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিবলৈ লৈছো। এই বিশ্ববিদ্যালয়ৰ পৰিচালনা বোৰ্ডৰ নিৰ্বাচিত হোৱা নিম্নোল্লেখিত মাননীয় সদস্য তিনিগৰাকীৰ নাম ঘোষণা কৰা হ'ল।

(১) শ্ৰীদিগন্ত কলিতা, বিধায়ক (৫৬-কমলপুৰ)
(২) শ্ৰীভাস্কৰ জ্যোতি বৰুৱা, বিধায়ক (১০০-তিতাবৰ)
(৩) শ্ৰীভৱেন্দ্ৰ নাথ ভড়ালী, বিধায়ক (৯৭-দেৰগাঁও)

**ঘোষণা**

১৩ আগষ্ট, ২০২১

মই এতিয়া বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কোৰ্টলৈ মনোনীত সদস্য সকলৰ নাম ঘোষণা কৰিবলৈ লৈছো। এই বিশ্ববিদ্যালয়ৰ কোৰ্টলৈ মনোনীত হোৱা নিম্নোল্লেখিত মাননীয় সদস্য সাতগৰাকীৰ নাম ঘোষণা কৰা হ'ল।

(১) শ্ৰীফণী ভূষণ চৌধুৰী, বিধায়ক (৩২-বঙাইগাঁও)
(২) শ্ৰীলৰেন্স ইছলাৰী, বিধায়ক (৩০-কোকৰাঝাৰ পূৱ)
(৩) শ্ৰীফণীধৰ তালুকদাৰ, বিধায়ক (৪১-ভৱানীপুৰ)
(৪) শ্ৰীৰবিৰাম নাৰ্জাৰী, বিধায়ক (২৯-কোকৰাঝাৰ পশ্চিম)
(৫) শ্ৰীঅজয় কুমাৰ ৰায়, বিধায়ক (৩৩-বিজনী)
(৬) শ্ৰীবসন্ত দাস, বিধায়ক (৬৭-মঙ্গলদৈ)
(৭) শ্ৰীগোৱিন্দ চন্দ্ৰ বসুমতাৰী, বিধায়ক (৬৯-ওদালগুৰি)

এতিয়া আমাৰ কাৰ্যসূচী আছে যোৱা ইং ১০- ০৮-২০২১ তাৰিখে বেচৰকাৰী সদস্যৰ কাৰ্য্যসূচীত বিশেষ প্ৰস্তাৱ এটা মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদৰ নামত আছিল। উক্ত বিশেষ প্ৰস্তাৱৰ প্ৰস্তাৱক শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই ইয়াৰ ওপৰত বক্তব্য আগবঢ়াইছিল আৰু উক্ত বক্তব্যৰ সামৰণি মাৰিছিল। এতিয়া অইন কোনো মাননীয় সদস্যই বিশেষ প্ৰস্তাৱটোৰ ওপৰত বক্তব্য ৰাখিব পাৰিব।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এইটো প্ৰাইভেট মেম্বাৰৰ এটা বিজ্‌নেছ আছিল আৰু আজি বহু কেইখন গুৰুত্বপূৰ্ণ বিল আছে, সেই গতিকে আমি

বিচাৰো যে এইটো এটা প্ৰাইভেদ মেম্বাৰৰ দিনত হ'ব লাগে আৰু যিহেতু এইটো গুৰুত্বপূৰ্ণ। আমি এখন আইন ইতিমধ্যে আনি থৈছোৱে। প্ৰপোলেচনৰ ওপৰত বিধেয়ক এখন অনা হৈছে যোৱা চেচনত। সেই গতিকে পুনৰবাৰ আমি সেইসময়ত যিখিনি কথা কৈছিলো সেইখিনি কথাৰ ওপৰত চৰকাৰে কেনেকুৱা এক্সন টেক'ন কৰিলে, আমি যিখিনি পৰামৰ্শ দিছিলো, সেইখিনিৰ ওপৰত এটা প্ৰতিবেদন হলে ভাল। তাৰ পিছতহে এনেকুৱা যি কঠোৰ আইনৰ কথা কৈছে বা অকল এচাম শ্ৰেণীৰ কথা কৈছে সেই কথাখিনি আলোচনা কৰা ভাল। আমি ইতিমধ্যে দিটেল্‌চ আলোচনা এটা কৰিছিলোঁ, সেই আলোচনাৰ ভিত্তিত চৰকাৰে কি কি পৰামৰ্শ ললে, সেই পৰামৰ্শখিনি আমি জানিব বিচাৰিছোঁ প্ৰথমতে, তাৰ পিছত এই দিশত আলোচনা কৰিব বিচাৰিম।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, প্ৰাইভেদ মেম্বাৰৰ দিন আজি নহয়, কিন্তু আপোনালোকে কৈছিল যিদিনাখন আমি এই হাউচত কৈছিলো যে অহা ১৩ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ উত্তৰ দিব। সেইদিনাখন আপোনালোকে কৈছিল যে ঠিক আছে আমাকো কোৱাৰ সুবিধা দিব, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱাৰ আগত। সেই কাৰণে আমি সাজু হৈ আছোঁ। ৰকিবুল হুছেইন ডাঙৰীয়া আপুনিয়ে কৈছিল।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** সেইটোৱে কলো যে, আগৰ যিখিনি তথ্য আছিল, যিখিনি এক্সন টেক'ন কৰিলে পৰামৰ্শখিনিৰ সেইখিনি আমাক দি লওঁক।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, ঠিক আছে, আজি আলোচনাটো চলক। আজি যিহেতু কোৱা আছে, আজিয়ে কৰো।

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** হাইচ হলে আমি অলৰেডি লিখি দিলোহেতেন।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** আমি তেনেকৈৰে ৰেডি হৈ আছো, ইয়াত তিনিদিন আগত যেতিয়া আমি কৈছিলো যে ১৩ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ উত্তৰ দিব। তেতিয়া আপোনালোকৰ জ্যেষ্ঠ সদস্য মাননীয় ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছিল যে, ঠিক আছে আমাক কিন্তু তাৰ আগত ক'ব দিব লাগিব। তেনে ধৰণে আমি আজি সাজু হৈছোঁ। গতিকে ইমানটো ডাঙৰ ইচ্ছু নহয়, ভাল প্ৰটেক্ট হ'ব এইটো এটা। আপোনালোকেই আনিছে, আপোনালোকৰ দলৰ মাজৰ পৰাই আনিছে।

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** আমাৰ দলৰ ফালৰ পৰা অনা নাই।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** আপোনালোকৰে মেম্বাৰ তেখেত, আপোনালোকে Disolve কৰিছে নেকি ? মেম্বাৰজনক আপোনালোকে Disolve কৰিছে নেকি ? মেম্বাৰ জন আপোনালোকৰ নহয় বুলি কব নেকি ?

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** সেইটো নকওঁ।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** দলৰটো এটা নিয়ম থাকিব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব হ'ব, মই কৈ আছোঁ। মই ক্লিয়াৰিফিকেচন দি আছোঁ।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** সেইটো আপোনালোকে কৈছিল। সেইদিনাখন আপোনালোকে কব পাৰিলেহেতেন, যে প্ৰাইভেদ মেম্বাৰ বিল এদিনহে আলোচনা হ'ব। যেতিয়া আমি কৈছিলো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব বুলি, তেতিয়া সন্মানীয় সদস্য জ্যেষ্ঠ সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছিল যে ঠিক আছে তাৰ আগত আমাক কোৱাৰ সুযোগ দিব। সেই অনুসৰে আমি আজি তেনেকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰিপ্লাই কৰিব। সেইটো অকমান কওঁক আপোনালোকে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, মই কৈ আছো।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সদন খন মই কি বিচাৰিছোঁ আৰু কোনোবাই কি বিচাৰিছে তাৰ ওপৰত ভিত্তি কৰি নচলে। সদন চলে Rules of Procedure and Conduct of Business in Assam Legislative Assembly. অধ্যক্ষ মহোদয়, আপুনিও ইয়াৰ দ্বাৰা গঠিত এজন বিধায়ক। আমাৰ মাজৰ পৰাই আপোনাক বাচনি কৰিছোঁ আৰু আপুনিও সেই ৰুল্চ খন চাইহে আমাক শিকাই। ইয়াত কোৱা আছে যে এটা নিৰ্ধাৰিত দিনত প্ৰাইভেদ মেম্বাৰটো হয়। চৰকাৰী বিষয় বা বিধেয়ক আপোনালোকে যি কোনো সময়ত জাননী দি আনিব পাৰে। Private Member's Day ইয়াত আছে আগতেও শুক্ৰবাৰ আছিল এতিয়া মংগল বাৰ হ'ল আৰু লোকসভাত শুক্ৰবাৰে আছে। শুক্ৰবাৰৰ বাহিৰে অন্যবাৰত বেচৰকাৰী কাৰ্যসূচী হ'ব নোৱাৰে। তথাপি এইটো এটা স্পেচিয়েল মোচন আনিছে। আমি যদি আজি এনেধৰণে কৰো যে মই কৈছো, কোনোবাই কৈছে কাৰণে নিয়মটো কৰো, তেতিয়াহলে এইটো এটা অনিয়ম হ'ব। সেই অনিয়মৰ অংশীদাৰ হ'বলৈ নোহোৱাৰ কাৰণে অধ্যক্ষ মহোদয়, মই কৈছো যে এইটো আপোনাৰ এইটো এটা হ'ল যে স্পিচিয়েল মোচনত আনিছে। স্পেচিয়েল মোচন আনাটোৱে আমাৰ ভুল হৈছে। এটা বিষয়ৰ ওপৰত ৰুল্চে কৈছে এটা বিষয়ৰ ওপৰত এটা চেচনত দুবাৰকৈ আনিব নোৱাৰে। এই বিষয়বস্তুটো আমাৰ এবাৰ অনা হৈছে। আকৌ এটা চেচনত দুবাৰকৈ অনাটোৱে আমাৰ অনিয়ম হৈছে। তাৰোপৰি স্পেচিয়েল মোচন কেতিয়া আনিব পাৰে Whenever, any report or any matter of urgent public importentce and recent ouccarence. আমি এইটো স্পেচিয়েল মোচন দি আনিছো দে, recent ocarance এইটো হয় নেকি ? যদি এইটো প্ৰপোলেচনটো যদি recent ouccarence যোৱা কালি হোৱা এসপ্তাহৰ আগত হোৱা, এমাহৰ ভিতৰত হোৱা তেতিয়াহলে এইটো recent ouccarence.গতিকে আমি নিয়ম বহিৰ্ভূতভাৱে এটা বিষয়বস্তুৰ ওপৰত আলোচনা কৰিম, তাৰ অংশীদাৰ অন্তত আমি হ'ব নোৱাৰো। আমি এইটো আপত্তি কৰা নাই, আমি কৈছো যে, চেম দিন, আকৌ প্ৰাইভেদ মেম্বাৰ বিল আহিব। প্ৰাইভেট মেম্বাৰ বিল আহিলে, প্ৰাইভেট মেম্বাৰ আমাৰ ৰিজ'লিচন আহিব। আকৌ এইটো কন্টিনিউ কৰিব, আমি তাত অংশগ্ৰহণ কৰিম, কিন্তু নিয়ম বহিৰ্ভূতভাৱে বেলেগ এটা দিনত যদি এইটো আহে ইয়াত স্পেচিয়েলি কৈছে Its shall not revive discussion. May not নহয় দে, এইটো মোচনৰ ৩ নং দফাৰ (vi) ত কোৱা হৈছে যে "It shall not revive discussion of a motion which has been discussed in the same Session." এবাৰ সদনত আলোচনা হোৱাৰ পিছত আকৌ এবাৰ একে সদনত একেই বিষয়বস্তুৰ ওপৰত আলোচনা হ'ব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** নহয়, ইয়াত কৈছে, ইয়াত যিহেতু কৈছে।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)** ঃ ৰ'ব, ৰ'ব মোক আপুনি ক'বলৈ দিয়ক, তাৰোপৰি special মোচন যিটো আহিছে It is a special mention, মোচন নহয়, special মোচনত স্পেচিফিকেলি লিখা আছে যে আমি কেতিয়া কৰিব পাৰো যদি special এটা Circumstance হয় আৰু যদি এইটো recent ouccarence হয়। গতিকে recent ouccarence এইটো নহয় আৰু আপোনালোকক আমি কৈছো যে যিটো কৈছে যে বেলেগ এটা ডিভাইছত আনক আমিও আনিম প্ৰাইভেদ। এইটো প্ৰাইভেট মেম্বাৰহে। আমিহে অনা বিল, আমিহে অনা প্ৰস্তাৱ।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, কথাটো একো ডাঙৰ ইচ্ছু নহয়।

**শ্ৰীপদ্ম হাজৰিকা (চতিয়া) ঃ** নিয়মটোতো আমি নজনা নহয়। ৰুল্‌চটো আমি জানো, তেখেতে যিটো ৰুল্‌চৰ ব্যখ্যা কৰি ছে সেইটো আমি জানো। কিন্তু জ্যেষ্ঠ এগৰাকী সদস্যই ৰুল্‌চটোৰ বাহিৰত সেইদিনা যিটো বিষয় তেখেতে কৰিলে আৰু উপাধ্যক্ষ ডাঙৰীয়াই সেইদিনা সন্মতি দিলে, তাৰ পিছতহে এইটো আহিল।

**মাননীয় অধ্যক্ষ ঃ** হব, এতিয়া সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কব।

**শ্ৰীপিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো এনেকুৱা যে তেখেতসকলে কোৱা মতে এই বিষয়টো গুৰুত্বপূৰ্ণ নহয়। এইটো recent occurrence নহয় বা গুৰুত্বপূৰ্ণ নহয় বুলি সদস্য ডাঙৰীয়াই কলে। মই কৈছো, এইটো recent occurrence যদিও নহয়, এইটো major issue। সংখ্যালঘু অঞ্চলৰ উন্নয়ন, সংখ্যালঘু অঞ্চলৰ মানুহৰ জীৱত যাত্ৰা আগুৱাই যোৱাতো বহুত গুৰুত্বপূৰ্ণ। আলোচানতো হ'ব নালাগে বুলি কৈছে মাননীয় সদস্য ডাঙৰীয়াই এইটো proceeding ত record হ'ব। আপুনি কৈছে যে important issue নহয়, মই কম আপোনালোকৰ সদস্যসকলৰ মাজত coordination নাই, আজি এইটো প্ৰমাণ হৈ গ'ল। সন্মানীয় জেষ্ঠ সদস্য শ্বেৰমান আলি ডাঙৰীয়াই বিষয়টো আনিছে, কিন্তু তেখেতৰ দলৰ সদস্যই কলে rule violate কৰি আনিছে। এইটো তেখেতৰ কাৰণে অপমান জনক। মাননীয় অধ্যক্ষ মহোদয়, কথাটো এনেকুৱা যে আপোনালোকে কয় বিৰোধীক কবলৈ সুবিধা দিব লাগে। সেইদিনাখন যেতিয়া আমি কৈছিলো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে reply দিব, তেখেতসকলে কৈছিলে reply দিয়ক, কিন্তু তাৰ আগত আমাক কোৱাৰ সুযোগ দিব লাগিব। কেনেকৈ আপোনালোকে বদলি গ'ল হঠাৎ। বিৰোধীক সন্মান জনাই আজি আমি আলোচনা কৰিবৰৈ ওলাইছিলো, আপোনালোকে মানি লৈছিলে। প্ৰত্যেকটো rule ৰ মাজৰে নাযায়, আলোচনাৰ মাজেৰেও যায়। সেইদিনাও আমি আলোচনা কৰিছিলো আপোনালোকে কৈছিলে আমাকো সুবিধা দিব লাগে। আপোনালোকে কোৱাৰ কাৰণে এই নিদিষ্ট সুবিধাখিনি ৰাখিছিলো। কিন্তু আজি আপোনালোকে অস্বীকাৰ কৰি আছে। কিহৰ কাৰণে অস্বীকাৰ কৰিছে অসমৰ ৰাইজে বুজি পাব। আপোনালোকে কাৰোবাক সন্তুষ্ট কৰিবলৈ, তুষ্টিকৰণৰ ৰাজনীতি কৰিবলৈ কৰিছে। আপোনালোকৰ কঠোৰ জনসংখ্যা বিৰোধী আইন অনাত আপত্তি আছে। (সদনত হুলুস্থূল)

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া আইনখন আহিছিল, আমি আলোচনা কৰিছিলো আৰু তাত কৈছিলো চৰকাৰে কি কি কাম কৰিব লাগে। যোৱা সময়ছোৱাত চৰকাৰে পুঁজি আৱন্টন পাইছে। সেইবিলাক কি কাম কৰিলে, সেইবিলাক জনাৰ পিছত আলোচনা কৰিলে ফলপ্ৰসূ হব বিধান সভাৰ বাবে।

দ্বিতীয় কথা হ'ল - S Y Quraishi যিজনক বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে Chief Election Commissioner বনাইছিলে, তেখেতে এখন কিতাপ লিখিছিলে The population myth। publish হৈছে আজি দুমাহ মান আগতে। তাত লিখা আছে যে The muslim are increasingly adopting family planing measures than Hindus and 20 year ago if Hindu had one child, Muslim had 2.1 children. ২০ বছৰ আগত এজন হিন্দুৰ এটা পৰিবৰ্তে মুছলিমৰ ২.১ ল'ৰা -ছোৱালী আছিলে। এতিয়া The difference has come to half। এইখিনি তথ্য ভিত্তিত আছে। out of 29 states, 25 states got ideal PFR of 2.1 বুলি তেখেতে কৈছে। এই কথাটো কঠোৰতকৈ কিজানি বুজা পৰাত ভাল ধৰণৰ promotion ৰ মাজেদি কথাখিনি হৈছে। এই আইনখন কঠোৰ বুলি যোৱাৰ আগতে

আমি, চৰকাৰে কি পদক্ষেপ লৈছিলে, সেইটো জানিব বিচৰাটো কেতিয়াও দোষনীয় হব নোৱাৰে। সদনত সকলো তথ্য ৰাজহুৱা হ'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ হ'ব এতিয়া মই কৈ আছো, বিষয়টো হ'ল rule 130 (A) ৰ মতে motion টো অনা হৈছে। motion তো move কৰিলে। motion তো কিয় move কৰা হৈছিলে। যোৱা discussion ৰ reply ত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিলে যিটো resolution আনিছিলে, তাৰ ওপৰত যদি কিবা হয়, তেতিয়া চৰকাৰৰ resolution pass কৰি দিয়াত কোনো আপত্তি নাই। সেই বিষয়টোৰ ওপৰত rule 130 (A) আনিলে, এইটো গ্ৰহণ কৰিলো। কাৰণ তাত যিটো যুক্তি ডাঙি ধৰিছে, সেইমতে notice খন applicable হয়। সেই হিচাপে যোৱা মঙ্গলবাৰত Private Member resolution হিচাপে মাননীয় সদস্য শ্বেৰমান আলি ডাঙৰীয়াই move কৰিলে। আৰু সেইদিনা সদনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া নাছিলে কাৰণে, তেখেত মোক এটা মেচেজ দিছিল যে তেখেতে এই বিষয়ত **১৩** তাৰিখে reply তো দিব। সেই কাৰণে **১৩** তাৰিখৰ লৈকে এই বিষয়তো ৰাখি থব লাগে, মই সদনত জনাইছিলো। সেই অনুযায়ী আজিৰ দিনটো ধাৰ্য্য কৰা হৈছে। আপোনালোকে যি rule ৰ কথা কৈছে, ইয়াত কোৱা হৈছে অধ্যক্ষই আলোচনাৰ কাৰণে সময় আৰু তাৰিখ ধাৰ্য্য কৰিব পাৰে। ইয়াৰ পিছত, আগতে কথা পতা বুলি কৈ আছে, double আলোচনা হ'ব নালাগে, এইটো দুটা বেলেগ notice নহয়, same notice ৰে continuation। Rule 23 (3) ত আছে, The Speaker may allot different days for the disposal of different classes of Private Members' Business; and on days so allotted for any particular class of business of that class shall have precedence.

আৰু আপুনি যিটো কৈ আছে 131(6), ইয়াত কৈছে একে অধিবেশনতে আলোচিত হৈ যোৱা আলোচনাত পুনৰ আৰম্ভন নহ'ব। সেইদিনাৰ আলোচনাটো শেষ হোৱা নাই। সেইটোত যদি আপত্তি কৰিব লাগিছিলে, তেখেতে move কৰিছিলে, তাৰ আগতে এই কথাটো আহিব লাগিছিলে যে already এইটো আলোচনা কৰা বিষয়, ইয়াৰ ওপৰত আৰু দ্বিতীয় বাৰৰ কাৰণে কোনো resolution move কৰিব নোৱাৰে, বিষয়তো চলি থাকিল, শেষ হোৱা নাই। তেতিয়া আলোচনাতো হ'ব লাগিব। আমি বিধান সভাত কোনোবা এটা business ত উল্লেখ কৰা বিষয়তো ওপৰত আলোচনা কৰিব নোৱাৰে। তেতিয়া হ'লে introduce হোৱা বিলখনৰ ওপৰতো আলোচনা কৰিব নোৱাৰে। গতিকে এইটো চলি থকা বিষয়, শেষ হোৱা বিষয় নহয়।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি কোৱা কথাটো মই কৈছো, আপুনি কোৱা কথাটোৰ basic কথাটোত আমাৰ আপত্তি আছে। এইটো দ্বিতীয় resolution নহয় বুলি কৈছে। কিন্তু এইটো continuous বিষয় নহয়। প্ৰথমে যিখন দিছিলে সেইটো বেলেগ আছিলে, এখনত আলোচনা হৈছিল Pravite Members' Special Motion আৰু যিদিনাই বিষয়তো আনিছিলে সেইটো বেলেগ আছিলে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া আমি Rule 130(A) বিষয়তো continue কৰি আছো।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া যিটো আনিছে আমাৰ এটা বেলেগ এটা devise দি আনিছে।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ মণ গলে আপুনি কব পাৰে ৰুলে মানক নামানক। কিন্তু শেষত judgement তোৱে final।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ দেখুৱাই দিলো যে এইটো motion ৰ লগত আগৰ motion ৰ সম্পৰ্ক নাই।

**মাননীয় অধ্যক্ষ ঃ** কিয় নাই আছে , মই কৈ আছো আপোনাক। আজি যিটো বিষয়ত আমি কথা পাতি আছো সেইটো হ'ল স্পিচিয়েল মোশ্যন 130 (A) এচ পাৰ 130 (A) মতে শ্বেৰমান আলি আহমেদে নোটিছ এটা দিছে , এই নোটিছ গ্ৰাহ্য হোৱাৰ পিচত , একচেপ্ট কৰাৰ পিছত এই বিষয়ে তেখেতে হাউচত মোশ্যনটো আনিছে। সেই মোশ্যন চলি থকাৰ সময়তে আমি স্থগিত ৰাখিছো ১৩ তাৰিখ অৰ্থাৎ আজিৰ দিনটোত এই বিষয়ে উত্তৰ আৰু আলোচনাটো হ'ব। এইটো সেইদিনা আপোনালোকে সকলোৱে এগ্ৰী কৰিছিল। সেই বিষয়টোৱে আজি কনটিনিউ হ'ব ইয়াত কোনো নতুন নহয়। 130 (A) যোৱা মঙ্গলবাৰে ইয়াত যিটো মোশ্যন আনিছে সেই মোশ্যনৰ ওপৰতে আজি ৰিজোলুশ্যনৰ ওপৰত ডিচকাশ্যন হ'ব। ৰিজোলুশ্যনটো নাকচ হয়নে গৃহীত হয় সেইটো আপোনালোকে ডিচাইড কৰিব। ইয়াৰ পিচত 130 (A) মতে এইটোৱে কৈছে যেতিয়া স্পিচিয়েল মোশ্যনত আহে বা স্পিচিয়েল মোশ্যনৰ কাৰণে নোটিচ দিয়ে বা সেইটো যদি গ্ৰাহ্য হয় তেতিয়া 131 (A) Rule ত কৈ প্ৰায়োৰিটি পাব । গতিকে 131 (A) ৰ লগত কোনো লিংক নাই। আপুনি 131 ৰ যিটো 6 নম্বৰৰ কথা কৈছে - এইটোকে কৈছে যে, যিটো অলৰেডী আলোচনা হৈ গ'ল। সেইটো ইয়াত নহ'ব। সেইটো আলোচনা কৰিব নোৱাৰিব। 130 (A) ৰ ওপৰত যিটো নোটিছ আহিছে সেইটো আলোচনা হৈ যোৱা নাই, সেইটো আলোচনা চলি আছে , স্থগিতহে হৈছিল। স্থগিত হৈ আজি পুনৰ আলোচনা আৰম্ভ হ'ব। আৰু যদি অনাৰেবল্ সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে যে, হাউচত যদি হাউচত বিষয়টো ওলাল নেক্সট ডে কথা পাতিব নোৱাৰে । মই ক'ব বিচাৰো যে এভ্ৰি বিল আজি যিটো আমি ডিচকাশ্যন কৰিবলৈ লৈছিলো অলৰেডি ইনট্ৰ'ডিউচ আগতে , সেইটো চলিলে আগতে তেনেহ'লে ইয়াৰ ওপৰততো ডিচকাশ্যন হ'ব নোৱাৰে। এতিয়া 130 (A) ত কৈছে The Speaker shall fixed the time and date for discussion of such a motion. ইয়াত কোনো কোৱা নাই যে, গৰ্ভমেন্টৰ বিজিনেছৰ দিনাখন পাৰিব বা নোৱাৰিব, প্ৰাইভেট মেম্বাৰচৰ দিনাহে হ'ব লাগিব বুলি ইয়াত একো উল্লেখ নাই। ইয়াত এক্সপ্ৰিয়েন্সড মানুহ আছে আপোনালোকে ইন্টাৰপ্ৰিটেশ্যনটো কি হ'ব এইটো চালে হ'ল লিগেল চাইডত । লিগেল ইন্টাৰপ্ৰিটেশ্যনটোত আমি কিমান এক্সেচলৈকে আমি যাব পাৰো। ইয়াৰ পিচত মই আৰু ক্লিয়েৰিফিকেশ্যন দি আছো যে মই কিয় লৈছো বা আজি ল'ব পাৰি নে নোৱাৰি । 23(3) ৰ ৰুলত কোৱা হৈছে - The Speaker may allot different Date for the disposal of different classes or Private Members Business and on this so alloted for any particular class or Business of that Class shall have precedence. গতিকে ইয়াত দিছে। ৰুল মতেহে যাব।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মেম্বাৰচ আৱাৰত এইখিনি আছে। লাষ্ট পইন্টটো চাওঁক আপোনালোকে - page no-16 : Rules of procedure and conduct of Business, Assam Legislative Assembly. তাত লেখা আছে - The Speaker may allot different days for the disposal of different Classes of Private Mmembers Business and on days so alloted for any particular class সন্মানীয় সদস্যগৰাকীয়ে যিটো কৈছে সেইটো মেম্বাৰচ আৱাৰত নাই।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰকিবুল হুছেইন ডাঙৰীয়াই যিটো কৈছে- ক্লিয়াৰ হোৱা নাই এটা কাৰণে আগতে ৰুল ৫০ ত ডিচকাছ হৈ গৈছে। তেখেতে এই কথাটো কৈ দিলেই আপুনি ভালকৈ বুজি পালে হয়। ৰুল ৫০ ডিচকাছ হৈছে, ডিচকাছ হোৱা মেটাৰটো আকৌ এইটো মোশ্যনত আহিছে। এই কথাটো তেখেতে ক'ব বিচাৰিছে। অধ্যক্ষ মহোদয়, কালি ৰাতি আমি আপোনাক লগ ধৰি জনাইছিলো যে এইটোত অলপ বেছি সময় দিব লাগিব যিহেতু এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। আজি বহু গৰ্ভমেন্ট বিল আছে। বহু মেম্বাৰে ইয়াত পাৰ্টিচিপেট কৰিব বিচাৰিছে। অধ্যক্ষ মহোদয়, ৰুল ২৪ত লাষ্ট এটা আছে যে, Next day of the session available for Business of the Class to which it belong ? আপুনি এতিয়া দিব পাৰিব Business of the Class বুলি দিয়া আছে । য'ত নেকি if the business was related to private Member then it may be divide for private Member Business and the business was of Government Business then you can fixed a date to Government Business. ছাৰ ইয়াত স্পিচিয়েলী Business of the Class its belong to বুলি লেখা আছে। Sir, it was a business of Private Members Business, so আপুনি যে ডেটটো ফিক্সড কৰিব, বিজিনেছ অৱ দি ক্লাছ- it belong to ,আপুনি নেক্সট প্ৰাইভেট মেম্বাৰ বিজনেছত সেইটো ঠিক কৰিব পাৰিব। আৰু গৰ্ভমেন্টৰ যদি পেণ্ডিং আছিলে তেনেহ'লে আমি নেক্সট গৰ্ভমেন্ট বিজিনেচত কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** সেই কাৰণে কৈছো সকলোৱে নিজৰ ফেভাৰত কৰি ল'ব পাৰে । যিটো আপুনি কৈছে, মই যিটো কৈছো সেইটোৱে। গতিকে আমি 130 (A) আমি ডিচকাশ্যন আৰম্ভ কৰো।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** অধ্যক্ষ মহোদয়, 130 (A) টো প্ৰাইভেট মেম্বাৰ বিজিনেছ। স্পিচিয়েল মোশ্যনটো। আজিৰ দিনটো হৈছে গৰ্ভমেন্ট বিজিনেছৰ দিন। প্ৰাইভেট মেম্বাৰ বিজিনেছ আৰু গৰ্ভমেন্ট বিজিনেছ এটা দিনত নহয়।

**মাননীয় অধ্যক্ষ ঃ** এনেকুৱা নহয় । যিকোনো বিল সদনে যিকোনো দিনত ফিক্সড কৰিব পাৰে। ইয়াত দুয়োটাই চলিব। আপুনি যিটো কৈছে সেইটো নহয়।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা এটা চলিউশ্যন হ'ব পাৰে নেকি, আমি এটা দিছো.......।

**মাননীয় অধ্যক্ষ ঃ** চলিউশ্যন - ডিচকাশ্যন, ইয়াৰ পিচত আপোনালোকে নাকচ কৰে নে একচেপ্ট কৰে সেইটো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা প্ৰস্তাৱ দিব খুজিছো যে Private Member Motion হওক বা বিল হওক এইটো Private Member ৰ হয়। চৰকাৰৰ বাহিৰৰ। অৰ্থাৎ আমাৰ বিৰোধী বা অন্য সদস্যয়ো আনিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** এইটো Private Resolution. এইটো চৰকাৰৰ কেতিয়াও নহয়।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Private ৰ মানুহে কৈছে যে এইটো আলোচনা হওক। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সিদিনাখন ক'লে যে আপুনি সংশোধন কৰি পিছত আনক। তেওঁ ভবা নাছিল চাগৈ যে পুনৰ Immediately আনিব।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে পিছত আনক বুলি কোৱা নাই। তেওঁ কৈছিল যে কিছুমান বিষয়ত আলোচনা কৰি যদি বিষয়টো হয়....

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এইটো Private Member বিলৰ লগত সম্পৰ্ক থকা Resolution হয়, আমি এইটো পুনৰ বেলেগ এটা চেচনত আনিম। কাৰণ যিটো Intention ত আনিছে, তাত যদি আমি সহযোগ নকৰো তেতিয়া যিটো সৰ্বসন্মত সিদ্ধান্ত সেইটো নহ'ব। তেওঁলোকে যদি মানে আমি এইটো বেলেগ এটা দিনত আনিম আৰু আলোচনা কৰিম। অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যে বেলেগ এটা দিনত এইখিনি আনি আমি যদি আলোচনা  কৰিব পাৰো তেতিয়া আমি অংশ গ্ৰহণ কৰিব পাৰিম। অন্যথা নোৱাৰিম।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি আমাৰ সদনৰ প্ৰচিডিংখিনি চাই, সেইদিনাখন আপুনি যিখিনি কথা কৈছিল, সেইখিনি কথা ইয়াত ওলাই পৰিব।  সেইদিনাখন এই কথাটো কওঁতে বহু সদস্যই ইয়াত যোগদান কৰিব বুলি কৈছে। এই কথাখিনি কোৱা হৈছে আৰু আজিৰ তাৰিখত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যে ইয়াৰ উত্তৰ দিব এইখিনি কথাও কোৱা হৈছিল। গোটেই সদনে এই কথাখিনি গম পায়। এই কথাটো এতিয়াও চলি আছে আৰু এইটো কোনো কাৰণতে সলনি হ'ব নোৱাৰে। সিদিনাখন যিটো সিদ্ধান্ত লোৱা হ'ল তাত এইটো শেষ হোৱা নাই আৰু সকলোৱে যোগদান কৰিম বুলি কৈছিল আৰু আপুনি তেনেকুৱাকৈ ৰখিলে। গতিকে আজি তেনেকুৱাকৈ আৰম্ভ হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। মই ইতিমধ্যে তেনেকুৱাকৈ আৰম্ভ কৰিছো। প্ৰত্যেকটো কথাই গ্ৰাহ্য নহয়। যেতিয়া সেইটো ৰুলত নপৰে তেতিয়া সেইটো কেনেকৈ গ্ৰাহ্য হ'ব। আপোনালোকৰ কথাটো মানি লৈছো আৰু বিষয়টো এতিয়া আলোচনা হ'ব আৰু আজিয়েই এই বিষয়টো শেষ কৰিব।

**শ্ৰী পিযূষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো অতি গুৰুত্বপূৰ্ণ আলোচনা। যদি বিৰোধী দলে উঠাই নলয়,  continue হওক, তেতিয়া আমি মানিম।

**মাননীয় অধ্যক্ষ ঃ** এইটো জৰুৰী বিষয় নাছিল।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়,আমি তাত লিখি দিছিলো যে এই বিষয়টো বেলেগ এদিন আলোচনা হওঁক। আমি এইটোহে বিচাৰিছো। আমিতো বিৰোধিতা কৰা নাই।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মেনশ্যন কৰা হৈছে যে ১৩ তাৰিখে ইয়াৰ উত্তৰ দিব।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ইতিমধ্যে যিটো কৈছে আমি তেখেতৰ লগত একমত।

**শ্ৰী পিযূষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো পৰৱৰ্তী অধিৱেশনত আলোচনা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য সকল, আপোনালোকে বাহিৰত সিদ্ধান্ত লওঁক। হাউচ ৫ মিনিটৰ কাৰণে  Adjourn কৰা হ'ল।

**(সদন  ৫ মিনিটৰ কাৰণে স্থগিত কৰা হ'ল। )**

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য সকল,  আজি যিটো বিষয়ত আলোচনা কৰা নকৰাক লৈ ইয়াত বিতৰ্ক চলি আছিল আৰু এতিয়া দুয়োপক্ষই একেলগে বহি যিয়ে Motion আনিছিল আৰু যিয়ে উত্তৰ দিব একেলগে কথা পাতি এটা সিদ্ধান্তত আহিল যে যিহেতু আজি বাকী বিলবোৰৰ ওপৰত কথা পতাটো বেছি গুৰুত্বপূৰ্ণ সেইকাৰণে বাকীবিলবোৰ হৈ যাওঁক। এই বিষয়টো অন্য এটা অধিৱেশনত  আলোচনা কৰা হ'ব। অধ্যক্ষ হিচাপে মোৰ ইয়াত কোনো আপত্তি নাই। মই আগতেও

কৈছো বিচাৰপীঠ হিচাপে মই ইয়াত বহি আছো। দুয়ো পক্ষৰ মাজৰ কাজিয়া কেনেকৈ সমাধান কৰিব পাৰি সেইটোৱে মোৰ কাম। বিৰোধী পক্ষৰ সকলো কথা যদি চৰকাৰী পক্ষই মানি লয় মোৰ ইয়াত ক'বলগীয়া একো নাই। দুয়োপক্ষই মিলি আলোচনা কৰি যদি আহে সদনৰ বাবে অতি ভাল। প্ৰত্যেকটো কথা যদি চৰকাৰ আৰু বিৰোধী পক্ষই মিলি আলোচনা কৰে তেতিয়া আমাৰ সদনৰ কেৱল হাত চাপৰি মৰাই কাম হ'ব। গতিকে সেই বিষয়টো আজি ইয়াত স্থগিত ৰাখিলো আৰু অন্য এটা অধিৱেশনৰ বিশেষ এটা দিনত আলোচনা কৰিব। যিহেতু ইয়াত কোৱা হ'ল যে আজিৰ কিছুমান বিষয়ৰ ওপৰত আলোচনা কৰাটো অধিক গুৰুত্বপূৰ্ণ। গতিকে সেই বিষয়ে ভৱিষ্যতে কথা পাতিব। কিন্তু ৰুল হিচাপে সকলো ঠিকেই আছে। আমি কোনেও ৰুলৰ ওপৰত নহয়। সদনে ¿üX±™ù'Ëü ýÅëÄäÂ¿ûË3ÁËõ± Buisness ৰ ওপৰত যিকোনো সময়ত কথা পতাৰ অধিকাৰ সদনক দিয়া হৈছে। গতিকে সেই হিচাপে কৰি আহিছে। অধ্যক্ষৰ ক্ষেত্ৰতো Discrition ক্ষমতাটো দিছে আৰু আমি সেই হিচাপে কৰিছিলো। কিন্তু সদনে যিটো সুবিধাজনক বুলি ভাৱে তাত আমাৰ আপত্তি কৰাৰ কোনো কথা নাই। সেইকাৰণে এইটো হ'ল।

এতিয়া মাননীয়া সমাজ কল্যাণ মন্ত্ৰীয়ে to lay the Separate Audit Reports on the Accounts of the Assam State Commission for Protection of Child Rights, Guwahati for the Years 2010-11 to 2017-18 সদনত দাখিল কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Separate Audit Reports on the Accounts of the Assam State Commission for Protection of Child Rights, Guwahati for the Years 2010-11 to 2017-18 সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আছে 'The Assam Employees' Parent Responsibility and Norms for Accountability and Monitoring (Amendment) Bill, 2021' ৰাজভৱনৰ পৰা বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ২০২১ চনৰ ৪ আগষ্ট তাৰিখে এটা বাণী পঠিয়াইছে। বাণীটো হ'ল-

Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the 'The Assam Employees' Parent Responsibility and Norms for Accountability and Monitoring (Amendment) Bill, 2021' be taken into consideration by the Assam Legislative Assembly.

এতিয়া মাননীয় বিত্তমন্ত্ৰীক 'The Assam Employees' Parent Responsibility and Norms for Accountability and Monitoring (Amendment) Bill, 2021' বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলোঁ।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Employees' Parent Responsibility and Norms for Accountability and Monitoring (Amendment) Bill, 2021' বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** 'The Assam Employees' Parent Responsibility and Norms for Accountability and Monitoring (Amendment) Bill, 2021'

বিবেচনাৰ বাবে সদনত উত্থাপন কৰা হওক।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওক, 'হয়'

যিসকল বিপক্ষে আছে কওক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

বিধেয়কখনৰ ২ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কৰ ২ নং দফাটো সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল- ২ নং দফাটো বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওক, 'হয়'

যিসকল বিপক্ষে আছে কওক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হ'ল। বিধেয়কৰ ১নং দফাত সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিছো।

প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ল।

**কাৰ্য্যসূচী নং ৩ (গ)**

মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Employees' Parent Responsibility and Norms for Accountability and Monitoring (Amendment) Bill, 2021" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো -

প্ৰস্তাৱটো হ'ল- "The Assam Employees' Parent Responsibility and Norms for Accountability and Monitoring (Amendment) Bill, 2021" পাৰিত কৰা হওঁক।

যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়',

যি সকল বিপক্ষে আছে তেখেত সকলে কওক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হ’ল, বিধেয়কখনো পাৰিত কৰা হ’ল।

**কাৰ্য্যসূচী নং ৪**

মাননীয় ৰাজহ মন্ত্ৰীক “The Registration (Assam Amendment) Bill, 2021” বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী যোগেন মহন (ৰাজহ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, “The Registration (Assam Amendment) Bill, 2021” খন বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো -

প্ৰস্তাৱটো হ’ল- “The Registration (Assam Amendment) Bill, 2021” বিবেচনাৰ বাবে লোৱা হওক।

যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ’ল।

বিধেয়কখনৰ ২ নং দফাত সংশোধনীৰ প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো-

প্ৰশ্নটো হ’ল-

২ নং দফাটো বিধেয়কখনৰ অংশ হ’ব।

যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ২ নং দফাটো বিধেয়কখনৰ অংশ হ’ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিছো।

প্ৰশ্নটো হ’ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ’ব।

যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ’ল।

এতিয়া মই মাননীয় ৰাজহ মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী যোগেন মহন (ৰাজহ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, “The Registration (Assam Amendment) Bill, 2021” খন পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলোঁ -

প্ৰস্তাৱটো হ'ল- “The Registration (Assam Amendment) Bill, 2021” পাৰিত কৰা হওঁক।

যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক ‘হয়’, যিসকল বিপক্ষে আছে তেখেতসকলে কওক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৱো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল।

<u>কাৰ্য্যসূচী নং ৫</u>-

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ৩০-০৭-২০২১ তাৰিখে এটা বাণী পঠিয়াইছে । মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that ‘The Assam Professions, Trades, Calling and Employments Taxation (Amendmen) Bill, 2021’ be taken into consideration by the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলোঁ।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ‘The Assam Professions, Trades, Calling and Employments Taxation (Amendmen) Bill, 2021’ খন বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলোঁ -

প্ৰস্তাৱটো হ'ল- ‘The Assam Professions, Trades, Calling and Employments Taxation (Amendmen) Bill, 2021’ খন বিবেচনাৰ বাবে লোৱা হওক ।

যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৱো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।

বিধেয়কখনৰ ২ আৰু ৩ নং দফাত সংশোধনীৰ প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ২ আৰু ৩ নং দফা দুটা সদনৰ মজিয়াত দাঙি ধৰিলো- প্ৰশ্নটো হ'ল-

২ আৰু ৩ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা দফা দুটাৰ সপক্ষে আছে তেখেতসকলে কওক ‘হয়’, যি সকল বিপক্ষে আছে তেখেতসকলে কওক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ২ আৰু ৩ নং দফা দুটা বিধেয়কখনৰ অংশ হ’ল।

বিধেয়কখনৰ ৪ নং দফাত মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া, শ্ৰী শ্বেৰমান আলী আহমেদ, শ্ৰীমতী নন্দিতা দাস, শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, শ্ৰীমতী শিৰামণি বৰা, শ্ৰী যাদৱ স্বৰ্গীয়াৰী, শ্ৰী আফতাব উদ্দিন মোল্লাহ, শ্ৰী আবুল কালাম ৰশিদ আলম, শ্ৰী নুৰুল হুদা, শ্ৰী দিগন্ত বৰ্মন, শ্ৰী ৰেকিবুদ্দিন আহমেদ আৰু শ্ৰী ওয়াজেদ আলী চৌধুৰীৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে। এতিয়া মই মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলক তেওঁলোকৰ সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত মন্তব্য দিবলৈ অনুৰোধ জনালো।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** অধ্যক্ষ মহোদয়, I beg to move that the Clause 4 of the proposed Bill shall be deleted. লগতে, মই ইয়াৰ ব্যাখ্যাখিনিও কৈ দিছো... Interruptions....

**মাননীয় অধ্যক্ষঃ** চমুকৈ ক’ব। সময় কম।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** অধ্যক্ষ মহোদয়, Clause 4 ত সংশোধনী অনা হৈছে। এই বিধেয়কখনৰ মূল কথাটো হ’ল যে যিসকল লোকে ব্যৱসায় বা চাকৰি কৰে, তেওঁলোকে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰ দিব লাগে। পূৰ্বতে, এই কৰ last dateত দিব নোৱাৰিলে পৰৱৰ্তী প্ৰতিদিনৰ বাবে ৫ টকাকৈ জৰিমনা হৈছিল। কিন্তু, এইখিনি সংশোধনীৰ যোগেৰে last date ত কৰ দিব নোৱাৰিলে পৰৱৰ্তী প্ৰতিদিনৰ বাবে ৫০০ টকাকৈ ৫০০০ টকা পৰ্য্যন্ত জৰিমনা ল’ব বিচৰা হৈছে। This is the main fact of the amendment. Sir, we are passing through a very critical period or pandemic situation now. এনে সময়ত, শ্ৰমিকেই হওক বা চাকৰিয়ালেই হওক বা ব্যৱসায়ীয়েই হওক, তেওঁলোকক ৰেহাই দিয়াৰ বাবে বিভিন্ন সময়ত দাবী কৰি অহা হৈছে। লকডাউনৰ বাবে ব্যৱসায় ভালকৈ চলাই নাই। এনে সময়ত, tax filing কৰাৰ অন্তিম তাৰিখটো উকলি যোৱাৰ বাবে ইমান বেছি, ৫ টকাৰ পৰিৱৰ্তে যদি ৫০০ টকা কৰা হয়, it will be so inhuman Sir. আচলতে, এইবাৰ মই কেইবাটাও tax proposal দেখিলো। বাজেট উপস্থাপন কৰাৰ দিনাখন বাজেটৰ ভাষণত দুটা কথা স্পষ্টভাৱে থাকে যে কি কি বিষয়ত টকা খৰচ কৰিব আৰু ক’ৰ ক’ৰ পৰা কৰ আহৰণ কৰিব। কিন্তু, অধ্যক্ষ মহোদয়, এইবাৰৰ বাজেট ভাষণত tax proposal নাছিলেই আৰু আমি ইতিমধ্যে প্ৰায় ৪-৫ খন tax ৰ Bill পাছ কৰিছো। This is also not in conformity with the tradition of the House. Whatever tax proposal the Government desires to make during the current financial year or the financial year ahead, it should be reflected in the Budget Speech. সেইদিনা কোনো tax লগোৱা নাই বুলি ডাঙৰকৈ ডাঙৰকৈ কোৱা হ’ল, কিন্তু, বহু কেইখন বিধেয়কৰ যোগেৰে আমি জনসাধাৰণৰ ওপৰত কৰ আৰোপ কৰি আছো। আমি যিহেতু এটা খুব critical situation ৰ মাজেৰে গৈ আছো, সেয়েহে, এতিয়া আৰু কোনো tax ৰ কথা চিন্তা নকৰিবলৈ আপোনাৰ যোগেৰে মই মাননীয় মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিছো। পৰিস্থিতি স্বাভাৱিক হওঁক, মানুহবোৰে ব্যৱসায় আৰম্ভ কৰক, স্বাভাৱিক জীৱন-যাপন আৰম্ভ হওক, তেতিয়া পৰৱৰ্তী পৰ্যায়ত আমি কৰ বঢ়োৱাৰ কথা চিন্তা কৰিম। The amount quantum of enhancement is too high. So, through you, I would like to request the Hon’ble Minister, in view of the

hardship every people is facing now because of the pandemic to accept my amendment. Thank you.

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ** আচলতে মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে ৫০০ টকা বঢ়োৱা নাই, ১০০ টকাহে, তেখেতে চাব পাৰে। ইয়াৰ উদ্দেশ্যে আচলতে হৈছে যে, আমি profession Tax টো মাননীয় সদস্য গৰাকীয়ে জানেই। কৰ্মচাৰীসকলৰ অধীনত যিসকল মানুহে কাম কৰে তেওঁলোকৰ ১০ হাজাৰোও ওপৰত, যিখিনি আমি TDS কাটিব লাগে। আমি directly যিখিনি TDS কাটো, কিন্তু ইয়াত TDS খিনি কৰ্মচাৰী সকলৰ জৰিয়তে profession Tax টো কটা হয়। কিন্তু কৰ্মচাৰী সকলে তেওঁলোকৰ TDS খিনি জমাহে নিদিয়ে। সেইটোহে আমি কৈছো। তেওঁলোকে TDS খিনি পেলাই থৈ দিয়ে, এই ক্ষেত্ৰত আমি সময়সীমা দিছো এটা মাহ। এমাহৰ ভিতৰত তেওঁলোকে জমা দিব লাগে বা next month ৰ ৩১ তাৰিখৰ ভিতৰত জমা দিব লাগে। আমাৰ কথা হৈছে যে tax collection ৰ এইটো এটা নিয়ম, কাৰণ তেওঁলোকে সময়ত tax টো দিব লাগে, সেইটোৱে আচল কথা। ১০ হাজাৰ ৰ পৰা ১৫ হাজাৰ ভিতৰত হলে ১৫০ টকা প্ৰতিটো মাহত দিব লাগে আৰু সেই খিনি তেওঁলোকৰ source তে কাটেই, দৰমহাৰ সময়তে সেইটো কাটি থোৱা হয়। আমি কৈছো যে আপোনালোকে সময়মতে return খিনি submit কৰক। আগতে VATৰ সময়ত যেতিয়া প্ৰতিদিনে ১০০ টকাৰ penalty আৰু তাৰ exceeding limit আছিল ১০ হাজাৰ টকা কিন্তু এতিয়া সেইটো নহয়। এতিয়া তেওঁলোকে এবছৰও late fees দিয়ে, তেতিয়াও আমি টকাটো ৫ হাজাৰে কৰিছো। কথাটো হৈছে তেওঁলোকে সময়মতে tax return টো কৰিব লাগে। আমি কৰ্মচাৰী সকলক কৈছো যে আপোনালোকে এমাহ সময় পাইছে, গতিকে আপোনালোকে আমাক appreciate কৰিব লাগে। আমি যেতিয়া tax return বোৰ, TDS বিলাক আমাৰ salary ৰ পৰা সময়মতে দি থাকো। গতিকে এইটো এটা tax কটাৰ process হে। Tax টো তেওঁলোকৰ source ৰ পৰা কাটি আছো, কাৰণ tax টো কৰ্মচাৰীহে দিব লাগিব, কেৱল এমাহৰ ভিতৰতহে tax টো দিবৰ কাৰণহে আমি কৈছো। গতিকে ৫০০ টকা নহয়, আমি ১০০কে প্ৰতিদিনে কৰিছো। This is a regularization of the system.

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়াই এটা অংশহে কলে। মোৰ এটা establishment কোম্পানী আছে আৰু তাত ১০০ জন মানুহ আছে আৰু তেওঁলোকৰ যিটো tax কাটো, সেইটো মই মাহে মাহে দিব লাগে, জমা কৰিব নালাগে। ইয়াত এই বিলখনে সামৰি লৈছে যে The Assam Professions, Trades, Callings and Employments Taxation ইয়াটো স্পষ্ট লিখা আছে, কোন কোন এই আইনৰ আওতাত পৰে, যি সকলে বিভিন্ন ধৰণৰ ব্যৱসায় কৰে তেওঁলোকেও আইনৰ আওতাত পৰিব, আৰু যি সকলে চাকৰি নিজে কৰে বা মই চাকৰি কৰিছো আৰু tax টো সময়মতে দিয়া নাই, আগৰ ৫ টকাৰ ঠাইত এতিয়া কি হব ১০০ টকা বাঢ়ি যাব আৰু upto 5000 লৈকে দিব লগা হব পাৰে। মোৰ অধীনত যিখিনি কৰ্মচাৰীৰ tax কাটি লৈছে আৰু চৰকাৰক জমা নিদি ৰাখি থৈছো বা invest কৰিছো ok, it is fine but it is also include, যি সকলে ব্যৱসায় কৰে, যি সকলে নিজে চাকৰি কৰে তেওঁলোকহে affect হব। সেইকাৰণে, মই মাননীয় মন্ত্ৰী মহোদয়াক এইটো মানি ল'ব কৈছো। কাৰণ বৰ্তমান This is not a good situation. মাননীয় অধ্যক্ষ মহোদয়,

মোৰ এটা ব্যক্তিগত মতামত ক'ব বিচাছোঁ, এইটো মোৰ দলে মানিব নে নামানিব মই নাজানো। I have got an individual opinion, "Under Article 294 of the Constitution of India". I can explain. এই যে Micro Finance ৰ নামত প্ৰায় ৭০০০ কোটি টকা, Arunodoi ৪০০০ কোটি টকা। This should not happened, this will ruin our economic, this is revenue expenditure, if he ruined and the revenue expenditure is increasing, দুদিনত last financial year, the Budget report has been wrongly presented. The revenue defict will be 15,000 crores. কেন্দ্ৰীয় চৰকাৰৰ definition টো wrongly দেখুৱা হৈছে। গতিকে এই tax বোৰহে লগাব নালাগিছিল। Micro Finance, Arunodoi এইবোৰ দিব নালাগিছিল। For the greater interest. সেই কাৰণে মই কৈছো যে, মোৰ দলে নামানিবও পাৰে। This is my personal opinion. I can express my personal opinion. Micro Finance and Arunodoi, these will increase the revenue expenditure. আজিloan লওঁক, capital expenditure কৰক, ৰাস্তা বনাওক, নদীৰ গড়াখহনীয়া বনাওক।

....................হুলস্থূল...........................

**মাননীয় অধ্যক্ষ ঃ** Amendment ৰ ওপৰত কওঁক। আপুনি specific question টো কৰক।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ** He should speak on the amendment. এনেকৈ কথা কলে নহব। ..................হুলস্থূল......................... আপুনি senior member আপুনিটো নজনা নহয়। আমি যিটো amendment আনিছো, সেইটো সাধাৰণ ব্যৱসায় বা কৰদাতাৰ ওপৰত নহয়। This is for only employers. মই গোটেই কথাখিনি কৈছোৰে।

..................হুলস্থূল..........................

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান আলী ডাঙৰীয়া আপুনি ৪নং clause ৰ ওপৰত কওঁক। আপুনি গোটেইটোৱে নালাগে বুলি কব নেকি? আপুনি amendment হে আনিছে আৰু ইয়াৰ ওপৰত আপুনি clarification বিচাৰক। এইটো সদনে মানে নে নামানে সেইটো সদনে বিচাৰ কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, গোটেই কথাখিনি মই স্পষ্ট হিচাপে কৈছো, আজি আমি এই amendment টো আনিছো যাতে তেওঁলোকে সময়মতে return file কৰে। তাৰ কাৰণে মই পুনৰ তেখেতক কৈছো যে amendment টো তেওঁলোকে withdraw কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া আপুনি এইটো withdraw কৰিব নে?

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** withdraw মই নকৰো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া সংশোধনীটো সদনত দাঙি ধৰিলো। The Clause 4 of the proposed Bill shall be deleted.

যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী প্ৰস্তাৱটোৰ সপক্ষে আছে,
তেখেতসকলে কওঁক,'হয়'।
যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'।
মই ভবো নহয়' ৰ সপক্ষে, নহয় ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে,
সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল।
দফা নং ৪ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক,'হয়।

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়।

মই ভবো হয় ৰ সপক্ষে, হয় ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখনৰ ৫নং দফাটোত সংশোধনীৰ প্ৰস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ ৫ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল- ৫নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক,'হয়'।

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'।

মই ভবো হয় ৰ সপক্ষে, হয় ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল- বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক,'হয়'।

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'।

মই ভবো হয় ৰ সপক্ষে, হয় ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, "The Assam Professions, Trades, callings and Employments Taxation (Amendment) Bill, 2021" বিলখন পাৰিত কৰণৰ কাৰণে মই অনুৰোধ জনালোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- "The Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 2021" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'।

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'।

মই ভবো হয় ৰ সপক্ষে, হয় ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আছে, "The Assam Tenancy Bill, 2021, মাননীয় নগৰ উন্নয়ন মন্ত্ৰী, "The Assam Tenancy Bill, 2021, বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী, নগৰ উন্নয়ন) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tenancy Bill, 2021, দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলোঁ, প্ৰস্তাৱটো হ'ল "The Assam

Tenancy Bill, 2021" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'।

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'।

মই ভবো 'হয়' ৰ সপক্ষে, হয় ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখনৰ ২ ৰ পৰা ১৫ নং দফাকেইটা সংশোধনী প্ৰস্তাৱ নাই।

**এতিয়া মই বিধেয়কখনৰ ২ৰ পৰা ১৫ নং দফা কেইটা সদনৰ মজিয়াত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল ২ ৰ পৰা ১৫ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য- সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক 'নহয়'। মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ২ ৰ পৰা ১৫ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১৬ নং দফাত মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) শ্ৰী ৰফিকুল ইছলাম, শ্ৰী নিজানুৰ ৰহমান আৰু শ্ৰী চামচুল হুদাৰ নামত এটা সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) আৰু সহযোগী সদস্য আপোনালোকক সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালোঁ।**

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)** (ধিং) ঃ- Hon'ble Speaker sir, I beg to move in sub clause 16 of the proposed Bill, after sub clause 'C' to new sub clauses shall be inserted namely 'D' and 'E' as that the tenant will be liable to repair any kind of damage caused by him intenionally or negligently and sub clause 'E' the tanant shall not use it for any other purpose except that specified in the agreement without permission from the landlord. অধ্যক্ষ মহোদয়, ইয়াত যিহেতু এই ১৬ নং ক্লজত এইটো আলোচনা কৰা হৈছে যে Tenant আৰু Landlord ৰ মাজত যিটো এগ্ৰিমেন্ট হয়, ঘৰ ভাড়াৰ ক্ষেত্ৰত বা ফ্লেট ভাড়াৰ ক্ষেত্ৰত অন্য ব্যৱসায়িক দোকান-পোহাৰ যিটো এগ্ৰিমেন্ট হয়, সেইটো এগ্ৰিমেন্ট তLandlord ৰ কি কি দায়িত্ব থাকিব, আৰু payment যিয়ে ভাড়াত ল'ব যিয়ে এগ্ৰিমেন্ট ত সেই গোটেই asset টো চোৱা চিতা বা maintain কৰা গোটেই কথাখিনি আইনখনক কোৱা হৈছে, তাতে বাকীবিলাক ঠিকে আছে। তাৰ লগতে আমি দেখিছো যে এই দুটা কথা লৈ কেতিয়াবা conflict হয় Tenant আৰু Landlord ৰ মাজত, এটা হ'ল এই particular ঘৰখন বা asset টোত যদি কিবা damage intentionally কিবা colour বেয়া কৰিলে, বা ভাড়াত লৈছে তেওঁ কিবা সলনি কৰিলে নিজে ইচ্ছা কৰি, যিহেতু তেওঁ ভাড়াত আছে, কালি গুছি যাব পাৰে, তেওঁ যদি intentionally বা negligently যদি কিবা damage কৰে property, গতিকে এই ক্ষেত্ৰত এইটো repair কৰি দিয়াটো যিয়ে ভাড়াত লৈছে, তেওঁ নিজৰ খৰচত কৰি দিব লাগিব। এইটো কৰি দিলে তেতিয়া conflict নাথাকিব। ২য়তে আৰু এটা কথা সোমোৱাব বিচাৰিছো, E ত যিটো আমি নতুন sub clause সোমোৱাব দিছো, সেইটো হ'ল agreement ত যিটো কথা উল্লেখ থাকে, মই যদি দোকানৰ কাৰণে লৈছো তেতিয়া agreement ত থাকিব যে মই ইয়াত দোকান চলাম, বা কোনোবাই যদি residential purpose ত ঘৰখন ভাড়া লৈছে, ইয়াতে পৰিয়াল লৈ থাকিম তাতে যদি আকৌ কেতিয়াবা তেওঁ বেলেগ কিবা চোৰাং বস্তু

ব্যৱহাৰ কৰে, বা অন্য আন অথৰাইজ মানুহ আহে, অন্য purpose ত ব্যৱহাৰ কৰে। কেতিয়াবা landlord ৰ লগত conflict হয়। গতিকে সেই কথাটো ইয়াত স্পষ্ট থাকিলে ভাল। যিটো agreement ত থাকিব, যি purpose ত তেওঁ ভাড়া লৈছে, সেই purpose ৰ বাহিৰে যদি বেলেগ purpose ত ব্যৱহাৰ কৰিব বিচাৰে তেতিয়া landlord ৰ পৰা permission লৈ ল'ব লাগিব। যাতে conflict টো নহয় সেই কাৰণে আমি amendment আনিছো।

**মাননীয় অধ্যক্ষ** ঃ- মাননীয় মন্ত্ৰী ।

**শ্ৰী অশোক কুমাৰ সিংহল (নগৰ উন্নয়ন মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, Housing and Urban affairs Ministry, Govt. of India ই এই প্ৰস্তাৱটো যিটো model যিটো আছে, moder Tenancy Act, সেইটো adopt কৰিলে আৰু ২ জুন ২০২১ চনত Union Cabinet এইটো approve কৰাৰ পাছত অসম প্ৰথম ৰাজ্য হ'ব যিটোৱে এই বিলখনত অনুমোদন দিব। ভাৰতবৰ্ষৰ ভিতৰত আমি প্ৰথম ৰাজ্য হ'ম, আৰু মাননীয় সদস্যই যি দুটা amendment আনিছে, ইয়াৰ কোনো দৰকাৰ নাই বুলি মই ভাবো। কাৰণ সেই দুটা কথা যে Tenant এ যদি কিবা demage কৰে সি liable হ'ব repair কৰি দিয়াৰ কাৰণে সেই কথা এই Tenancy Act ত take-care কৰা হৈছে, আৰু যিটো কামৰ কাৰণে ঘৰখন ল'ব, এইটো কামতে ব্যৱহাৰ হ'ব অন্য কামত ব্যৱহাৰ নহয়। এই কথাও ইয়াত take-care কৰা আছে তাৰ উপৰিও এই Tenancy Act ৰ জৰিয়তে district level ত rent Authority create কৰা হ'ব, rent code হ'ব Rent Appellate Authority হ'ব, so বহু ধৰণৰ mechanism আছে এই সমস্যাবোৰ address কৰাৰ কাৰণে আৰু মই ভাবো এই দুটা Amendment আনিলে, তাৰ কোনো প্ৰয়োজন আজিৰ দিনত যিহেতু আমি পাছ কৰি আছো তাত প্ৰয়োজন নাই। যথেষ্ট প্ৰভিজন ৰখা হৈছে Tenant আৰু Landlord দুয়োজনৰে protection ৰ কাৰণে আৰু ভালকৈ কৰাৰ কাৰণে। সেয়েহে মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যিটো Amendment আনিছে সেইটো উঠাই ল'ব লাগে।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং)** ঃ- ঠিকে আছে, এইটো verbally চলি আহিছে, আগৰ পৰাই কিন্তু লিখিত হিচাপে নাই, মই গোটেইখিনি পঢ়িছো, সেয়েহে ভাবিছিলো যে এইটো মানি ললেও কোনো অসুবিধা নাই। যাতে কোনো conflict নহয়, কাৰণ ইয়াত মানুহবিলাকৰ অন্যধৰণৰ বিত্তীয় বা আন কোনো involvement নাই। বস্তুটো আৰু যদি distinct হয় যিহেতু এইটো লৈ conflict হয়, মই ভাবো মানি ললে বেছি ভাল সেইটো spirit ৰ against ত একো যোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া কথাটো হ'ল আপুনি উইড্ৰ কৰিব নে নাই ?

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং)** ঃ- মই ভাবো যে যদি মানিব পাৰে মানি লওঁক। নহ'লে উইড্ৰ কৰিম। উইড্ৰ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- উইড্ৰ কৰিছে। তেখেতে উইড্ৰ কৰিছে। গতিকে সংশোধনী প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছে, সদনৰ সন্মতি সাপেক্ষে সংশোধনীটো প্ৰত্যাহাৰ কৰা হ'ল। দফা নং ১৬ বিধেয়কখনৰ অংশ হ'ব, যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়', আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক 'নহয়'। মই ভাবো 'হয়' ৰ সপেক্ষে, 'হয়' ৰ সপেক্ষে, 'হয়' ৰ সপেক্ষে ১৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়ক খনৰ ১৭ আৰু ৪৭ নং দফাকেইটাৰ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১৭ ৰ পৰা

৪৭ নং দফাকেইটা সদনৰ মজিয়াত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল ১৭ ৰ পৰা ৪৭ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা দফাকেইটাৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক 'নহয়'। মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ১৭ ৰ পৰা ৪৭ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ প্ৰথম আৰু ২য় অনুসূচী কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ অনুসূচী দুটা সদনৰ মজিয়াত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল অনুসূচী দুটা বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য- সদস্যা অনুসূচী দুটাৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়', আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক 'নহয়'। মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে অনুসূচী দুটা বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভনীত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়খনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন সদনত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল বিধেয়খনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য- সদস্যা দফাটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়', আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক 'নহয়'। মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল। মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী অশোক কুমাৰ সিংহল (নগৰ উন্নয়ন মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tenancy Bill, 2021" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল, "The Assam Tenancy Bill, 2021" পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাবো হয় ৰ সপেক্ষে, হয় ৰ সপেক্ষে, হয় ৰ সপেক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল। এতিয়া আছে The Assam Municipal (Second Amendment) Bill, 2021 মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক The Assam Municipal (Second Amendment) Bill, 2021 বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী অশোক কুমাৰ সিংহল (নগৰ উন্নয়ন মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, The Assam Municipal (Second Amendment) Bill, 2021 দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল, The Assam Municipal (Second Amendment) Bill, 2021 বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাবো হয় ৰ সপেক্ষে, হয় ৰ সপেক্ষে, হয় ৰ সপেক্ষে প্ৰস্তাৱটো গৃহীতহ'ল । বিধেয়কখনৰ ২নং দফাত মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়ষ্ঠ, শ্ৰীৰেকিবুদ্দিন আহমেদ, শ্ৰীদিগন্ত বৰ্মন ,শ্ৰী ভাস্কৰজ্যোতি বৰুৱা আৰু শ্ৰীনুৰুল হুদাৰ নামত দুটা সংশোধনী আছে, এতিয়া মই মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থ আৰু সহযোগী আপোনালোকক সংশোধনী প্ৰস্তাৱ দুটা উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ

অনুৰোধ জনালোঁ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ,উত্তৰ কৰিমগঞ্জ ঃ-** “The Assam Municipal Second Amendment Bill, 2021. I beg to move in the proposed sub-clause (vi) of the Clause 2 (ii) of the proposed Bill, proposed the words "circle rate"occuring the line 1 shall be explicitly mentioned and made clear.”

মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়টো হৈছে এনেকুৰা - In the proposed Sub-Claused (vii) of Clause 2(ii) of the proposed Bill, proposed the words 'reform parameters prescribed in various guidelines published by Government of India relating to property tax calculations' occuring in lines 4 & 5 shall be substituted by the following words -" Reform parameters by constituting expert committee and device its own methodology for property tax calculations keeping into consideration the previous and present rates of the State."

অধ্যক্ষ মহোদয়, Section 68 of "The Assam Municipality Act 1956. "Property tax আমাৰ source ৰ এটা আহিলা। এই বিলখনত circle rate ৰ বিশেষ definition নাই। দ্বিতীয়তে, আমি যিটো চালো যে The State Government shall refer to the parametre or reform parameters prescribed in various guidelines published by Government of India. কিন্তু আমাৰ justification হৈছে এনেকুৰা যে গুৱাহাটীৰ মাটিৰ দাম ধেমাজীৰ মাটিৰ দামৰ সমান নহয় বা কৰিমগঞ্জৰ দামৰ সমান নহয়। সেইকাৰণে আমি বিচাৰিছিলো যে তাৰ কাৰণে এটা expert team বনাব লাগে যাতে এই expert team টোৱে এই rate টো fix কৰিব পাৰে। এতিয়া যদি Government of India ৰ কিবা guideline আহে আৰু তেওঁলোকে মুম্বাইৰ মাটিৰ সমান যদি ধেমাজীৰ মাটিৰ মূল্য ধৰি দিয়ে, তেতিয়া সেইটো এটা contradictory হৈ যাব। সেইকাৰণে মই এটা expert team বনোৱাৰ পৰামৰ্শ দিছিলো। অধ্যক্ষ মহোদয়, টাউন কমিটিৰ ওচৰত যদি কোনো circle rate নাথাকে তেনেহ’লে তেওঁলোকে rate টো consider কৰিব পাৰিব। এই গোটেই বস্তুটো খেলিমেলি হৈ আছে। এইবোৰ ঠিক কৰিবলৈ আপোনালোকে এটা expert team বনাওঁক। এইটো কৰিলে আমাৰ অসমৰ ৰাইজৰ কাৰণে ভাল হ’ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যিটো amendment আনিছে আৰু circle rate টো ঠিক নাই বুলি যিটো ক’লে মই জনাত প্ৰত্যেকটো টাউন বা নগৰৰ ভিতৰত যিখিনি মাটি আছে তাৰে প্ৰতি ডোখৰ মাটিৰ circle rate fix আছে। Circle rate fix নাথাকিলে মানুহে মাটি কিনা-বেচা কৰিব নোৱাৰিলে হয়। বহুদিন আগৰ পৰাই circle rate চলি আছে। এতিয়া খুব ভাল reform এটা চৰকাৰে আনিছে। তেখেতে যিটো কৈছে যে মুম্বাই আৰু গুৱাহাটীৰ মাটিৰ দাম একে হ’ব নোৱাৰে সেইটো তেখেতে ঠিকেই কৈছে। যেনেকৈ মুম্বাই আৰু গুৱাহাটীৰ মাটিৰ দাম একে হ’ব নোৱাৰে GS Road ত দোকান বা Showroom খোলাৰ

পিছত যিটো property tax লাগিব লাগে, ধেমাজীৰ সৰু টাউন এখনত যদি সেই একেই property tax লাগে, এইটো ভাল কথা নহ'ব। সেইকাৰণে circle rate ৰ ভিত্তিত property tax calculate কৰা হ'ব। দ্বিতীয়তে, tenancy যদি থাকে, কাৰোবাক যদি ভাৰাত দিয়া আছে, তাৰ এটা factor থাকিব। কিমান বছৰ পুৰণা property আছে তাৰ এটা factor থাকিব। Calculation ৰ গোটেই formula টো দিয়া আছে। Government of India ৰ reference যিটো দিয়া আছে, কালি যদি আৰু কিবা reform আনে সেইবিলাক আমি আমাৰ ইয়াতো কৰিব বুলিহে প্ৰস্তাৱ দিয়া আছে। Expert Committee ৰ কোনো প্ৰয়োজন নাই। বহুত intervention যদি আমি কৰি থাকো তেতিয়া reforms নহ'ব। Municipality Board ত property tax collection নহয়। তাৰকাৰণে আমি গোটেই বস্তুটো online কৰাৰ চেষ্টা কৰি আছো। অহা কিছুদিনৰ ভিতৰতে আমি গোটেই property tax collection,trade license দিয়া, trade license renew কৰা এই গোটেইবিলাক আমি অসমৰ যিমান Urban local bodies আছে, তাত online কৰাৰ চেষ্টা কৰি আছো।

ইয়াৰ উপৰিও তেখেতে যিটো কৈছে যে circle rate টো clear কৰি দিব লাগে, circle rate টো Revenue Department য়ে সময়ে সময়ে notify কৰে আৰু এতিয়াও বৰ্তমান প্ৰত্যেকটো নগৰ অঞ্চলত যিমান মাটি আছে তাৰ circle rate ধাৰ্য্য কৰি দিয়া আছে। এইটো ভয় খাব নালাগে যে গণেশগুৰিৰ property tax আৰু ধেমাজীৰ property tax একে হ'ব। It will be based on the circle rate of the particular ULB.এটা ULB ৰ ভিতৰতো দুই তিনিটা circle rate হ'ব পাৰে। High Street ত থকা showroom ৰ মাটিৰ circle rate আৰু ভিতৰুৱা ঠাইত থকা circle rate ৰ মাজত পাৰ্থক্য থাকিব। আগতে গুৱাহাটীৰ কোনোবা এটা ভিতৰুৱা ঠাইত যিটো property tax আছিল গণেশগুৰিতো সেই একেই property tax আছিল। কিন্তু এতিয়া এই property tax টো circle rate ত কৰাৰ পাছত ঠাই বিশেষে কম বেছি হ'ব। অধ্যক্ষ মহোদয়, মই বিচাৰিছো যে মাননীয় সদস্য গৰাকীয়ে মোৰ উত্তৰত সন্তুষ্ট হৈ তেখেতৰ amendment কেইটা উঠাই ল'ব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ কিছু কথাত মোৰ কিছু কথা স্পষ্ট হ'ল। কিন্তু এটা কথা যে এজন নাগৰিক হিচাপে আমাৰ main দায়িত্ব হৈছে আমি tax টো pay কৰা। এইটো আমাৰ দায়িত্ব, এইটো আমাৰ responsibility, এইটো আমাৰ কৰ্তব্য হয়। তাতে এটা কথা লিখা আছে - State Revenue Authority for a particular town in case of the circle rate is not available.অৰ্থাৎ যদি কোনো ULB ত যদি circle rate টো available নাথাকে তেনেহ'লে এইটো consider কৰিব পাৰি। মোৰ কথাটো হৈছে যিবোৰ ULB ত circle rate টো নাই, সেইটো যাতে সোনকালে update কৰে। এইটো যাতে মানুহে জানে আৰু transparent হয়, যিহেতু মানুহে তাৰ ওপৰত tax দিব। নাগৰিকে tax টো দিয়াৰ লগে লগে যদি devolution fund টো নাপাওঁ আৰু আমাৰ হৰিজন কেইজনে যদি দৰমহা নাপায়, লগে লগে যদি আপোনালোকে provincialized কৰিলে, বাকীখিনি যদি আপোনালোকে নকৰে তেতিয়াহ'লে কেনেকৈ হ'ব? আমি tax দিম কিন্তু বাকীখিনি কামো যাতে আমাৰ লগে লগে কৰি দিয়ে তাৰবাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ** Circle Rate থকা ULB ক'তো নাই। Circle Rate

নাথাকিলে মাটি কিনা বেচাই কৰিব নোৱাৰিব আৰু approximate কিবা Circle Rate আপুনি ধৰি দিব নোৱাৰে। বিভাগে যোৱা ৫ বছৰ আগতে ছাগে নতুন Circle Rate টো দিছিলে। Property Tax ৰ ক্ষেত্ৰত ULB বিলাকে assessment নকৰে, ঘৰ বনোৱা বা show-room বনোৱা মানুহে নিজে নিজে self assessment কৰিব পাৰিব portal ত। কিমান tax হয়, নিজে online payment কৰিব। সমগ্ৰ প্ৰক্ৰিয়াটোত যিটো জটিলতা আছিল সেইটো আঁতৰোৱাৰ বাবে আমি চেষ্টা কৰি আছো আৰু অহা দিনবিলাকত সেইটো আপোনালোকে দেখিবলৈ পাব। গতিকে এতিয়া amendmentটো উঠাই ল'লে ভাল হয়।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ amendmentকেইটা উঠাই ল'লো।

**মাননীয় অধ্যক্ষ ঃ** হয়, এতিয়া এখেতে সংশোধনী দুটা উঠাই ল'লে। এই সংশোধনী দুটা প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)

সদনৰ সন্মতি ক্ৰমে সংশোধনী প্ৰস্তাৱ দুটা প্ৰত্যাহাৰ কৰা হ'ল। দফা নং ২, বিধেয়কখনৰ অংশ হ'ব।

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলোঁ।

প্ৰশ্নটো হ'ল-

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। এতিয়া মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীঅশোক সিংহল (নগৰ উন্নয়ন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Municipal (Second Amendment) Bill, 2021" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদৰ বাবে সদনত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল - "The Assam Municipal (Second Amendment) Bill, 2021" পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল।

"ডি মাজুলী ইউনিভাৰচিটি অফ কালচাৰ (এমেণ্ডমেন্ট) বিল, ২০২১" । মাননীয় শিক্ষামন্ত্ৰীক "ডি মাজুলী ইউনিভাৰচিটি অফ কালচাৰ (এমেণ্ডমেন্ট) বিল, ২০২১" বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "ডি মাজুলী ইউনিভাৰচিটি অফ

কালচাৰ (এমেণ্ডমেন্ট) বিল, ২০২১” দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল - “ডি মাজুলী ইউনিভাৰচিটি অফ কালচাৰ (এমেণ্ডমেন্ট) বিল, ২০২১” বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’, মই ভাৱো ‘হয়’ৰ সপক্ষে ‘হয়’ৰ সপক্ষে ‘হয়’ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখনৰ দুই নং দফাটোত সংশোধনী প্ৰস্তাৱ নাই। মই বিধেয়কখনৰ দুই নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলোঁ।

প্ৰশ্নটো হ'ল -

দুই নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’, মই ভাৱো ‘হয়’ৰ সপক্ষে ‘হয়’ৰ সপক্ষে ‘হয়’ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়ক খনৰ ৩ নং দফাত মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ, শ্ৰীৰকিবুল হুছেইন, শ্ৰীদেৱব্ৰত শইকীয়া, শ্ৰীওয়াজেদ আলী চৌধুৰী, শ্ৰীশ্বেৰমান আলী আহমেদ, শ্ৰীবসন্ত দাস, শ্ৰীমতী নন্দিতা দাস, শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, শ্ৰীমতী শিবামনি বৰা, শ্ৰীযাদৱ স্বৰ্গীয়াৰী, শ্ৰীআফতাব উদ্দিন মোল্লাহ, শ্ৰীআবুল কালাম ৰশিদ আলাম, শ্ৰীনুৰুল হুদা, শ্ৰীৰেকিবুদ্দিন আহমেদ, শ্ৰী চিদ্দিক আহমেদ, শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰীমিছবাহুল ইছলাম লস্কৰ, শ্ৰী ভাস্কৰ জ্যোতি বৰুৱাৰ নামত এটা সংশোধনী আছে। মই এতিয়া মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ আৰু তেখেতৰ সহযোগী আপোনালোকক আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ বক্তব্য ৰাখিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** চাৰ, I beg to move The Principle Act, in the Secssion 2 sub-secssion (iii) the words, the Indian classicial system and shall be deleted.In number two, I beg, to move the Principal against Section 4 in the sub-section (ii) after clause 4 the following new clause 5 shall be deleted. Namely to promote ideological studies and impart knowledge about the origin and development of Indian Culture including History, religion, culture & philosophy, Ayurvedic & yoga and health keeping and other forms of knowledgee, traditions constituteing the sixty four 'Kalas' চাৰ, এইখিনিত এই দুটা মই দিলিট কৰিবলৈ কৈছোঁ যিটো চৰকাৰে এক্ট খনত নতুনকৈ আনিব বিচাৰিছে Indian classicial system আৰু চাৰ, নতুনকৈ ৫ এটা চেকচনৰ প্ৰয়োজন। চাৰ, মই এই কথাটো ইয়াত কব বিচাৰো এই কাৰণে আপুনি চাৰ, নিজেই চাওঁক এই বিল খনত statement of object and reason, চাৰ, এই বিল খনত, মই আগতে কৈছো statement of object and reason দিয়া থাকে, কি কাৰণে এই এমেণ্ডমেন্টো আনিছে, ক্লোজাৰ নতুনকৈ আনিছে, চাৰ, ইয়াত statement of object and reason ত এইটো আপুনি চাওঁক চাৰ, no object and no reason একো দিয়া নাই। মাত্ৰ কি দিছে চাৰ, ইয়াতে The bill skkes amend the Majuli Caltural University Act, 2021, it is proposd department seeks amend-

ment to Section Majuli, The Preamble Section 2 to Section 41লৈকে এই চেকচন বিলাক এমেণ্ডমেন্ট কৰিব বিচাৰিছে বুলি দিছে। কিন্তু চাৰ, ইয়াত object and reason থাকিব লাগে। আৰু চাৰ, object and reason নাথাকিলে এই বিলটো Assembly য়ে accept কৰিবই নালাগে। কাৰণ no object and no reason, কি কাৰণে?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিব আপুনি আপোনাৰটো প্ৰশ্নটো ক'লে হ'ব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** চাৰ, ইয়াত যিহেতু object and reason য়ে নাই এই বিলটো নিয়ম মতে consideration level ত আনিব নোৱাৰে, কাৰণ ইয়াত প্ৰিএম্ব'লটো এমেণ্ডমেন্ট কৰিব বিচাৰিছে আৰু কিছুমান চেকচন ইয়াত চাৰ, এমেণ্ডমেন্ট কৰিব বিচাৰিছে, চাৰ, মই বিশেষকৈ ইয়াত আমাৰ চেকচন ২, যিটো চেকচন ২ ত যিটো Principal against Section 2 sub-clause (iii) ত যিহেতু নতুনকৈ এটা ইয়াত Indian classicial system এইটো ক'ত সোমাব বিচাৰিছে, এটা আমাৰ Pregab আছিল এইটোত, এইটো চাৰ, ইয়াত সোমাব বিচাৰিছে অৰ্জিনেলি আমাৰ Section 2 Clause (m) তাত এটা কথা লিখা আছিল যে performing arts include music, dance, drama, culture which were created by Shri Mahapurush Sankardeva and Shri Mahapurush Madhabdeva and other great luminiries of this art and it would also include all other forms of traditional music, dance, drama and other cultural activities prevailing among different indigenous communities of Assam. এতিয়া চাৰ, এই indigenous communities of Assam. মানে ইয়াত Than all other form of traditional music, dance , drama and other cultural activities ইয়াৰ আগত আমাৰ indigenous communities music, dance ৰ আগত আপুনি এটা ইয়াত লগাব বিচাৰিছে Indian classicial system, সেই Indian classicial system ত কি কি পৰে এটা object and reason থাকিব লাগিছিল। Indian classicial system ৰ বিষয়ে ইয়াত একো লিখা নাই। আৰু বিশেষকৈ চাৰ, Indian classicial system টো আপুনি যে এই Clause (m) ত all other promote traditional music, dance ইয়াৰ আগত আহিব বিচাৰিছে, তাৰমানে চৰকাৰে Indian classicial system টো বেছি গুৰুত্ব দিছে, Then all other promote traditional music, dance, drama and other cultural activities prevailing among different indigenous communities of Assam.তাৰ পিছত চাৰ, আৰু এটা নতুন ক্লোছ ইয়াত ভৰাব বিচাৰিছে এই ক্লোছটোত কি লিখা আছে এইটো যিটো চাৰ, আমাৰ মাজুলী ইউনিভাৰচিটি কালচাৰ সেই অৱজেক্টটোৰ লগত চাৰ, এইটোৰ কোনো মিল নাই। যিটো নতুনকৈ ক্লোছ এটা বঢ়াব বিচাৰিছে। ক্লোছ ৪ ৰ পিছত ক্লোছ ৫ এটা বঢ়াব বিচাৰিছে। তাত লিখিছে কি To promote ideological studies imparting knowledge origin development of Indian culture including history, philosophy, ayurveda, yoga and health keeping others forms. চাৰ, মই এই কথাটো কব বিচাৰিছোঁ যিহেতু আমাৰ মাজুলী ইউনিভাৰচিটি অফ কালচাৰ সেইটোত আমি ভাৱিছিলো আমাৰ অসম আৰু উত্তৰ-পূৱৰ যিবিলাক।

(সদনৰ ভিতৰত জুয়ে পোৰা গোন্ধ ওলায়)

**মাননীয় অধ্যক্ষ ঃ** সদন ১৫ মিনিটৰ বাবে স্থগিত ৰখা হ'ল।

**(সদন পুনৰ আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখন মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে ক'ব বিচাৰিছো এই Act খনত যিটো object আছিলে Indian Classical System সেইটো নাছিলে আৰু যিটো নতুনকৈ B section বঢ়াব বিচাৰিছে, সেই বিলাকৰ লগত আমাৰ object ৰ কোনো সম্পৰ্ক নাই।

মাননীয় অধ্যক্ষ মহোদয়, মাজুলীৰ সাংস্কৃতিক বিশ্ববিদ্যালয়, এইটো বিশেষকৈ গোটেই North East ৰ Art & Culture of people of North East.। নৰ্থইষ্টৰ Art & Culture ৰ ওপৰত এই বিশ্ববিদ্যালয়ত research হ'ব লাগে, Faculty হ'ব লাগে, Course হ'ব লাগে, programme হ'ব লাগে। কিন্তু তাত এইটো নকৰি, তাত Ayurved, Yoga, Religion, Philosophy আনিব বিচাৰিছে। মই কব বিচাৰিছো যে গোটেই নৰ্থইষ্টৰ যে মনিপুৰী, খাছী, জয়ন্তীয়া, গাৰো, মিজো, ত্ৰিপুৰী, নগা, অৰুণাচলৰ বিভিন্ন জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ ওপৰত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ে faculty বনাব লাগে, Course বনাব লাগে, programme বনাব লাগে। আমি ভাবিছিলো মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় মানে আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ Art & Culture ওপৰতে research হ'ব, training হ'ব বা এইটো ওপৰতে faculty হ'ব, Course হ'ব, programme হ'ব। এতিয়া কি কৰিছে হুIndian Classical System তো আগলৈ আনিছে।

মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া কৃষ্টি আৰু সংস্কৃতি তাত প্ৰাধান্য পাব লাগে, বিশেষকৈ টাই আহোম, কোচ ৰাজবংশী, আদিবাসী, চাউতাল, বড়ো, কাৰ্বি, কছাৰী, মটক, মৰাণ, ৰাভা, মিচিং, টিৱা, দেউৰী, গাৰো, মাৰ্গ, ডিমাছা, কলিতা জনগোষ্ঠী । মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ত Bharat Natyam, Kathak , Ayurved, Yoga এইবিলাকৰ faculty খোলাটো আমি বিচৰা নাই, তাত course programme কৰাটো আমি বিচৰা নাই। সেইটোৰ কাৰণে ভাৰতবৰ্ষত বিভিন্ন ৰাজ্যত Bharat Natyam, Kathak , Ayurved, Yoga ৰ কাৰণে বিভিন্ন বিশ্ববিদ্যালয় আছে, কলেজ আছে। এতিয়া কথা হ'ল মাজুলীত সাংস্কৃতিক বিশ্ববিদ্যালয় মানুহে কিয় বিচাৰিছিলে, এই কাৰণে যে North East culture ৰ ওপৰত আলোচনা হ'ব।

এই আইনখনৰ chapter 5 ত লিখা আছে The University shall undertake closed scheme programme & project for promotion of excellence in study, creative, research, cancellation & inter-language interaction in respect of various language । তাত আছে Assemese, Sanskrit, Hindi & English, ইয়াত Bodo language ক'ত গ'ল।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি raise কৰিছে, মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী ডাঙৰীয়াক ক'ব খুজিছো Art & Culture of North East, সেইটোত priority দিয়ক। আপোনালোকে Indian Classical System, Bharat Natyam, Kathak এই বিলাকত জোৰ দিব নালাগে।

আমি অতি ভাৰতীয় হব গৈ আমাৰ নিজৰ কৃষ্টি সংস্কৃতিৰ অস্তিত্ব নোহোৰা হৈ গৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াক এইটো কথা কব বিচাৰিছো principal Act এখন আগৰ পৰাই আছে আৰু এই Act খনৰ preamble ত এই Act খন কি কাৰণে কৰা হৈছে, সেইটো লিখা আছে। এই Act খনৰ preamble ত আছে whereas it is expedient to establish and consitute at teaching I repeat the word 'teaching' and affiliating Cultural University in the State of Assam. গতিকে এইটো শিক্ষাৰ কাৰণে এই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছে। এতিয়া আইন খনৰ chapter 1 ত য'ত ত্নdefinition খিনি থাকে, আপোনালোকে যিটো সংশোধনী আনিছে, ইয়াৰ definition। অৰ্থাৎ performing arts এইটো আমি য'ত য'ত উল্লেখ কৰিছো what does performing arts mean in respect of this particular Act. আৰু এই performing art definition খন এই আইনত এনেকৈ উল্লেখ কৰা আছিল The 'performing arts' include music, dance, drama, culture which were created by Mahapurush Shankardeva, Madhabdeva and other great luminaries of this art and it would also include all other forms of traditional music, dance, drama and other cultural activities prevailing among different indigenous communities of Assam. ইয়াতে আমি Indian Classical System এইটো অন্তৰ্ভূক্ত কৰিছো আৰু অন্তৰ্ভূক্ত এই কাৰণে কৰিছো যাতে University শিক্ষাৰ scope limited and restricted হ'ব নালাগে। এইটো flexible হ'ব লাগে, বহল হ'ব লাগে। বিশ্ববিদ্যালয়ে কি কি পাঠ্যক্ৰম তাতে খুলিব, কি faculty থাকিব, সেইটো University Council য়ে ঠিক কৰিব। তাৰ legal frame work তো এই আইনখনে প্ৰদান কৰিব। এই legal frame work তো হে আমি ইয়াত বনাইছো, scope তো হে আমি ইয়াত প্ৰদান কৰিছো। বাকী University Council য়ে ঠিক কৰিব, আমাৰ কি কি বিভাগ হ'ব, কি কি faculty থাকিব। তাতে আমি অন্তৰ্ভুক্ত কৰিছো যিটো আপোনালোকে আপত্তি কৰিছে Indian Classical System. এতিয়া Indian Classical System তোৰ লগত আমাৰ সম্পৰ্কত আছে, infact যেতিয়া আমি সত্ৰীয়া নৃত্য, সত্ৰীয়া সংস্কৃতি বুলি কওঁ, সেইটোও Indian Classical System ৰ এটা অংশ হয়। সেইটো বেলেগ নহয়। শব্দৰ অৰ্থৰ স্পষ্টতাৰ কাৰণে ইয়াত এই definition ত আমি সংশোধনী আনিলো। ইয়াৰ লগতে আৰু বেছি স্পষ্ট হোৱাৰ কাৰণে আমি any other traditional culture যিখিনি আমাৰ entire North East ত আছে, আমি scope তো ৰাখিছো, নগা, অৰুণাচল, মেঘালয়, মিজো সকলোৰে সংস্কৃতিৰ লগত অসমত থকা ৰাইজৰ কৃষ্টি সংস্কৃতিৰ সামঞ্জস্য আছে। যেতিয়া আমি অসমৰ traditional culture অধ্যায়ণ কৰিম, মিচিং কালচাৰ অধ্যয়ন, অৰুণাচলৰ আদিবাসী সকলৰো কালচাৰ ইয়াত অধ্যায়ণ কৰিব লাগিব। সেই কাৰণে এই ব্যৱস্থাটো ৰখা হৈছে। Other traditional cultural identity language of the entire North East Region। বড়ো সংস্কৃতি যদি অধ্যায়ন কৰিব লাগে, বড়ো সকলোৰে লগত ত্ৰিপুৰাৰ জনজাতি সকলৰ লগত সম্পৰ্ক আছে। গতিকে আমি বিছিন্ন ভাৱে অসমত বড়ো অধ্যয়ন কৰিব নোৱাৰো। আমাৰ ত্ৰিপুৰাত থকা ত্ৰিপুৰাৰ কালচাৰো অধ্যায়ন

কৰিব লাগিব। সেই কাৰণে আমি গোটেই North East ৰ কথাটো ৰাখিছো। আমাৰ ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ যিটো ব্যৱস্থা যাতে বহুত বেছি আগবঢ়াই লৈ যাব পাৰো, তাৰ কাৰণে এই সংশোধনী অনা হৈছে। মই যিটো অফিচিয়েল নটিচ পাইছো, আমি যিটো নতুন দফা সংযোজন কৰিছো, নতুন দফাটো হ'ল Indologically এইটো practically একেটাই অৰ্থ আৰু এইটোত মই কোনো সংশোধনী পোৱা নাই। আপোনাৰ সংশোধনী মই এটাই পাইছো যে এই Indian Classical System.

দ্বিতীয়তে, মই যিটো অফিচিয়েল নোটিচ পাইছো ইয়াতে আমি যিটো নতুন দফা সংযোজন কৰিছো এইটো হ'ল ইণ্ডলোজিকেলী। এইটো প্ৰেক্টিকেলী একেটাই মেনু আৰু এইটোত মই কোনো সংশোধনী পোৱা নাই। আপোনাৰ সংশোধনী মই এটাই পাইছো সেইটো হ'ল যে এই ইণ্ডিয়ান ক্লাচিকেল চিষ্টেম। সেই সম্পৰ্কে মই এইটো ব্যখ্যা দাঙি ধৰিছো Indology মানে কি , Indology মানে ইণ্ডিয়াৰ যিটো সভ্যতা, সংস্কৃতি ইয়াৰ ভাষা, সাহিত্য এই গোটেইখিনি অধ্যয়ণ কৰাৰ স্কোপ এটা আমি আইনখনত ৰাখি থৈছো, যাতে Academic Council খনে ভবিষ্যতে সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত, ডিপাৰ্টমেন্ট বিলাক চইচ কৰাৰ ক্ষেত্ৰত, পাঠ্যক্ৰমবিলাক চইচ কৰাৰ ক্ষেত্ৰত একাডেমিক কাউন্সিলৰ যাতে সুবিধা হয় তাৰ কাৰণে এটা ব্যৱস্থা আইনখনত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আপুনি মুভ কৰিব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** ছাৰ, মন্ত্ৰী ডাঙৰীয়াই Indian Classical System ত কি কি আহিব সেই কথাটো কিন্তু স্পষ্ট নকৰিলে।

**মাননীয় অধ্যক্ষ ঃ** Indian Classical System যি যি আছে , সেইকেইটাই আহিব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** অধ্যক্ষ মহোদয়, এইটো স্পষ্ট নকৰিলে, Traditional dance, music of indigenous communities তাৰ আগত Indian Classical System কেনেকৈ আহিল ? এইটো পিচতো দিব পাৰিলেহেঁতেন indigenous Traditional dance, music ৰ আগত আপুনি প্ৰায়োৰিটি দিলে Indian Classical System ক।

**মাননীয় অধ্যক্ষ ঃ** আগত -পিছত, এইবিলাকত লাগি থাকিলে কেতিয়াও শেষ নহ'ব। এক্টখনত এনেকৈয়ে থাকিব। মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছেই।। হ'ব ... বহক। বিলখনৰ আৰু এমেণ্ডমেন্ট আছে । আপুনি এতিয়া উইড্ৰল কৰিব পাৰে, নহ'লে আপুনি মুভ কৰক।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** এই এক্টখনত ভিজন এণ্ড মিছন নাই। তাত Assam আৰু North East শব্দটো নাই। চেপ্টাৰ ৫ ৰ বড়ো লেংগুৱেজটো নাই। কিন্তু আমি ভাবিছিলো প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াই মাজুলীত আৰ্ট এণ্ড কালচাৰৰ ওপৰত গুৰত্ব দি সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপন কৰাৰ কথা কৈছিল। তাৰ মানে এতিয়া ইণ্ডিজিনাচ আৰ্ট এণ্ড কালচাৰ গুৰুত্ব নাপায়। ..... আমি চৰকাৰক গাইড কৰিব লাগিব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে এটা ডেফিনেশ্যনক লৈ লাগি আছে। ইউনিৰ্ভাচিটিখনে কি কৰিব কি নকৰিব, সেইটো ডেফিনেশ্যন চেপ্টাৰ -টুত নাথাকে নহয়। তেতিয়া হ'লে আপুনি চেপ্টাৰ- টুলৈ যাওঁক। ইয়াৰ অৱজেক্টখিনিলৈ যাওঁক। ইয়াৰ যি অৱজেক্ট, লক্ষ্য, উদ্দেশ্য - A University shall have the following objects ইয়াত যিখিনি কথা আছে সেই কথালৈ আপুনি আহক। এক নংটো পঢ়ক- to promote

Education research and training it various streass of culture including Literatures, visual Arts , performing Arts, Satria Dance, Ankia Bhaona Mukha exct. গতিকে অৱজেক্টত আছে। ১-২-৩-৪-৫-৬-৭-৮ লৈকে অৱজেক্ট আছে। ইয়াত এইটোও আছে যিটো আপুনি ৰেফাৰ কৰি আছে- জনজাতীয়সকল- to promote ethnic studies like arceology, its knows musicology- মিউজিক'ল'জী মানে কি - জনগোষ্ঠীসমূহৰ যিখিনি গীত মাত সেইটোকে কৈছে, তাত সকলো জনগোষ্ঠীয়ে আহিব, সত্ৰীয়া -সংস্কৃতি আহিব। এই গোটেই কথাবিলাক অৱজেক্ট পাৰ্টত আছে।

**माननीय अध्यक्ष ঃ** হ'ব এতিয়া । সকলোৱে নিজৰ কথা ধৰি থাকিলে নহ'ব....... বহক ..বহক।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)** ঃ অধ্যক্ষ মহোদয়, মাজুলীৰ আৰ্ট এণ্ড কালচাৰ , এথনিক আৰ্ট এণ্ড কালচাৰে গুৰুত্ব পাব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'ব বিচাৰিছে, আপোনালোকে শুনক।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** অধ্যক্ষ মহোদয়, কথাটো হ'ল - প্ৰথম মাজুলীত বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰোতে এই আইনখন ময়ে আনিছিলো। প্ৰথম কথা হ'ল ষ্টুডেন্টখিনিয়ে যেতিয়া পঢ়িব তেওঁলোকৰ Employbility, আজি Dibrugarh University ত performing Arts ৰ Department খুলিছে, সত্ৰীয়া নাট, অংকীয়া ভাওঁনা গোটেইখিনি শিকালে - ইয়াৰ পিচত ল'ৰা -ছোৱালীখিনি আহি মোক সাক্ষাৎ কৰিছে যে ছাৰ আমি চাকৰিটো এতিয়া ক'ত পাম। Ultimately University খনে unemployed মানুহ উৎপাদন কৰিব নোৱাৰে। প্ৰডিউচ কৰিব লাগিব graduate with employbility আমি আনন্দত আবেগিক হৈ কৈছো যে আমি এই সংস্কৃতিখিনি ইয়াত পঢ়াম, তাৰ পিছত ল'ৰা-ছোৱালীখিনিয়ে ডক্টৰেট পালে, পোষ্ট গ্ৰেজুৱেট পালে- তেওঁলোকে ক'ত চাকৰি পাব। সেই কাৰণে এইটো বিচাৰিছো যে ইয়াত even Western Classical Culture ও পঢ়িব লাগিব। indian Classical Culture পঢ়িব লাগিব লগতে অসমৰ আৰু উত্তৰ পূবৰ কালচাৰ পঢ়িব লাগিব। গোটেই কনচেপ্টটো হৈছে - তক্ষশীলা- নালন্দা। আমি ক্ল'জ পৃথিৱী এখন নহয়, আমাৰ ইয়াত মাজুলীত সংস্কৃতি পঢ়িবলৈ আহক বাহিৰৰ মানুহ যাতে ভাৰত, উত্তৰ পূব, অসম, সমগ্ৰ বিশ্বৰে সংস্কৃতিখিনি ইয়াত দেখিবলৈ পায়। সেই কাৰণে মই ভাবো আমি ইতিমধ্যে indigenous Department কৰিছো। অসমৰ থলুৱা, ক্ৰীড়া, সংস্কৃতি তাৰ ওপৰত এই চৰকাৰখনক সন্দেহ কৰাৰ কোনো কথা নাই। ভৰত নৰহ ডাঙৰীয়াই আজি ডাইৰ্ভাট কৰিব খোজে এইটো নহয়। এইখন বিশ্ববিদ্যালয়ত বড়ো পঢ়িব, মিচিং পঢ়িব সত্ৰীয়া পঢ়িব আৰু ভাওনাও পঢ়িব লাগিব। তেতিয়া ল'ৰা ছোৱালীয়ে চাকৰি বাকৰি পাব, বহল পৃথিৱীখনলৈ ওলাই যাব লাগিব। সেইকাৰণে আন এমপ্ল'য়মেন্ট ক্ৰিয়েট কৰা বিশ্ববিদ্যালয় আমি কৰিব নলাগে। বিশ্ববিদ্যালয় ক্ৰিয়েট কৰাৰ সময়ত সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াই হওক বা মই- আমাৰ এইটো কল্পনা নাছিল যে, মাজুলীত অকল উত্তৰ-পূবৰ সংস্কৃতিহে পঢ়িব। আমাৰ কল্পনা আছিল - মাজুলী বিশ্ব সংস্কৃতিৰ ৰাজধানী হ'ব । আমাৰ কনচেপ্ট আছিল যে Majuli Should be the Cultural Capital of the World. আমি যিটো কৈছো যে, অসমখন ভাৰতবৰ্ষৰ ভিতৰত শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ১খন হ'ব লাগিব। তাৰ বিপৰীতে আমি এটা পশ্চাদমুখী যাত্ৰা backward Journey আমি কৰিব নালাগে। অসমৰ বহু আমি জানো, কিন্তু বিহু আৰু ভাংৰাৰ Symphony এটা ক্ৰিয়েট কৰিব পাৰিলেহে বিহু গৈ পেলাই World Map পাব। আজি মোৰ মনত পৰিছে- ৰাজীৱ গান্ধী ডাঙৰীয়া যেতিয়া

প্ৰধান মন্ত্ৰী আছিল- ৰাছিয়া, বেলাৰুছ আৰু বিভিন্ন ঠাইৰ কালচাৰেল পাৰ্টি আনি নেহেৰু ষ্টেডিয়ামত ভাৰতীয় মিউজিকৰ লগত চিম্ফনী কৰি দেখুৱাইছিলে । সেইকাৰণে সংস্কৃতি বন্ধ দুৱাৰত ৰখাৰ কল্পনাটোৱে কৰিব নালাগে। সংস্কৃতি হ'ল খোলা বিশ্ব। সেই কাৰণে মই ৰণোজ পেগু ডাঙৰীয়াক অনুৰোধ কৰিম অহাবাৰ এমেণ্ডমেন্ট এটা লৈ আহক World Culture মাজুলীত যাতে ষ্টাডি হয়, নট অনলী ইণ্ডিয়ান কালচাৰ । এই আইনখন আনোতে মই চাব নোৱাৰিলো- ইয়াত যাতে বিশ্বৰ- ইজিপ্ট, চিৰিয়া যিবিলাক পুৰনি সংস্কৃতি আছিল, পুৰণি ঐতিহ্য আছিল সেইবিলাকো যাতে আমি মাজুলিত পঢ়িব পাৰো। আমি যাতে কেতিয়াবা দেখা পাওঁ ইউৰোপিয়ান বগা চাহাবসকলেও যাতে মাজুলী ইউনিভাৰ্চিটিত ডক্টৰেট কৰিবলৈ আহিছে। এনেকুৱা পৃথিৱী এখন আমাক লাগে। ভৰত নৰহ ডাঙৰীয়াক আজি মই মুখ্যমন্ত্ৰী হিচাপে এইটো প্ৰতিশ্ৰুতি দিছো। মাজুলীৰ EC যেতিয়া বহিব অসমৰ জনজাতীয় সংস্কৃতিৰ ওপৰত যিমান কাম কৰিব পাৰে, তেওঁলোকে কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মুভ কৰিবনে, মই সংশোধনীটো সদনত দাঙি ধৰিলো । In Sub Clause 3 of 3 of the proposed Bill The 'was Indian Classical system' and occuring in line two and three shall be deleted. যিসকল মাননীয় সদস্য-সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়' আৰু যি সকলে বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়' । মই ভাবো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল। দফা নং- ৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়' আৰু যি সকলে বিপক্ষে আছে তেখেতসকলে কওক 'নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং- ৩ বিধেয়কখনৰ অংশ হ'ল। বিধেয়কৰ ৪ নং দফাটোত সংশোধনী প্ৰস্তাৱ নাই । এতিয়া বিধেয়কখনৰ ৪ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। ৪ নং দফাটো বিধেয়কৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়' আৰু যি সকলে বিপক্ষে আছে তেখেতসকলে কওক 'নহয়' । মই ভাবো ' হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং- ৪ টো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৫ নং দফাত মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ, ৰকিবুল হুছেইন, দেবব্ৰত শইকীয়া, ওয়াজেদ আলী চৌধুৰী, শ্বেৰমান আলী আহমেদ, বসন্ত দাস, শ্ৰীমতী নন্দিতা দাস, শ্ৰীআব্দুল ৰচিদ মণ্ডল, শ্ৰীমতী শিবামনি বৰা, শ্ৰীযাদৱ স্বৰ্গীয়াৰী, আফতাবুদ্দিন মোল্লা, আবুল কালাম ৰছিদ আলম, নুৰুল হুদা, ৰেকিবুদ্দিন আহমেদ, চিদ্দেক আহমদে, কমলাক্ষ দে পুৰকায়স্থ, মিছবাহুল ইছলাম লস্কৰ, ভাস্কৰ জ্যোতি বৰুৱা নামত এটা আমিনুল ইছলাম (জ্যেষ্ঠ), ৰফিকুল ইছলাম, জাকিৰ হুছেইন লস্কৰ, আশ্ৰাফুল হুছেইন, ফণীধৰ তালুকদাৰ, চামচুল হুদা, কৰিমুদ্দিন বৰভূঞাঁ নামত এটা - মুঠ দুটা সংশোধনী আছে।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move in sub clause 1 of clause 5 of the proposed bill after proposed new sub clause 5 and new sub clause namely 6 shall be added as sub clause- 6 to preserve different applicant, cultural and traditional articules in the museum of the university.

মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দুটামান গুৰুত্বপূৰ্ণ

কথা কৈছে আৰু আমাৰ শুনি ভাল লাগিছে আৰু এই কথাটো আমিও বিচাৰো যে আচলতে যিকোনো এখন ৰাজ্যৰ বা দেশৰ কলা-সংস্কৃতি, সভ্যতাত ধনী হৈ যেতিয়া আমি বিশ্বৰ আন্তঃৰাষ্ট্ৰীয় সভ্যতা সংস্কৃতিক আঁকোৱালি লৈ সকলোৰে সংমিশ্ৰণত এটা উন্নত সংস্কৃতি গঢ় দিয়াৰ বাবে চেষ্টা কৰা হয় তেতিয়া নিশ্চয় আমাৰ সভ্যতা সংস্কৃতি আগুৱাই যায়। সেইকাৰণে আমি সভ্যতাৰ সংস্কৃতিৰ যুদ্ধ নামটো ত্যাগ কৰিব নালাগে। আমি যিমান পাৰো বাহিৰৰ সভ্যতা-সংস্কৃতিকো আগুৱাই নিয়াৰ চেষ্টা কৰিব লাগে। আমি লেটিন আমেৰিকা, নৰ্থ আমেৰিকা, আফ্ৰিকা বা ইউৰোপৰ বা মধ্য প্ৰাচ্যৰ ভাষা-সংস্কৃতিক আমি সম্ভাষণ জনাব লাগিব আৰু আমাৰ ভাষা-সংস্কৃতিও চহকী হ'ব। ইয়াৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো মই ধন্যবাদ জনাইছো। ইয়াৰ লগতে আমি বিচাৰিছো যে মাজুলীৰ যি Cultural University আছে, সেই University ত আমাৰ ৰাজ্য আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আমাৰ ethnic আৰু Cultural ৰ সংমিশ্ৰণ ঘটিব। লগতে এইখিনিৰ প্ৰিজাৰ্ভ কৰি মিউজিয়ামত ৰখাৰ ব্যৱস্থা কৰিব লাগে যাতে বাহিৰৰ পৰা মানুহ আহি ইয়াত চাব পাৰে । আমি সকলোৰে যাতে বহল মনোবৃত্তিৰে আগুৱাব পাৰো তাৰ প্ৰচেষ্টা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পুনৰ ক'ব লাগিব যে এই এক্টখনৰ প্ৰিয়েম্বলত লিখা আছে To establish and constitution a teaching and affiliating Cultural University in the state of Assam. আৰু ইয়াৰ object ত অলপ আগতেও মই এইখিনি কথা কৈছো যে বিভিন্ন object ৰ ভিতৰত এইটো object টো আছে যে to promot ethnic studies like Archaeology, Musicology, Satriya-Sanskriti etc. এতিয়া মিউজিয়াম বোলা বিষয়টো আমাৰ শিক্ষা বিভাগৰ অধীনত অন্তৰ্ভুক্ত নহয়। Museum আৰু Archaeology আদিৰ বেলেগ এটা বিভাগ আছে এই সমূহক সংৰক্ষণ, পৰিচালনা ইত্যাদি কৰাৰ বাবে। আমি ইয়াত যিটো আইনৰ লিগেল ফ্ৰেমৱৰ্ক বনাইছো সেই লিগেল ফ্ৰেমৱৰ্কৰ আধাৰত University খনৰ যি Excutive Council, Academic Council হ'ব তেওঁলোকে তেওঁলোকৰ যি প্ৰয়োজনীয় বুলিভাৱে সেই হিচাপে যদি লেবৰটৰী প্ৰয়োজন তেতিয়া লেবৰটৰী বনাব। তেওঁলোকে যদি ভাৱে তেওঁলোকক গ্ৰন্থাগাৰৰ প্ৰয়োজন তেওঁলোকে গ্ৰন্থাগাৰ বনাব। যদি তেওঁলোকে ভাৱে এটা বিশেষ মিউজিয়ামৰ প্ৰয়োজন তেন্তে মিউজিয়ামটো তেওঁলোকে বনাব। আমি স্কোপখিনি আইনখনত বনাই দিছো আৰু এইটো স্কোপ সু-নিৰ্দিষ্ট আছে যে বিভিন্ন এথেনিক জনগোষ্ঠী সমূহৰ কলা, সাহিত্য, সংস্কৃতি আদি গোটেইখিনি অধ্যয়ন কৰাৰ স্কোপটো অবজেক্ট হিচাপে আইনখনত লিপিবদ্ধ কৰা হৈছে।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনালো ইয়াৰ লগতে এইটোও বিচাৰিছো যাতে সেইখিনি তাত সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হয় যাতে বিশ্বৰ যিকোনো দেশৰ মানুহে আহি সেইখিনি যাতে চাব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী দুটা প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছে নে?

(সদনে সন্মতি প্ৰদান কৰে।)

**মাননীয় অধ্যক্ষ ঃ** সদনৰ সন্মতি সাপেক্ষে সংশোধনী দুটা প্ৰত্যাহাৰ কৰা হ'ল। দফা নং-৫ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ৫ নং দফাটো বিধেয়কৰ অংশ হ'ল। বিধেয়কখনৰ ৬ ৰ পৰা ৩২ নং দফা লৈ কোনো সংশোধনী প্ৰস্তাৱ নাই। গতিকে ৬ ৰ পৰা ৩২ নং দফা কেইটা সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল ৬ ৰ পৰা ৩২ নং দফাকেইটা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ৬ ৰ পৰা ৩২ নং দফাকেইটা বিধেয়কৰ অংশ হ'ল। বিধেয়কৰ ১নং দফাত সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কৰ ১নং দফাত সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ ও সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল বিধেয়কৰ ১নং দফাত সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কৰ ১নং দফাত সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই প্ৰস্তাৱটো পাৰিত কৰাৰ বাবে উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলোঁ।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Majuli University of Culture (Amendment) Bill 2021"পাৰিত কৰাৰ বাবে উত্থাপন কৰিবৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অনুমোদনৰ বাবে সদনত উত্থাপন কৰিলোঁ ।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাৱটো হ'ল " The Majuli University of Culture (Amendment) Bill 2021"পাৰিত কৰা হওক ।

**মাননীয় অধ্যক্ষ ঃ**

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল ।এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মেঘালয় ওপৰত সিদিনাখন দিবলগীয়া বিবৃতিটো দিবলৈ অনুৰোধ কৰিলোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬ তাৰিখে অসম আৰু মিজোৰাম সীমান্তত হোৱা পৰিৱেশৰ পৰৱৰ্তী সময়ত আমাৰ ৰাজ্যখনত সীমা সমস্যা সম্পৰ্কে নতুনকৈ এটা সামাজিক মাধ্যম, মুখ্যমাধ্যম আৰু বিধান সভাতো এই বিষয়ে আলাপ-আলোচনা হৈছে। পোন প্ৰথমতে আমি এই গোটেইকেইটা সমস্যাৰ কথা ক'ব যাওঁ তেতিয়হ'লে প্ৰথমতে আমি ক'ব লাগিব যে অসমৰ লগত আজিৰ দিনত উত্তৰ- পূৰ্বৰ চাৰিখন ৰাজ্যত মিজোৰাম, মেঘালয়, নাগালেণ্ড আৰু অৰুণাচলে সীমান্ত সম্পৰ্কৰ বিভিন্ন বিষয়ৰ ওপৰত তেওঁলোক সন্তুষ্ট নহয় বুলি বিভিন্ন মঞ্চত আমাৰ মাজত থকা সীমা নতুনকৈ নিৰ্ধাৰণৰ বাবে দাবী জনাই আহিছে। এই সম্পৰ্কে বিশেষকৈ নাগালেণ্ড আৰু অৰুণাচলৰ সীমা সম্পৰ্কে আমাৰ ৰাজ্যখনে কেইবাটাও পৰিঘটনা ইতিমধ্যে দেখিছে। এটা সময়ত এই দুয়োটা বিবাদ মীমাংশাৰ বাবে উচ্চতম ন্যায়ালয়লৈ লৈ যায়। মুখ্যতঃ আমি যদি চাবলৈ যাওঁ যে মিজোৰাম, নাগালেণ্ড আৰু অৰুণাচলৰ লগত আমাৰ যিটো সীমা বিবাদ ইয়াৰ মুখ্য কাৰণ হ'ল যে এই তিনিখন ৰাজ্যৰ ক্ষেত্ৰত আমাৰ যি সাংবিধানিক সীমা নিৰ্ধাৰণ কৰা হৈছিল, Survey of India ৰ মানচিত্ৰত যিবোৰ গাওঁ, Reserve Forest আদি অসমৰ বুলি লিপিবদ্ধ কৰা হৈছিল, সেইবোৰ ঐতিহাসিক পটভূমি আৰু বিভিন্ন সময়ত তেওঁলোকৰ ৰজাই বা তেওঁলোকৰ প্ৰশাসনিক দিশত ব্ৰিটিছে তেওঁলোকৰ নামত অন্তৰ্ভুক্ত কৰি থৈ যোৱা বুলি দাবী কৰিছিল। বিশেষকৈ, ঐতিহাসিক পটভূমি আৰু সাংবিধানিক সীমাৰ মাজত দীৰ্ঘদিন ধৰি বিতৰ্ক হৈ আহিছে। সাংবিধানিক সীমা বুলি কোৱাৰ মূলতেই হ'ল-ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩ ত কোৱা হৈছে যে দুখন ৰাজ্যৰ মাজত সীমা নিৰ্ধাৰণৰ কৰ্তৃত্ব সংসদৰহে আছে। যিহেতু আমাক সংবিধানে দিয়া অধিকাৰৰ ওপৰত আমাৰ সীমা এটা নিৰ্ধাৰণ কৰি দিয়া হৈছিল, তাৰ পৰিপ্ৰেক্ষিততে আমি ইয়াক সাংবিধানিক সীমা বুলি কওঁ। সি যি কি নহওঁক, অসম চৰকাৰে বিভিন্ন সময়ত নাগালেণ্ড আৰু অৰুণাচলৰ বিষয়টো মহামান্য উচ্চতম ন্যায়ালয়ত লৈ যায় আৰু দুয়োখন ৰাজ্যৰ মাজত Title Suit আৰম্ভ হয় । নাগালেণ্ড আৰু অৰুণাচলৰ ক্ষেত্ৰত ইতিমধ্যে সাক্ষী আদি গ্ৰহণ কৰাৰ এটা আগতীয়া পৰ্যায় গৈ পাইছে। ঠিক তেনেদৰে, অৰুণাচলৰ লগত থকা বিবাদ সম্পৰ্কত মহামান্য উচ্চতম ন্যায়ালয়ত বৰ্তমান শুনানি হৈ আছে। মিজোৰাম আৰু অসম সীমান্তক লৈ আমাৰ উচ্চতম ন্যায়ালয়ত বিবাদ নাছিল বা আইন আৰু আদালততো এই বিবাদ আজিলৈকে অহা নাছিল। ... Interruptions.....

**মাননীয় অধ্যক্ষঃ** সদনৰ সন্মতি সাপেক্ষে অলপ সময় বঢ়াই দিয়া হ'ল।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম)ঃ** ...ক্ৰমশ.... কিন্তু, মিজোৰাম চৰকাৰে বিভিন্ন সময়ত ঐতিহাসিক পটভূমিৰ পৰিপ্ৰেক্ষিতত হাইলাকান্দি, কৰিমগঞ্জ, কাছাৰ জিলাক সামৰি মিজোৰাম আৰু অসম সীমান্তত থকা Inner Line Forest খনক নিজৰ বুলি দাবী কৰি আহিছিল। যোৱা বছৰ ক'ভিডৰ সময়ত মিজোৰাম চৰকাৰে বিভিন্ন স্থানত ক'ভিড test ৰ বাবে কিছুমান Check Post পাতিছিল আৰু এটা সময়ত সেই Covid Check Post বোৰত তেওঁলোকে তেওঁলোকৰ আৰক্ষী মোতায়েন কৰি একপ্ৰকাৰে অসমৰ ফালে সীমান্তটো আগুৱাই দিছিল। বিভিন্ন সময়ত ভাৰত চৰকাৰৰ লগত অসম আৰু মিজোৰাম চৰকাৰৰ আলোচনা হৈছিল। আপোনালোকে যদি মনত কৰে, সেই সময়ত আমাৰ দুখনকৈ এল.পি. স্কুলক বোমাৰে উৰুৱাই দিয়া হৈছিল। ভাৰত চৰকাৰৰ লগত হোৱা আলোচনাত আমাৰ কেইবাটাও draft বনোৱা হৈছিল । মিজোৰামৰ মুখ্যমন্ত্ৰীৰ লগত মোৰ টেলিফোনত কথা হৈছিল আৰু চিঠিৰো আদান-প্ৰদান হৈছিল। আমি প্ৰথমতে status-quo maintain কৰিম আৰু পৰৱৰ্তী সময়ত সীমাৰ আলোচনা কৰিম। ভাৰত চৰকাৰৰ

লগত যেতিয়াই আলোচনা হয়, তেতিয়া তেওঁলোকে status-quo ত চহী কৰিবলৈ মান্তি হয়, কিন্তু, লগতে তেওঁলোকে এটা লাইন অন্তৰ্ভুক্ত কৰিব বিচাৰে যে --*'however the people of Mizoram will have a right to do economic activity in the Forest.'* তাৰমানে তেওঁলোকক ঝুম খেতি আদি কৰিবলৈ অনুমতি দিব লাগিব। এই ক্ষেত্ৰত আমি সন্মত নোহোৱাত যিখন ত্ৰিপাক্ষিক চুক্তি হ'বলগীয়া আছিল, সেইখন হ'ব পৰা নাছিল। এই সময়ত আমি কৰিমগঞ্জ, হাইলাকান্দি আদি বিভিন্ন স্থানত ঝুম খেতি বেছিকৈ কৰাৰ প্ৰৱণতা দেখিবলৈ পাইছিলো আৰু সেইকাৰণে আমাৰ চৰকাৰ প্ৰতিস্থা হোৱাৰ পিছত অসমৰ সীমাৰ বিভিন্ন ঠাইত আৰক্ষী মোতায়েন কৰিছিলো। তাৰ পৰিপ্ৰেক্ষিতত, আমি বিশেষকৈ হাইলাকান্দি জিলাত ছেপ্টেম্বৰ-অক্টোবৰ মাহত হেৰুওৱা প্ৰায় ২০০ হেক্টৰ ভূমি পুনৰ আমাৰ দখললৈ আনিবলৈ সক্ষম হৈছিলো। অধ্যক্ষ মহোদয়, যোৱা ২৬ জুলাইৰ ঘটনাটো আছিল এনেধৰণৰ- ভাইৰেংটে আৰু লাইলাপুৰৰ মাজত এটা সীমা নিৰ্ধাৰিত হৈছে আৰু মিজোৰাম পুলিচে Covid Testing Centre টো Border Post লৈ ৰূপান্তৰ কৰি ইতিমধ্যে আমাৰ সীমাৰ ফালে আগুৱাই আহিছিল। সেই সময়ত অসম আৰু মিজোৰামৰ মাজত আলোচনা হোৱাত সেই point ত neutral CRPF বহোৱাৰ বাবে সিদ্ধান্ত হৈছিল। আমি surveillanceৰ সময়ত দেখিবলৈ পাইছিলো যে ভাইৰেংটে আৰু লাইলাপুৰৰ মাজত সীমাটো থাকিলেও Highway ত সমান্তৰালভাৱে ৰেংটেবস্তি হৈ কাছাৰৰ ভিতৰলৈ সোমাব পৰাকৈ এটা ৰাস্তা নিৰ্মাণৰ কাম তেওঁলোকে হাতত লৈছিল। আমাৰ আৰক্ষীয়ে গৈ সেই ৰাস্তা বনোৱাৰ কামত বাধা আৰোপ কৰিছিল আৰু মিজোৰামে যিটো Police Post বনাই সেই ৰাস্তা নিৰ্মাণৰ কাম নিৰীক্ষণ কৰি আছিল, সেই Police Post পৰ্য্যন্ত আমাৰ আৰক্ষী গৈছিল আৰু মিজোৰাম আৰক্ষীক তাৰ পৰা আঁতৰি যাবলৈ কৈছিল। তেতিয়া গধূলি সময় হোৱাৰ বাবে পৰিৱেশ অলপ সলনি হ'ল। আমাৰ আৰক্ষী ভৈয়ামত থকা অৱস্থাতে মিজোৰামে ওচৰৰ ওখ ঠাইবোৰ অধিকাৰ কৰি তাৰ পৰা LMG আদিৰে fire কৰাত আমাৰ ৬ জনকৈ আৰক্ষী - জোৱান নিহত হোৱাৰ লগতে S.P. পৰ্য্যন্ত গুৰুতৰ ভাৱে আহত হৈছিল। কিন্তু, আটাইতকৈ ডাঙৰ কথা যে ৬ জন আৰক্ষী জোৱানৰ মৃত্যু হোৱাৰ পিছতো I.G.P. Shri Anurag Agarwala ৰ নেতৃত্বত প্ৰায় ৪২ গৰাকী আৰক্ষীয়ে LMG blast ৰ মাজতো তেওঁলোকে post টো এৰি নিদিয়ালৈকে আৰু ৰাস্তাটো যাতে নতুনকৈ নিৰ্মাণ নহয় তাৰ বাবে অবিৰতভাৱে তাত বহি আছিল। আবেলি, গৃহ মন্ত্ৰালয়ে এই post টোত CRPF ক নিয়োগ কৰি আমাৰ আৰক্ষীক ২০০ মিটাৰ পিছুৱাই যোৱাৰ বাবে কৈছিল। সেই সময়ত আমি সেই post টোত CRPF ক দিবলৈ কৈছিলো, কিয়নো আমাৰ উদ্দেশ্য সেই Police post টো নাছিল। ৰেংটেবস্তিৰে যাতে সেই ৰাস্তাটো নিৰ্মাণ নহয় সেইটোহে আমাৰ উদ্দেশ্য আছিল। বৰ্তমান সময়ত সেই post টো CRPF ৰ অধীনত আছে আৰু ৰেংটে বস্তিৰ ফালেৰে যাতে ৰাস্তা নিৰ্মাণ নহয়, সেয়েহে অসমৰ সীমান্তত আমি চাৰিটা নতুন BOP তাত বহুৱাইছো। যোৱা দুমাহত সমগ্ৰ বৰাক উপত্যকাত প্ৰায় ২০ টা BOP আমি নিৰ্মাণ কৰিছো। আগতে Forest ৰ মাজেৰে ৰাস্তা-ঘাট বনোৱাৰ অনুমতি নাছিল যদিও আমি ৰাস্তা-ঘাট বনাইছো। মিজোৰামৰ কোনো দুৰ্বৃত্তই অসমৰ যি দুখন এল.পি. স্কুল বোমা বিস্ফোৰণ কৰি উৰুৱাইছিল, তাৰ ওচৰতো প্ৰায় eyeball to eyeball , আমি BOP বহুৱাইছো। অৰ্থাৎ, যোৱা দুমাহত অসমৰ কোনো মাটি মিজোৰামৰ ফালৰ পৰা অধিকৃত কৰিব পৰা নাই। বৰঞ্চ, যোৱা বছৰ বা তাৰ আগতে হেৰুওৱা ২০০ হেক্টৰ মাটি আমি উভতাই ল'ব পাৰিছো। ৰাইজে economic blockade কৰিছিল। অসম আৰু মিজোৰামৰ মাজত সীমা

বিবাদৰ উপৰিও উত্তৰ-পূৰ্বৰ এটা সমাহৃত cultural identity আছে। ভাৰতৰ মানুহে আমাক উত্তৰ-পূৰ্বাঞ্চল বুলি কয় আৰু উত্তৰ-পূৰ্বাঞ্চলৰ যি spirit, সেইটো আমি ভূমি বিবাদৰ বাবে নষ্ট হ'ব দিব নোৱাৰো। ভাৰতৰ গৃহ মন্ত্ৰী ডাঙৰীয়াৰ তৎপৰতাত মিজোৰামৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত হোৱা মোৰ আলোচনাৰ পৰিপ্ৰেক্ষিতত মাননীয় মন্ত্ৰী অশোক সিংহল ডাঙৰীয়া আৰু অতুল বৰা ডাঙৰীয়াই মিজোৰামলৈ গৈ মিজোৰাম চৰকাৰৰ লগত বুজা-বুজিৰ মাজেৰে এটা যুটীয়া বিবৃতি দিওঁ যে এতিয়াৰে পৰা কোনো আৰক্ষী মোতায়েন কৰা নহ'ব আৰু প্ৰথমবাৰৰ বাবে সীমান্তত neutral force হিচাপে CRPF ৰ যি ভূমিকা, সেই ভূমিকাক আমি recognise কৰো আৰু অকল চকীখনতে বহি নাথাকি সীমান্তত সম্পূৰ্ণ পহৰা দিব পাৰিব। এই যুটীয়া বিবৃতিৰ পৰিপ্ৰেক্ষিতত বৰাক উপত্যকাৰ দল- মত নিৰ্বিশেষে প্ৰতিগৰাকী বিধায়কৰ লগত মই আলোচনা কৰো। সেই সভাখনত অৱশ্যে কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়া উপস্থিত নাছিল। কিন্তু বাকীসকল আছিল। গতিকে, সকলোৰে লগত আলোচনা কৰি যৌথ সিদ্ধান্ত অনুসৰি economic block-ade উঠাই লোৱা হয়। তাত বৰ্তমান পৰিৱেশটো স্বাভাৱিক হৈছে। কেইটামান প্ৰশ্ন অমীমাংসিত হৈ আছে। গৌহাটী উচ্চ ন্যালয়ত এই বিষয়ে PIL আদিও হৈছে যেতিয়া অসম আৰু মিজোৰাম আৰক্ষীৰ মাজত সংঘৰ্ষ হৈছিল, সেইসময়ত বহুত বেছি চিভিলিয়ানকো সেই সংঘৰ্ষস্থলীত দেখা গৈছিল। কিছুমান চিভিলিয়ানৰ হাতত মৰণাস্ত্ৰ (Arms) লৈ থকাৰ ফটো বা ভিডিঅ'ও সংবাদমাধ্যমত উপলব্ধ হৈ আছিল। এতিয়া গুৱাহাটী উচ্চ ন্যায়ালয়ে মিজোৰাম আৰু অসমৰ দুয়োজন DGP কে এই বিষয়ে শপতনামা দিবলৈ নিৰ্দেশ দিছে আৰু Definitly আমি যি দেখিছিলো, যি তাৰ প্ৰমাণ আছে আৰু সেই গোটেইখিনি আমি গুৱাহাটী উচ্চ ন্যায়ালয়ত জমা দিম। এই dispute টো আছিল Inner-Line Forest 1870 ত ব্ৰিটীছে লোচাই পাৰ্বত্য জিলাক দিছিল, 1932 ত এই Forest খনক দ্বি-বিভক্ত কৰি এটা এটা অংশ অসমক দিলে আৰু বাকী অংশ মিজোৰামক দিলে। পৰবৰ্তী পৰ্য্যায়ত মিজোৰাম Union Territory হওঁতে 1932 ৰ সীমাক নতুন Union Territory ৰ সীমা হ'ব বুলি কলে। মিজো চুক্তি হোৱাৰ সময়ত সীমাটোৰেই ৰাজ্য হ'ব বুলি কলে আৰু যেতিয়া ১৯৮৫-৮৬ চনত ৰাজ্য গঠিত হয় সেই সীমাটোৰ ভিত্তিতে ৰাজ্য নিৰ্মাণ কৰা হৈছিল।

এতিয়া সমস্যাটো হল যেতিয়া উত্তৰাঞ্চল, ঝাৰখণ্ড আদি নিৰ্মাণ কৰা হৈছিল, সেই সময়ত সীমা বিলাকৰ স্পষ্ট Delineation হৈছিল। কিন্তু অসম-মিজোৰাম, অসম-অৰুণাচল, অসম-নাগালেণ্ড আদিত কিছুমান পৰিবেশলৈ Refer কৰি থৈ দিয়াৰ কাৰণে Ambiguity থাকি গল আৰু সেই Ambiguity ৰ কাৰণে আমাৰ ৰাজ্য সমূহৰ মাজত আমি সঘনাই এই ধৰণৰ সীমান্ত সংঘৰ্ষ জাতীয় ঘটনাৰাজি দেখিবলৈ পাইছো। মিজোৰামৰ লগত Joint Statement ৰ পাছত পৰিবেশ শাম কাটে। সমান্তৰাল ভাৱে সেই সময়ত সেহ একে দিনায়ে নাগালেণ্ড আৰু অসমৰ মাজতো নাগাজাংকা বা দিছৌ ভেলীটো এই ধৰণৰ আন এটা পৰিবেশৰ সৃষ্টি হৈছিল। তাৰো মূল কাৰণটো হৈছিল নাগালেণ্ড চৰকাৰে নাগাজাংকাত প্ৰথমতে এটা ক'ভিড পষ্ট পাতিছিল, আৰু সেই কোভিড পষ্টটোটেই পাছলৈ আৰক্ষী মোটায়েন কৰিছিল। প্ৰাক্তন বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে পৰিবেশটোৰ সম্পৰ্কে আমাক জনোৱাৰ পাছত প্ৰথমবাৰৰ বাবে আমি দিছৌ ভেলীলৈকে ৰাস্তা নিৰ্মাণ কৰিছিলো আৰু আৰক্ষী মোতায়েন কৰিছিলো। নাগালেণ্ডৰ মুখ্যমন্ত্ৰী ৰিঅ' ডাঙৰীয়াই ২৭ তাৰিখে কৈছিল যে - অসম আৰু মিজোৰামৰ মাজত যিটো উতপ্ত পৰিবেশৰ সৃষ্টি হৈছে তাৰ পৰিস্থিতিত আমাৰ মাজতো কোনোবাই হয়তো এনেকুৱা সংঘৰ্ষৰ বাতাবৰণ সৃষ্টি কৰিব পাৰে

আৰু সেই সময়ত যদি মেঘালয়, মিজোৰাম, নাগালেণ্ড সকলো ৰাজ্যৰ লগত সংঘৰ্ষ হোৱা হ'লে নিশ্চয়কৈ আমাৰ বহুতো লোকচান হলহেঁতেন আৰু সেই সময়ত মেনেজ কৰাৰ পৰিবেশো নাছিল। নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ তৎপৰতাত অসমৰ মুখ্য সচিবক মই ডিমাপুৰলৈকে পঠাওঁ আৰু সিদ্ধান্ত লওঁ যে দুয়োখন জিলাৰ দুয়ো পক্ষৰ আৰক্ষী দুয়ো ফালৰ পৰা ওলাই আহিব, Satellite আৰু Dorone ৰ জড়িয়তে আমি আমাৰ নিজা নিজা সীমান্ত বিলাক পৰ্য্যবেক্ষণ কৰি থাকিম যাতে কোনো পক্ষই তাত আগ্ৰাসী ভূমিকা গ্ৰহণ কৰিব নোৱাৰে। এতিয়া আমি Periodically তাত Dorone উৰুৱাওঁ, Dorone উৰুৱাৰ কাৰণে MOU খনে আমাৰ অধিকাৰ দিছে আৰু সেই Dorone ৰ তথ্যৰ ভিত্তিতে আমি দেখা পাম যে তাত নতুন কিবা Statement হৈছে নেকি আৰু যদি নতুন Statement হৈছে, সেইটো আমি লগে লগে Take-up কৰিব পাৰিম। মিজোৰামৰ ঘটনাত যিসকল আৰক্ষী নিহত হল তেখেত সকলক আমি ৫০,০০,০০০ লাখ টকাকৈ সহায্য দিওঁ, পৰিয়ালটোৰ এজনক চাকৰি দিয়া হব বুলি চৰকাৰী ঘোষণা কৰা হয় আৰু সেইদিনা খন সীমান্তত যি সকল দায়িত্বত আছিল তেওঁলোকৰ সকলোকে এমাহৰ দৰমহাৰ লগতে অতিৰিক্ত ভাৱে এমাহৰ ছুটি দিয়াৰ সিদ্ধান্ত লয় আৰু যিসকল আঘাতপ্ৰাপ্ত হৈছিল তেখেত সকলক ততাতৈয়া কৈ ১,০০,০০০ লাখ টকা দিয়াৰ ব্যৱস্থা কৰা হয় আৰু কাছাৰ জিলাৰ S.P. ক Air Force Flight ৰে মোম্বাইলৈকে লৈ যাওঁ, শিলচৰতো গুৰুতৰভাৱে আহত প্ৰতি গৰাকী আৰক্ষীক প্ৰয়োজন সাপেক্ষে Air Ambulance ৰে গুৱাহাটীলৈকে লৈ আহো। যিটো বিষয় আছিল, সেইটো হল অসম মেঘালয়, সমস্যাটো হৈছে আন দুখন Boundary ৰ লগত আন তিনিখন ৰাজ্যৰ Boundary ৰ যিটো Historical Clash বা Constitutional Clash সেইটো মেঘালয়ৰ লগত আমাৰ নাই। মেঘালয়ৰ গোটেই সমস্যাটো হ'ল, মেঘালয়ৰ ১২ টা পইন্টত Duspute আছে আৰু এই Duspute বিলাক সৰু সৰু এখন বা দুখন গাঁৱক লৈ হোৱা Duspute এইটো এনেকুৱা Duspute নহয় যে তাত বহুত বৰ্গ কিঃ মিঃ অঞ্চল জড়িত হৈ আছে। মেঘালয়ৰ মুখ্যমন্ত্ৰী আৰু মই কথা পাতি প্ৰথমতে আমি ছয়টা Duspute Resolve কৰিবলৈ হাতত লওঁ আৰু তেতিয়া দেখা পাওঁ যে এই বিলাক একেবাৰে সৰু সৰু বিবাদ যেনে কইনাধৰাৰ কাষৰ চাৰিখন গাওঁ, হাঁহিমত তিনিখন গাওঁ, বাক্ৰাপাৰাত চাৰিখন গাওঁ, ৰাটোচেৰা বৰাকভেলীত দুখন গাওঁ। গতিকে একেবাৰে Minor Dispute । এই বিলাকৰ কাৰণে আমাৰ দুখন ৰাজ্যৰ মাজত যতি পৰি আছে। তাতকৈ ডাঙৰ কথা যিবিলাক সীমান্তত মানুহ আছে, তেওঁলোকে দুয়োখন ৰাজ্যতে ভোট দিয়ে, মেঘালয়তো ভোট দিয়ে, অসমতো ভোট দিয়ে, যিটো সংবিধান মতে স্বীকৃতিপ্ৰাপ্ত নহয়। তাৰোপৰি তেখেত সকলৰ খেতিৰ মাটি মেঘালয়ত আছে কিন্তু থকা মাটি অৰ্থাৎ ঘৰৰ ভেটিটো অসমত আছে। বাক্ৰাপাৰা নামৰ ঠাইখনত এনেকুৱা উদাহৰণ দেখিবলৈ পোৱা যায়। তেখেতসকল কোনখন ৰাজ্যত থাকিব বিচাৰে বুলি সুধিলে তেওঁলোকে উত্তৰ দিব নোৱাৰে। সেইকাৰণে আমি ভাৱিছো যে অসম আৰু মেঘালয়ৰ মাজত থকা বিবাদটো আমি সমাধান কৰিব পৰা অৱস্থাত আছে। প্ৰতিখন ৰাজ্যৰ লগত যেতিয়াই অসমৰ কিবা সংঘাত হয়, তেতিয়া অসমৰ বাহিৰৰ মানুহে ভাৱে Assam is playing a big brother Role. এখনৰ লগত কাজিয়া আছে মানিব পাৰি, কিন্তু চাৰিখনৰ লগত যে কাজিয়া আছে সেইটো সিহঁতক বুজোৱাহে কঠিন। কাৰণটো আমিহে জানো যে ৰাজ্য সমূহ বনোৱাৰ সময়ত যদি পূৱ, পশ্চিম, উত্তৰ, দক্ষিণ লিখি দিয়া হ'লে আজিৰ এই পৰিস্থিতিৰ উদ্ভৱ নহলহেঁতেন। I do not go to political. একত্ৰিত উত্তৰ-পূৱ যাতে নহওঁক United উত্তৰ-পূৱ যাতে নাথাকে তাৰ কাৰণে এনেকুৱা ধৰণৰ সমস্যা

আমাৰ মূৰৰ ওপৰত থৈ যোৱা হৈছিল। বহুখিনি Research Document আমি দেখিছো বা পঢ়িছো যে, অন্ধ্ৰ আৰু তেলেংগানাৰ মাজত যদি আজি অটল বিহাৰী বাজপেয়ীৰ সময়ত ঝাৰখণ্ড, উত্তৰাঞ্চল আৰু চত্তিশগড়ৰ বিভাজন যদি শান্তিপূৰ্ণভাৱে হ'ব পাৰে, অসমেটো মেঘালয়ক পুৰা এৰি দিছিল, We never oppose in the creation of Meghalaya,We never oppose in the creation of Nagaland, We never oppose in the creation of Mizoram. Inner-Line Forest টো তেওঁলোকে যাক ইচ্ছা লিখি দি দিব লাগিছিল। নাগালেণ্ডৰ গাওঁ খিনিকো যাক ইচ্ছা দি দিব লাগিছিল। সেইসময়ত আমাৰ কোনো বিৰোধী নাছিল, গোপীনাথ বৰদলৈ পৰবৰ্তী পৰ্য্যায়ত বিমলা প্ৰসাদ চলিহা, তেখেতসকলে মুক্ত হৃদয়েৰে নাগালেণ্ড নিৰ্মাণত অৰিহণা যোগাইছিল। ডিমাপুৰ আমাৰ লগত থকাৰ পাছতো আমি দি দিছিলো। ১৯৭২ টো যেতিয়া এই ৰাজ্য বা চৰকাৰ বিলাক বিভাজন কৰা হৈছিল, তাত আমি কোনেও কেতিয়াও আপত্তি কৰা নাছিলো। কিন্তু পূৱ, পশ্চিম, উত্তৰ, দক্ষিণ নথকাকৈ আমাক আজি এনেকুৱা এটা পৰিৱেশত পেলাই দিলে, Boundary, Pillar, Post এইবিলাক একোৱেই নাই। আমি Survey of India ৰ মেপ মতে যেতিয়া গাওঁ এখন চাওঁ, তেতিয়া দেখো যে গাঁৱখন অৰুণাচলৰ বহু ভিতৰত প্ৰায় ৩০ কিঃ মিঃ ভিতৰত আছে। তাত সকলো অৰুণাচলী বাসিন্দা , আকৌ তেখেত সকলে যদি অৰুণাচলৰ Survey of India ৰ মেপখন চাই, তেখেতসকলে দেখে যে বিচৰা গাঁৱখন অসমৰ বহু ভিতৰত একেবাৰে বিহালী সমষ্টিৰ ভিতৰত। দুয়োখন ৰাজ্যই নাজানে কাৰ, ক'ত সীমা আছে আৰু এই বিলাকৰ কাৰণেই আমাৰ মাজত কাজিয়াৰ সূত্ৰপাত হৈছে। অধ্যক্ষ মহোদয়, স্বাধীনতাৰ ৭৫ বছৰৰ পাছত এতিয়া অমৃত মহোৎসৱৰ সময়ত আমি যদি এনেধৰণৰ বিবাদত লিপ্ত হৈ থাকো তেতিয়া হলে অৰ্থনৈতিক ভাৱে আমি বহু লোকচানৰ সন্মুখীন হ'ম। তাৰ কাৰণ এটায়ে - অসমৰ বাহিৰৰ মানুহ এজন অসমলৈ আহিলে তেখেত কেৱল গুৱাহাটীৰ পৰ্য্যটন থলী বিলাক চাবলৈ নাহে, তেখেত সকল কাজিৰঙা চোৱাৰ লগতে চিলঙো চাব আহে। আমি যদি উত্তৰ-পূৱৰ সামগ্ৰীক সত্ত্বা এটা নিৰ্মাণ কৰিব বা গঢ়ি তুলিব নোৱাৰো তেতিয়া হলে অসম সদায় পিছ পৰি থাকিব লাগিব।

আজি লামপি এখন পৰ্য্যটনথলী, লামপিক আমি এখন ডাঙৰ পৰ্যটন কেন্দ্ৰ লৈ ৰূপান্তৰ কৰিব পাৰো, কিন্তু আমাৰ মাজত থকা সংঘাতৰ কাৰণে তাত কোনো যাব নোৱাৰো আৰু তাৰে সুযোগ লৈ দুয়ো পক্ষৰ কিছুমান সুবিধাবাদী মানুহে তাত গাওঁ বনাইছে, যাৰ বাবে এতিয়া লাহে লাহেTourism ৰ potential টো নোহোৱা হৈ আহিছে। কিন্তু অসমতেই যে ইমান সুন্দৰ ঠাই আছে বুলি মানুহে কল্পনায়ে কৰিব নোৱাৰে। মোৰ কথাটো হল সেই কাৰণে আমি আমাৰ মাটি বলপূৰ্বক ভাৱে কাকো এৰি দিয়া প্ৰশ্নই নাই। কিন্তু পাঁচটা পৰ্য্যায়ৰ ওপৰত আমি সিদ্ধান্ত লৈছো যে, অসম আৰু মেঘালয়ৰ আমি সীমা সমস্যা সমাধান কৰিব পাৰো নেকি ? প্ৰথমতে Will of the people যে দুয়োটা ফালে ভোট দি আছে, তোমালোক ক'ত যাব খোজা। এনেকৈ থাকিতো লাভ নাই। ৰাত্তিপুৱা মেঘালয়ত ভোট দিবা, গধূলী অসমত ভোট দিবা। গতিকে Will of the people যে তাৰ এই গাওঁকেইখনৰ মানুহ ক'ত যাব খোজে। দ্বিতীয়তে, Administrative convenient যে মানুহজন গ'লেওতো নহ'ব। লাইটৰ তাঁৰতো লগাব লাগিব, ৰাষ্টা বনাব লাগিব, বকোৰ পৰা সুবিধা হ'ব নে মেঘালয়ৰ সদৰৰ পৰা সুবিধা হ'ব। তৃতীয়তে, contiguity যে আজিৰ দিনটোত মেঘালয়ৰ সাংবিধানিক সীমাৰ লগত contiguity আছে নে অসমৰ সাংবিধানিক সীমাৰ লগত contiguity আছে? আৰু finally historical prospective. অসম আৰু

মেঘালয়ত আমি কিয় অলপ আগুৱাব পাৰিছো কাৰণ আমাৰ মাজত dispute টো মেঘালয়ৰ history ওপৰত claim কৰা নাই। মাত্ৰ convenient যে এইখিনি মানুহ আমাৰ গাড়ো মানুহ আমাৰ লগত থাকিব লাগে, আমি কৈছো গাড়ো মানুহটো অসমতো আছে। গাড়ো মানুহটো আমাৰো জাতি। অকনমান অকনমান সমস্যা আমি সমাধান কৰিব পাৰো। কন্যাধৰাত যে ড্ৰোণ উৰিছে তাৰ কাৰণে মানুহৰ অলপ চিন্তা হৈ আছে। মেঘালয়য়ে অসমকো ড্ৰোণ উৰাব কৈছে যে আপোনালোকেও ড্ৰোণ উৰাওক আমিও ড্ৰোণ উৰাও যাতে মাটিখিনি আমি বুজি পাওঁ। অসমত ড্ৰোণ আগতেও উৰুৱাই থৈ দিছে। আমাৰ মেপ ভাল কৰি আছে। মেঘালয়ে যি ড্ৰোণ উৰাইছে আমাৰ অনুমতি লৈ উৰাইছে। বিনা অনুমতিত তেওঁলোকে উৰুৱা নাই। এতিয়া আমি দুটা ঠিক কৰিছো যে তিনিখন জিলাত dispute আছে। ৱেষ্ট খাচী হিলচ, ৰিভই আৰু জয়েন্তীয়া হিলচ। ৱেষ্ট খাচী হিলচত dispute মীমাংস কৰাৰ কাৰণে আমি এখন বৰ্ডাৰ কমিটী বনাইছো। সেই কমিটীত মেঘালয়ে পাঁচজনমান ব্যক্তিক দিছে মন্ত্ৰী আৰু আমাৰ বিধায়ক, অসমৰো আমি মন্ত্ৰী আৰু বিধায়কক দিছো। ৱেষ্ট খাচী হিলচৰ বিবাদ নিষ্পত্তিৰ কাৰণে আমি অতুল বৰা ডাঙৰীয়াক চেয়াৰমেন কৰিছো। নন্দিতা দাস বাইদেউ সেই কমিটিত আছে তাৰে স্থায়ীয় বিধায়ক ডি চি আৰু এচ পিক লৈ আমি এখন কমিটি কৰি দিছো। মেঘালয়ৰো এখন ৱেষ্ট খাচী হিলচ কমিটি কৰিছে। এই দুইখন কমিটি এতিয়া spot ত যাব চেপ্তেম্বৰ মাহত। Spot তগৈ তেওঁলোকে সিদ্ধান্ত লʼব যে মানুহে কʼত থকাটো বিচাৰে, কʼৰ পৰা সুবিধা হʼব, কʼৰ পৰা লাইট পাব, কʼৰ পৰা পানী পাব, কʼৰ পৰা লʼৰা-ছোৱালীখিনি স্কুলত পঢ়িব পাৰিব। এই সমস্যাৰ ওপৰত সৰু সৰু দুখন বা তিনিখন গাওঁ। তাতকৈ বহত বেছি নহয়। ৰিভইৰ ওৰৰত চাবৰ কাৰণে মন্ত্ৰী শ্ৰী পিযুষ হাজৰিকা ডাঙৰীয়া, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাএই ধৰণে ৰিভই চাবৰ কাৰণে আমি তেওঁলোকক দায়িত্ব দিছো। মেঘালয়েওআন এজনক দয়িত্ব দিছে। জয়েন্তীয়া হিলচ চাবৰ কাৰণে শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াক আমি দায়িত্ব দিছো ৰাতুতচেৰা বুলি সৰু এলেকা এটা। ৰাতুতচেৰাৰ স্থানীয় বিধায়ক শ্ৰী কৌশিক ৰায়। এই ধৰণে আমি কমিটি এখন কৰি দিছো। যʼত শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই চাব।

**শ্ৰীআমিনুল ইছলাম (মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কʼব বিচাৰিছো। অকল ইফালে জয়ন্তীয়া হিলচ বা ৰিভই এইখিনিতে নহয়।

**ডo হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম)ঃ** তেওঁলোকে dispute আছে বুলি কোৱা নাই।

**শ্ৰীআমিনুল ইছলাম (মানকাছাৰ) ঃ** মই এক মিনিটৰ কাৰণে কʼব খুজিছো যে আমাৰ যিটো দক্ষিণ শালমৰাৰ যিখন গোৱৰ্ধনা থানাত আঠমাহ মান আগতে তেখেতেগৈ থানাৰ চাইনবʼৰ্ড ভাঙি দিছে, মেঘালয়ৰ পুলিচে।

**ডo হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম)ঃ** আমি সদনত নতুন জাগা নোকোৱাই ভাল। কাৰণ মেঘালয়ে বিচৰাই নাই দক্ষিণ শালমাৰাৰ এটা জাগাও।

**শ্ৰীআমিনুল ইছলাম (মানকাছাৰ)ঃ** আমাৰ মানকাছাৰৰ যিটো কামাখ্যা মন্দিৰ আৰু মিৰ্জুমলা এই দুটা আমাৰ অসমত আছিল। এইবাৰ তেখেতে মেঘালয়ৰ waqf board ৰ পৰা লেটাৰ দিছে, দখল কৰিব গৈছে।

**ডo হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম)ঃ** মই এইটোকে কৈছো যে মইটো ৰেৰ্কডৰ কথাহে কম। কি কʼত উঠিছে আপুনি মোক লিখি নিদিয়ালৈকেতো মই গম নাপাম। মেঘালয়ৰ

চৰকাৰে আমাক clear কৰি কৈ দিছে যে গোৱালপাৰাত আমাৰ কোনো dispute নাই, ধুবুৰীত আমাৰ কোনো dispute নাই। আমাৰ dispute আছে কামৰূপ ৰুৰেল, কামৰূপ মেট্ৰ', কাৰ্বি আংলং আৰু কাছাৰ। তাৰ বাবে ১২ টা spot ৰ কথাই কৈছে। আমি আৰু ইয়াত সদনত কথা পাতি লিষ্ট বঢ়াই ল'ব নালাগে। তেওঁলোকে যদি ক'ৰবাত আগুৱাই  আহিছে আমি তেওঁলোকক অনুৰোধ কৰিলে পিছুৱাই যাব। ইয়াতে ১২ টা spot আমাৰ আছে। ১২ টাৰ ৬ টাই এইবাৰ আমি হাতত লৈছো। চেপ্তেম্বৰৰ লৈকে আমি চেষ্টা কৰিম যে ৬ টা আমি resolve কৰিব পাৰো নেকি? তাৰ পাছৰ ৬ টা অলপ critical হ'ব যেনেকৈ আমাৰ যিটো লাম্পী আছে। এইটো অলপ critical. তেওঁলোকৰ খানাপাৰা অঞ্চলটো আহিব। আমাৰ Block 1, Block 2 আহিব। সেইকাৰণে আমি সিদ্ধান্ত লৈছো যে, critical ৬ টা আমি এতিয়া নাপাতো। যিকেইটা soft, যিকেইটা কৰিব পাৰি, সেই ৬ টা আমি প্ৰথমে আলোচনা কৰি লওঁ। ৬ টাত আমি যদি সফল হওঁ good will generate হ'ব good will generate হ'লে বাকী ৬ টাতো সমস্যা সমাধানৰ কাৰণে আমি আগুৱাই যাব পাৰিম। আৰু এবাৰ যদি সমস্যাখিনি হৈ যায়, আমি pillar লগাই তাক finally আমি resolve কৰিব পাৰিম। সেইকাৰণে মেঘালয়ৰ লগত আমি এটা উদাৰ মন লৈ ৬ টা বিষয়ত আমি কথা পাতিব খুজিছো। অসমৰ মাটিও মেঘালয়ক এৰি দিব নালাগে, মেঘালয়ৰ মাটিও অসমক এৰি দিব নালাগে। এই চাৰিটা principle ৰ ভিতৰত যিটোৱে হয়, সেই চাৰিটা principle ৰ ভিতৰত আমি সমস্যাখিনি সমাধানৰ চেষ্টা কৰিম। মই সদনক এইটোকে কব খুজিছো যে মেঘালয়ক যিটো ড্ৰোণৰ কথা হৈছিল সেইটো With our concent.তেওঁলোকে আমাৰ concent  লৈছে আমিও উৰাব পাৰো। আমাৰো কোনো বাধা নাই। দুইখন ৰাজ্য আমি এই ধৰণৰ এটা adjustment কৰি লৈছো। শেষত, মই এইটোকে ক'ব খোজো যে মেঘালয়ৰ সীমা সমস্যা সমাধান হোৱাৰ লগে লগে অৰুণাচল চৰকাৰৰ লগতো আমাৰ অনানুষ্ঠানিক আলোচনা আগবাঢ়িছে। অৰুণাচলৰ লগত আমাৰ dispute point হৈছে twelve hundred. মেঘালয়ত বাৰটা তাত বাৰশটা জাগাত। কিন্তু তথাপিতো এতিয়া যিহেতু ইমান বছৰৰ পাছত গাওঁ বহিলে, অঞ্চল বহিলে বহুত dispute এতিয়া পেপাৰত আছে, মুখত নাই। তেজপুৰখনো হয়তো ক'ৰবাত disputed লিখা আছে। কিন্তু এতিয়াতো আৰু অৰুণাচলে তেজপুৰ নিবিচাৰে। আমিও গৈ টাৱাং নিবিচাৰো। গতিকে এতিয়া আমি যিহেতু matured হৈছো by now আমি জানো। কোন কাৰ, ক'ত আছো, ক'ত কোন ধৰণৰ মানুহ আছো। এই dispute টো আমি সমাধানৰ কাৰণে চেষ্টা কৰিম। কিন্তু নাগালেণ্ডৰ লগত dispute সমাধান কৰাৰ অত্যন্ত কঠিন। চৰকাৰী পয্যাৰ্য়ত সেইটো সম্ভৱ নহ'ব। উচ্চতম ন্যায়ালয়ে আমাক যি ধৰণৰ ৰাষ্টা দেখুৱাই, আমি সেই ধৰণৰ আগুৱাব লাগিব। কিন্তু নাগালেণ্ড আৰু অসমৰ মাজত clear বুজা-বুজি আছে, যে আৰু নতুনকৈ কোনো মাটি কোনো চৰকাৰে নলয় status will be maintain. কেতিয়াবা কেতিয়াবা দুই এজন গাওঁৰ মানুহে মাটিৰ কাৰণে আগবাঢ়ি আহে, পিছুৱাই আহে চৰকাৰক জনোৱাৰ লগে লগে চৰকাৰে take up কৰিব পাৰিব। মই আশা কৰো যে কিছুদিনৰ পাছত পৰিৱেশ সাম কটাৰ পাছত মিজোৰামৰ লগতো এটা সৌহাদ্যপূৰ্ণ আলোচনাৰ  পথ প্ৰশস্ত হ'ব পাৰে কিন্তু আজিয়ে সেইটো সম্ভৱ নহয়। কাৰণ পৰিৱেশ যথেষ্ট এত্যিাও আমাৰ মানুহৰ মাজত বহুত দুখ আছে। ছয়জনকৈ আৰক্ষী হেৰুৱাৰ পাছত definitely we are in pain. গতিকে আজি হয়তো সেইটো সম্ভৱ নহ'ব। কিন্তু we days to come. আমি নিজে চৰকাৰৰ লগতো সীমা সমস্যাৰ সমাধানৰ প্ৰচেষ্টা চলাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ৰূপছিং তেৰণ (বৈথালাংচু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা কথা আছে যে, যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কথা যে বৰ্ডাৰ এলেকাত ভোটদান দিয়াৰ কথাটো সঁচা আৰু মেঘালয়ৰ বি অ' পিটো আমাৰ মাটিত চাৰি কিলোমিটাৰৰ ভিতৰত বনাইছে আৰু আমাৰ বি অ' পি টো আমাৰ মাটিৰ চাৰি কিলোমিটাৰৰ ভিতৰত বনাইছে। সেইটো ক্ষেত্ৰত তদন্ত কৰিবৰ কাৰণে মোৰ তৰফৰ পৰা মই অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ** সেই গোটেই বিষয়টো চৰকাৰে initiative লৈছে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা ক'লে আৰু লগতে তেওঁ এটা সময়ত কৈছিল যে এই সময়খিনিত আমি সকলোৱে এক হৈ থাকিব লাগে। আমি সদনৰ পৰা এটা message দিব বিচাৰিছো কাৰণ আমি কংগ্ৰেছ পাৰ্টিয়ে অকনমান হলেও দুখ পাইছিলো, আমি সহায় কৰিবৰ কাৰণে গৈছিলো আমাক আগবাটতে ৰখাইছিল। সেইকথাবিলাক এতিয়া আমি আলোচনা নকৰো। আমি এটাই দেখাব লাগে যে সীমাৰ ক্ষেত্ৰত আমি ৰাজনীতিৰ সৰু-সুৰা কচাকচি বিলাক বাদ দি আমি সকলোৱে ঐক্যবদ্ধ। গতিকে মই ভাবো যে আজি এটা যিটো statement দিলে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যদি transparentely এই কথাখিনি আমাক All Party Meeting এখন কৰি ভালকৈ বুজাই দিয়ে আৰু মই ভাবো যে এই কথাখিনি যেতিয়া সমাধানৰ পথত যোৱাৰ নিচিনা হৈছে। এইটো লৈ আৰু আমি বাক্ বিতন্বাত নগৈ অলপ দিঘলীয়াকৈ এইটো এটা চিৰস্থায়ী শান্তিৰ কাৰণে যদি গৈ আছে তেখেতে যদি All Party Meeting এখন এইটোক লৈ আমি বাক-বিতণ্ডাত নগৈ এইটো যিহেতু এটা চিৰস্থায়ী শান্তিৰ কাৰণে গৈ আছে। তেখেতে যদি এটা এটা দিন, এখন এখন state ক লৈ All Party Meeting ত সকলোকে বিশ্বাসত লৈ কৰে, তেতিয়া মই ভাৱো যে বাহিৰত হৈ থকা বু-বু বা-বা বিলাক নহ'ব। সকলোকে বিশ্বাসত লৈ সমূহীয়াভাৱে এই কথাবিলাক আমি অনুৰোধ ৰাখি ইয়াৰ statement ৰ ভিত্তিত আমি কংগ্ৰেছ দলে এই ক্ষেত্ৰত চৰকাৰে লোৱা initiative ত আমি একগোট হৈ থিয় দিম। এই কথাখিনি আমি প্ৰতিশ্ৰুতি দিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছ দলৰ যিটো দলক সীমান্তত যাবলৈ অনুমতি দিয়া হোৱা নাছিল, সেইদিনাখন মই নিজেও সীমান্তত যোৱা নাছিলো। সেইদিনাখন মইও শিলচৰত আছিলো। মই থকাৰ পিছদিনাখন কংগ্ৰেছৰ deligation গৈছিল। সেই সময়ত restrain থকাৰ প্ৰয়োজন আছিল কাৰণেহে যাবলৈ দিয়া হোৱা নাছিল। কিন্তু অধ্যক্ষ মহোদয়ৰ নেতৃত্বত যেতিয়া সৰ্বদলীয় দল গৈছিল, আমি কৈছিলো যে আপোনালোকে যাব, কিন্তু মই নিজেও যোৱা নাছিলো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ**- পিছদিনাখন তাৰ যিসকল বিধায়ক আছিল, তেখেতসকল যোৱা কাৰণে আমি নগ'লো।

**ড০ হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাত্ৰ প্ৰথম দুদিনহে আমি ৰখাইছিলো। তাৰ পিছত আৰু আমি ৰখোৱা নাই।

দ্বিতীয়তে, আমাৰ যিবিলাক Regional Committee হৈছে, তাত কংগ্ৰেছ আৰু AIUDF দুয়োটা দলৰে সদস্যক ৰাখিছো যাতে transparent হৈ থাকে আৰু যেতিয়াই আলোচনাটো অলপ আগবাঢ়িব তেতিয়া মই নিশ্চয় সৰ্বদলীয় বৈঠক পাতি কথাখিনি অৱগত কৰিম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই positive কথাখিনি কৈছে। মিজোৰামৰ ক্ষেত্ৰতো তেখেতে যাতে এনেকুৱা সমিতি বনাই দিয়ে তাৰবাবে মই তেখেতক ধন্যবাদ জনাইছো।

**ড০ হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰবাবে কিছু সময়ৰ প্ৰয়োজন হ'ব।
**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, সীমা ৰক্ষাৰ ক্ষেত্ৰত আমি সকলোৰে চৰকাৰৰ লগত আছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই সদনক অৱগত কৰিব বিচাৰিছো যে আমাৰ মাননীয় উপাধ্যক্ষ মহোদয় ডঃ নোমল মমিন ডাঙৰীয়াই Minority Commission ৰ Under ত গঠিত ভাৰত গৌৰৱ Foundation, তেখেতসকলৰ দ্বাৰা পুৰস্কৃত হৈছে। তেখেতক যোৱাকালি দিল্লীত এই পুৰস্কাৰেৰে পুৰস্কৃত কৰা হ'ল। তাৰবাবে আমাৰ সকলোৰে ফালৰ পৰা তেখেতক শুভেচ্ছা জনালোঁ।

এতিয়া সদনৰ সকলো সন্মানীয় সদস্য আৰু তেওঁলোকৰ পৰিবাৰ, এই সদনৰ প্ৰাক্তন সদস্য আৰু বিধানসভাৰ সকলো কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ সুবিধাৰ কাৰণে এটা Health Care Clinic মুকলি কৰা হ'ব, Old MLA Hostel Complex ত। এই Health Care Clinic মুকলি কৰিব আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই। গতিকে মই সকলো সন্মানীয় সদস্য-সদস্যাকে সদনৰ পৰা পোনপটীয়াকৈ তালৈ যাবলৈ অনুৰোধ জনালো আৰু তাৰ পিছত হ'বলগীয়া Orientation Programe টোতো কিছুসময় উপস্থিত হ'বলৈ অনুৰোধ জনালোঁ।

এতিয়া সদন আবেলি ২ঃ ৩০ বজালৈ স্থগিত ৰখা হ'ল।

**ইংৰাজী ১৩-০৮-২১ তাৰিখে আবেলি ২ঃ৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম-কাজ পূৰ্বৰ নিৰ্দ্ধাৰিত সময় মতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** "ডী ইণ্ডিয়ান ষ্টেম্প (আসাম এমেণ্ডমেন্ট) বিল, ২০২১"

মাননীয় ৰাজহ মন্ত্ৰী "ডী ইণ্ডিয়ান ষ্টেম্প (আসাম এমেণ্ডমেন্ট) বিল, ২০২১" বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।
**শ্ৰীযোগেন মহন (ৰাজহ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "ডী ইণ্ডিয়ান ষ্টেম্প (আসাম এমেণ্ডমেন্ট) বিল, ২০২১" খন সদনত বিবেচনাৰ বাবে লোৱা হওক।
**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল - "ডী ইণ্ডিয়ান ষ্টেম্প (আসাম এমেণ্ডমেন্ট) বিল, ২০২১" বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য-

সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওক 'নহয়', মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখনৰ ২ নং দফাত থকা অনুসূচীত মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন সিকদাৰ, শ্ৰীদিগন্ত বৰ্মন, শ্ৰীনুৰুল হুদা, শ্ৰীআবুল কালাম ৰশিদ আলাম, শ্ৰীআফতাব উদ্দিন মোল্লাহ, শ্ৰীৰকিবুল হুছেইন, শ্ৰীশ্বেৰমান আলী আহমেদ, শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, শ্ৰীমতী নন্দিতা দাস, শ্ৰীমতী শিবামনি বৰা, শ্ৰীযাদৱ স্বৰ্গীয়াৰী, শ্ৰীৰেকিবুদ্দিন আহমেদ তেখেত সকলৰ নামত ৪ টা আৰু শ্ৰী হাফিজ বছিৰ আহমেদ, শ্ৰীচিৰাজুদ্দিন আজমল, শ্ৰীআমিলুন ইছলাম (জ্যেষ্ঠ), শ্ৰীৰফিকুল ইছলাম, শ্ৰী নিজানুৰ ৰহমান, শ্ৰী নজৰুল হক, শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) শ্ৰী নিজামুদ্দিন চৌধুৰী, শ্ৰী সুজামুদ্দিন লস্কৰ আৰু শ্ৰী মজিবুৰ ৰহমানৰ নামত এটা মুঠ ৫ টা সংশোধনী আছে। এতিয়া মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন সিকদাৰ আৰু তেখেতৰ সহযোগী আৰু শ্ৰী হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ বক্তব্য ৰাখিবলৈ আহ্বান জনালোঁ।

**Shri Jakir Hussain Sikdar (Sarukhetri) :** Hon'ble Speaker Sir, I beg to move in the schedule of clause II of the proposed Bill under serial no. 3, the figure 500 shall be substituted by the figure 300. Hon'ble Speaker Sir, I beg to move in the schedule of clause II of the proposed Bill under serial no. 4, the figure 100 shall be substituted by the figure 30. Hon'ble Speaker Sir, I beg to move in the schedule of clause II of the proposed Bill under serial no. 46(A), the figure 1000 shall be substituted by the figure 200. Hon'ble Speaker Sir, I beg to move in the schedule of clause II of the proposed Bill under serial no. 46(B), the figure 500 shall be substituted by the figure 100.

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীহাফিজ বছিৰ আহমেদৰ হৈ আমিনুল ইছলাম আপুনি ক'ব।

**Shri Aminul Islam (Sr), (Dhing) :** Hon'ble Speaker Sir, I beg to move in the schedule of clause II of the proposed Bill under serial no. 46(A) the figure 1000 shall be substituted by the figure 500.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীজাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে আমাৰ চেক্চন ২ ত adoption deed ইয়াৰ আগৰ দিনত যিটো আমাৰ ষ্টেম্প ডিউটি আছিল ২০০ টকা আছিল, এইবাৰ চৰকাৰ খনে ২০০ টকাৰ পৰিবৰ্তে ৫০০ টকা কৰিব বিচাৰিছে। তাৰ লগতে affidavitত আগতে আছিল ১৫ টকা, এইবাৰ চৰকাৰ খনে এমেণ্ডমেন্ট আনি ১০০ টকা কৰিব বিচাৰিছে।

Partnership deed ত আগতে আছিল ১০০ টকা এতিয়া চৰকাৰ খনে নতুনকৈ এমেণ্ডমেন্ট আনি ১০০০ টকা কৰিব বিচাৰিছে। চেকচন ২ ৰ ৪৬ (বি) Dissolution of Partnership ত আগতে আছিল ৫০ টকা, এতিয়া চৰকাৰখনে ৫০০ টকা কৰিব বিচাৰিছে। গতিকে আমি প্ৰথমতে যিটো ২০০ টকাটো ৫০০ টকা কৰিব বিচাৰিছে, adoption deed ত ৩০০ টকা কৰাতো বিচাৰিছোঁ, affidavitত ১৫ টকাৰ পৰিবৰ্তে ১০০ টকা কৰিছে, আমি তাত ১০০ টকাৰ পৰিবৰ্তে ৩০ টকা কৰাটো বিচাৰিছো আৰু ৪৬ (এ) Partnership deed ত আগৰ ১০০ টকাৰ পৰিবৰ্তে ১০০০ টকা, সেইটোত আমি ২০০ টকা কৰাটো বিচাৰিছোঁ, আৰু ৪৬ (বি) Dissolution of Partnership ত ৫০ ৰ পৰিবৰ্তে যিটো ৫০০ টকা কৰিছে, সেইটোত আমি ১০০ টকা কৰাতো বিচাৰিছো। অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে আমি সকলোৱে জানো গোটেই বিশ্বৰ লগতে সমৰ্গ ভাৰতবৰ্ষ, অসমত ক'ভিড-১৯ ৰ বাবে মানুহ কেনেকৈ জুৰুলা হৈছে অৰ্থনৈতিক অৱস্থা কি হৈছে। চৰকাৰ খনে এই ক'ভিড-১৯ ত অৰ্থনৈতিকত জুৰুলা হোৱা সাধাৰণ মানুহখিনিক বিভিন্ন সয়মত বিভিন্ন আঁচনিৰ জৰিয়তে সহায় কৰি আহিছে। গতিকে চৰকাৰখনে তেনেকুৱা মহানুভৱতা ৰাইজৰ প্ৰতি আছে বা আন্তৰিকতা আছে বা বৰ্তমান অৰ্থনৈতিক অৱস্থাত মানুহে যে দৰিদ্ৰতাৰ লগত যুজ কৰি থাকিব লগীয়া হৈছে, এসাঁজ খাবলৈ যে মানুহে চিন্তা কৰিব লগীয়া হৈছে, এই কথাটো চৰকাৰ খনে উপলব্ধি কৰে। যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আজি সদনত উপস্থিত আছে, ঠিক এনেকুৱা এটা সময়ত এনেকুৱা বিল এটা এমেণ্ডমেন্ট কৰি আৰু কেৱল ৰেভিনিউ বেছিকৈ কালেক্চন কৰাৰ কাৰণে এনেকুৱা পদক্ষেপ লোৱাটো কিন্তু আজি তাৰিখত ভাল পদক্ষেপ নহ'ব। চৰকাৰখনৰ যিটো মান সেই মানটো কিন্তু মানুহৰ ওচৰত তল পিনে গতি কৰিব। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছোঁ যে, তেখেত সকলে এমেণ্ডমেন্ট বিল যিখিনি টকা ইয়াতে ষ্টেম্প ডিউটি লগাইছে গোটেইখিনি আমি যেনেকৈ এমেণ্ডমেন্টটো বিচাৰিছো, তেনেকৈ গোটেইখিনি এমেণ্ডমেন্ট কৰি এই ফিগাৰটো কমাই আনি সাধৰণ ৰাইজৰ পক্ষত এই চৰকাৰ খন থাকিব বুলি অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম।

**শ্ৰীআমিনুল ই'ছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো এমেণ্ডমেন্ট বিলাত পূৰ্বৰ যিটো Description of Instruments and Proper Stamp Duty চৰকাৰে যিটো সলনি কৰিব বিচাৰিছে আমি এমেণ্ডমেন্ট বিলটোক সমৰ্থন কৰিছো এই কাৰণেই যিহেতু এইটো ইয়াতে কোৱা হৈছে যে আমাৰ যিটো Indian Stamp Act,1899. এতিয়া যিটো existing rate ত আমাৰ বিভিন্ন দলিল বা ষ্টেম্পৰ যিটো ৰেটত এতিয়ালৈ দিড কৰি আছে এইটো Indian Stamp Act,1899. যিটো ১২২ বছৰ হৈ গ'ল । ১২২ বছৰ আগৰ সেই ৰেটত এতিয়ালৈ চলি থকাটো এইটো যুক্তি সংগত নহয়। যিহেতু ৰেভিনিউ জেনেৰেচনৰ কথাও আছে, গতিকে আমি এইটো ultimately increase কৰিবই লাগিব ষ্টেম্প এক্টত। গতিকে Increase যিটো কৰিছে লিষ্ট অফ চিড'লটত দিছে তাত আমি যিকেইটা অকমান এক্সিছ হোৱা যেন লাগিছে সেইবাবে আমি যিটো এমেণ্ডমেন্ট আনিছো ৪৬ (এ), তাত Partnership deed ৰ কাৰণে যিটো ষ্টেম্প, সেইটো একেবাৰে ১০০০ টকা বঢ়াব বিচৰা হৈছে, আমি তাত এমেণ্ডমেন্ট আনিছো যে সেইটো ১০০০ একেবাৰে কৰিব নালাগে, ৫০০ টকা কৰা হওঁক। তাৰ লগে লগে আৰু এটা কথা আপোনাৰ জৰিয়তে কৈ দিব বিচাৰিছো বিলখন ইট্ৰ'ডিউছ হোৱাৰ সময়তে মই এটা কথা উল্লেখ কৰিছিলো যে আমাৰ যিবিলাক ষ্টেম্প বা দলিলৰ যিটো ৰেট আগৰ পৰা আছিল এক্টত, দেখা গৈছে এইটো

shortageৰ কাৰণে কেতিয়াবা Available নহয় অলপ ব্লেক মাৰ্কেটত কিনাৰ নিচিনা হয় ১০ টকাৰটো ২০০ টকা বা ২৫ টকাৰটো ৩০০ টকা দি মানুহে কিনিব লাগে। কিন্তু চৰকাৰে ৰেভিনিউ পাই আছে ১০ টকা। এই যে ১০ টকাৰটো যে ১৫০ টকা, ২০০ টকা দি পাব্লিকে লৈ আছে সেই ১৫০ টকাটো চৰকাৰে পোৱা নাই। গতিকে এইটোৱে ensure কৰিব লাগে যে ইয়াত যিহেতু আমি ৰেটটো বঢ়াই আছো সেইটো যাতে, এই অৰিজিনেল ৰেটত যাতে পাব্লিকে ষ্টেম্পটো কিনিব পাৰে আৰু গোটেই ৰেভিনিউটো যাতে চৰকাৰে পায়। এইয়ে artificial shortage কৰি যে ১০ গুণ, ১৫ গুণ বেছি দাম লয়, ভেণ্ডাৰ সকলে সেইটো খাই দিয়ে, সেই কাৰণে চৰকাৰে ৰেভিনিউ নাপায়। গতিকে বঢ়োৱাটো ইমান বেছিও হ'ব নালাগে, আৰু কিন্তু এইটো ensure কৰিব লাগে যে ষ্টেম্পবোৰ Available হয় আৰু যাতে ব্লেক মাৰ্কেটত বহুত বেছি দামত যাতে পাব্লিকে কিনিব নালাগে। সেই কথাটো আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনালোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰী মহোদয়।

**শ্ৰীযোগেন মোহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন শিকদাৰ আৰু তেখেতৰ সহযোগী বিধায়কসকলে আৰু মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম আৰু তেখেতৰ সহযোগী বিধায়কসকলে যিটো সংশোধনী প্ৰস্তাৱ আনিছে।

এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে এই Act খন **১৮৯৯** চনৰে, বহুত পুৰণি, **১২২** বছৰ হ'ল। কিছুমান দফা সংশোধনী হোৱা নাই। এতিয়া এই Act খনৰ জৰিয়তে ৰাইজক কিছু সকাহ দিবলৈ ব্যৱস্থা কৰা হৈছে। আমি এটা rationalize system কৰা হৈছে, ক'ৰবাত বেছি, কৰবাত কমকৈ দিয়া হৈছে। এনেকুৱা ধৰণৰ ধৰক giftৰ ক্ষেত্ৰতে যিটো 1%, 2% আৰু 3% দিবলগীয়া আছিল। এতিয়া এইটো 0.5% লৈ অনা হৈছে। আজিৰ নিজৰ লৰাটো বা ঘৰতে ব্লাডৰ সম্পৰ্ক থকা কাৰোবাক কিবা gift দিবলৈ বিচাৰে, সেইটো আগতে মূল্যৰ ওপৰত 3% আছিলে, এতিয়া আমি সেইটো একেবাৰে 0.5% লৈ আহিছো। সেইটোত যথেষ্ট সকাহ পাব।

লগতে আমি upper limit টো ৰাখি দিছো, যাতে দহ হাজাৰতকৈ কতো বেছি হ'ব নোৱাৰিব। আগতে percentage হিচাপে 1%, 2%, 3% এনেকুৱা ধৰণৰ মূল্যৰ ওপৰত আছিলে। এতিয়া আমি এক হাজাৰ ৰাখিছো, কিছুমান দহ হাজাৰ ৰাখিছো। আপুনি দলিল কৰিবলৈ যায়, যদি ষ্টাম ডিউতি লব লাগে। যদি পাঁচ কোটি টকা মুল্য হয় বা এক কোটি টকা মূল্য হয়, তেতিয়া হলে 3% ত তিনি লাখ টকা দিব লগীয়া হয়। সেইটো আমি আজি দহ হাজাৰ টকা ৰাখি দিলো। এই আইনখনত **৬৫** টা item আছিল। সেই **৬৫** টা itemৰ ভিতৰত মাত্ৰ **১২** টা মানহে applicable হয়, ৰাইজে চলাই আছে। অন্যান্য ৰাজ্যবিলাকত বহুত rate আছে, যেনে চত্ৰিশগড়ত **২০০০** টকা চলি আছিল। গুজৰাটত **১০০০** টকা আছিল, য'ত আমি অসমত **৫০০** টকা কৰিবলৈ গৈ আছো। ঠিক তেনেধৰণে কোনো ধৰণৰ কৰৰ বোজা ৰাইজৰ ওপৰত দিবলৈ বুলি ব্যৱস্থা কৰা হোৱা নাই।

ইয়াত মহিলা স্বাৱলীকৰণৰ কথাটো ইয়াত আছে। মহিলাৰ ক্ষেত্ৰত আগতে ২% আছিল। এতিয়া আমি ১% লৈ আহিলো, সেই ক্ষেত্ৰত মহিলাসকলে stamp duty ক্ৰয় কৰাৰ ক্ষেত্ৰত সকাহ পাব। আমাৰ চৰকাৰখনে এতিয়া e-stamp কৰিবলৈ গৈ আছো। আজি যদি **৫০** টকাত, **১০০** টকাত, **১১০** টকাত দলিল লাগে e-stamp তে পাব। তেনেকুৱা ধৰণে e-stamp জৰিয়তে ৰাইজক সেৱা কৰিব বিচৰা হৈছে। এনেকুৱা ধৰণৰ বহু কেইটা সংশোধনী আছে। বেংকৰ ক্ষেত্ৰত আমি ভাল এটা ব্যৱস্থা কৰিছো। affidavitৰ ক্ষেত্ৰত যিখন stamp duty লৈ agreement

হ'ব, বেংকে পোনপতীয়াকৈ গ্ৰাহকৰ লগত কথা পাতিব। এতিয়া affidavit তো compulsory কৰিব লগীয়া হৈছে। বেংকত এতিয়া ঠগবাজি নাখায়।

Adoption ৰ ক্ষেত্ৰত আগতে আছিলে ৪৯ টকা, **১৯৮৪** চনত এটা শুধৰণি আহিছিলে, **১৯৮৯** চনত **৬০** টকা আছিলে, **২০০৪** চনত **২০০** টকা আছিলে। এতিয়া সেই **২০০** টকাটো **৫০০** টকা কৰিব বিচাৰিছো। Adoption case বিলাক খুৱ rare। ধনী মানুহে Adoption কৰে। **৫০০** টকা দি stamp duty লৈ registration কৰাত মই ভাৰো কোনো অসুবিধা নাপাব।

Partnership ৰ ক্ষেত্ৰত আগতে **১০০০** টকা আছিলে আৰু 3% ৰ ওপৰত হলে, এটা limit কৰি দিয়া আছিলে। এই ক্ষেত্ৰত আমি বিশেষ বৃদ্ধি কৰা নাই। তেনেধৰণে চাৰিটাৰ ক্ষেত্ৰত সংশোধনী আনিছো। আমি ভাৰো এইখিনি সংশোধনী হলে ৰাইজে সকাহ পাব। ইয়াত মহিলা স্বৱলীকৰণৰ কথাও আহি গৈছে। আটাইতকৈ সুবিধা হ'ব gift ৰ ক্ষেত্ৰত। gift stamp duty কৰোতে আগতে যিধৰণৰ অসুবিধা হৈছিলে, 1%, 2% হলে কম হয়, কিন্তু 3% আহি গলে বহুত পইচা হয়। এতিয়া সেইটো 0.5% কৰি দিয়া হৈছে। গতিকে মই ভাৰিছো বৰ বঢ়াই দিয়া হোৱা নাই। মাননীয় সদনে এইটো গ্ৰহণ কৰি সংশোধনীক সমৰ্থন জনাব বুলি আশা ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন শিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন শিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়াই এই বিলটোত বিভিন্ন clause ৰ কথা উল্লেখ কৰিছে আৰু বিভিন্ন ৰাজ্যৰ উদাহৰণ দিছে। মই ভাৰো বিধান সভাত বহি আমি কথা পাতিছো আৰু অসমৰ কথাই আমি বেছিকৈ চিন্তা কৰি কথাবোৰ কব লাগে আৰু কামবোৰ কৰিব লাগে। তেখেতে কেইটামান clause ৰ উদাহৰণ দিছে, যিবিলাক আমি সংশোধনী অনা নাই। clause ২, sl. 5(b) তাত Development agreement ৰ কথা আছে। যিটো আগতে **১০** ৰ পৰা **৫০** টকাত কৰিব পৰা গৈছিলে। আজিৰ তাৰিখত সেইটো বঢ়াই **৫০০০** কৰা হৈছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই adoption কথা কৈছে। adoption ক্ষেত্ৰত কৈছে অকল ধনী মানুহে কৰে। কিন্তু যিসকলৰ সন্তান নাই, সেই সন্তান নোহোৱা পিতৃ-মাতৃ, ধনী-দুখীয়া বুলি নহয়, প্ৰত্যেক মাতৃ-পিতৃয়ে আশা কৰে, কোলালৈ এটা সন্তান আহক। adoption যদি গৰীৱ দুখীয়া ভাগ কৰি দিয়ে আমাৰ কব লগীয়া আছে আৰু ভাবিব লগীয়া আছে। গতিকে মন্ত্ৰী ডাঙৰীয়াই পৰৱৰ্তী সময়ত এই কথাবিলাক লক্ষ্য কৰে।

ইয়াত আৰু এটা কথা কোৱা হৈছে যে partnership ৰ ক্ষেত্ৰত আমি বহুত বঢ়োৱা নাই। **১০০** ৰ পৰা **১০০০** কৰিছে। ইয়াক যদি বহুত বঢ়োৱা নাই বুলি কৈছে, তেতিয়া হ'লে ইয়াত কব লগীয়া কি কথা আছে। এই কথাখিনিৰ যিহেতু সংঘাট বেছি, বিলাটো পাছ কৰি লবই, আমি উদ্যোগ কৰিম, আমাৰ কথা হ'ল যে সাধাৰণতে যিখিনি বিল আনিছে সাধাৰণ ৰাইজৰ লগত জৰিত। adoption deed, affidavit, partnership গোটেইখিনি সাধাৰণ ৰাইজৰ লগত জৰিত। এই সাধাৰণ ৰাইজৰ ক্ষেত্ৰত দেখা গৈছে যে বহুত বেছিকৈ বঢ়াই দিয়া হৈছে। গতিকে মই উদ্যোগ কৰিছো যে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই আৰু মাননীয় মূখ্যমন্ত্ৰী মহোদয় ডাঙৰীয়াই আকৌ এটা বিবেচনা কৰিব বুলি আশা ৰাখি মই উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। নিশ্চয় আলোচনা কৰিব। মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া সংশোধনী প্ৰস্তাৱটো উঠাই লব নে ?

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঠিকে আছে আমি যিটো সংশোধনী **১০০০**

পৰা partnership deed ৫০০ টকা কৰিবলৈ কৈছিলো, সেইটো উঠাই লম। যিটো rate চৰকাৰে বান্ধি দিছে, যিহেতু revenue ৰ কথা আছে। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা assurance বিচাৰিছো যে stamp available হ'ব। বেছিকৈ পইচা দি যাতে ৰাইজে কিনিব নালাগে।

**শ্ৰীযোগেন মোহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়কসকলে যিখিনি কথা কৈছে আমি মানি লম আৰু ভৱিষ্যতত যাতে available হয় আৰু বেছি পইচাত কিনিব লগীয়া নহয়, সেইটো চাম। e-stamp ৰ যোগেদি সুবিধা খিনি কৰিব বিচৰা হৈছে, যাতে ৰাইজে অসুবিধা নাপায়।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া সংশোধনী প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ অনুমতি আছেনে।

সদনৰ সন্মতি সাপেক্ষে সংশোধনী কেইটা প্ৰত্যাহাৰ কৰা হ'ল।

২ নং দফাৰ লগতে অনুসুচিখন বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে, কওঁক হয়,
যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে, কওঁক নহয়,
মই ভাৱো "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে"
২ নং দফাৰ লগতে অনুসুচিখন বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ **১** নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ কোনো সংশোধনী পস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ **১** নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল বিধেয়কখনৰ **১** নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে, কওঁক হয়,
যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে, কওঁক নহয়,
মই ভাৱো "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে"
বিধেয়কখনৰ **১** নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মই মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীযোগেন মোহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Indian Stamp (Assam Amendment) Bill, 2021" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰস্তাৱটো সদনত অনুমোদৰ বাবে দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল - "The Indian Stamp (Assam Amendment) Bill, 2021" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱৰ সপক্ষে আছে, কওঁক হয়,
যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱৰ বিপক্ষে আছে, কওঁক নহয়,
মই ভাৱো "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে"
প্ৰস্তাৱটো পাৰিত কৰা হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া এটা ঘোষণা আছে। চলিত বিধান সভাৰ অধিবেশনৰ কালছোৱাত যোৱা ১৯ জুলাই তাৰিখে অসম বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত “অসমৰ বিশেষকৈ চৰ চাপৰিত বাস কৰা মুছলমান সকলৰ মাজত পৰ্য্যাপ্ত শিক্ষানুষ্ঠান স্থাপন কৰি আৰু পৰ্য্যাপ্ত শিক্ষক নিয়োগৰ জৰিয়তে, শিক্ষাৰ জৰিয়তে বাল্য বিবাহ ৰোধ কৰি, স্বাস্থ্য, শিক্ষা, যাতায়ত আদিৰ ক্ষেত্ৰ সমূহৰ ব্যাপক উন্নতি সাধন কৰি চৰকাৰী আৰু বেচৰকাৰী খণ্ডত অন্তত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিত জনসংখ্যা অনুপাতে চাকৰিৰ ব্যৱস্থা কৰি জন্ম নিৰোধক আহিলা সমূহৰ যোগান সুলভ কৰি আৰু কঠোৰ জন্ম নিয়ন্ত্ৰণৰ আইন প্ৰণয়নৰ যোগেদি বিশেষকৈ চৰ-চাপৰিত বসবাস কৰা মুছলমান সকলৰ মাজত ক্ৰমবৰ্দ্ধমান জনসংখ্যা নিয়ন্ত্ৰণ কৰা হওঁক” শিৰোনামেৰে এক ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হৈছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ প্ৰদান কৰাৰ সময়ত আন আন কথাৰ লগতে ৰাজ্যখনৰ প্ৰচলিত হৈ থকা বিভাজিত সমাজ ব্যৱস্থাৰ লগতে সেই অঞ্চলৰ স্বাস্থ্য- শিক্ষা আদিৰ বিকাশৰ বিষয়ৰ প্ৰয়োজনীয়তা অনুধাৱন কৰাৰ অৰ্থে অসমৰ এটা প্ৰান্তৰ সমষ্টিৰ বিধায়কক আন এটা প্ৰান্তলৈ প্ৰেৰণ কৰি চৰজমিন কৰাৰ জৰিয়তে এক ফলপ্ৰসূ পদক্ষেপ ল'বলৈ আহ্বান জনাইছিল। মুখ্যমন্ত্ৰী গৰাকীৰ এই আহ্বানক সহঁাৰি জনাই উজনি আৰু নামনি অঞ্চলত চৰজমিন ভ্ৰমণৰ বাবে নিম্নলিখিত বিধায়কসকলক লৈ দুটা প্ৰতিনিধি দল গঠন কৰা হ'ল। ডিব্ৰুগড়, তিনিচুকীয়াৰ কাৰণে শ্ৰীদিগন্ত কলিতা, দলপতি- শ্ৰীমতী নন্দিতা গাৰ্লোছা, অজয় কুমাৰ ৰায়, হেমাঙ্গ ঠাকুৰীয়া, বিজয় মালাকৰ, যাদৱ স্বৰ্গীয়াৰী, আবুল কালাম ৰছিদ আলম, আচিফ মহম্মদ নাৰ্জাৰি, আব্দুৰ ৰহিম আহমেদ, জাকিৰ হুছেইন সিকদাৰ, নিজানুৰ ৰহমান , ডঃ ৰফিকুল ইছলাম, দুৰ্গাদাস বড়ো, ভূপেন বড়ো, মনোৰঞ্জন তালুকদাৰ। ইয়াৰ পিচত বৰপেটা আৰু গোৱালপাৰাৰ কাৰণে, প্ৰদীপ হাজৰিকা , দলপতি , সুৰেণ ফুকন, চক্ৰধৰ গগৈ, ৰূপেশ গোৱালা, ভৰত চন্দ্ৰ নৰহ, বসন্ত গগৈ, ভাস্কৰ জ্যোতি বৰুৱা, শিবামনি বৰা, পদ্ম হাজৰিকা, পৃথ্বিৰাজ ৰাভা, আমিনুল ইছলাম, জাকিৰ হুছেইন লস্কৰ, কৰিমুদ্দিন বৰভূইঞা , চৰণ বড়ো, অখিল গগৈ- প্ৰতিনিধি দল দুটাৰ ১ নং গোটে উজনি অসমৰ ডিব্ৰুগড়- তিনিচুকীয়া জিলা পৰিভ্ৰমণ কৰাৰ বিপৰীতে ২ নং গোটৰ সদস্যসকলে নামনি অসমৰ বৰপেটা আৰু গোৱালপাৰা জিলা পৰিভ্ৰমণ কৰিব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** ছাৰ, বৰাক ভেলীটো ৰাখিলে ভাল আছিল।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই দলপতিসকলৰ লগত কথা পাতি বৰাক ভেলীলৈও এটা টিম পঠিয়াই দিম। এতিয়া ‘The Assam Cattle preservation Bill, 2021’ । মাননীয় মুখ্যমন্ত্ৰীক The Assam Cattle preservation Bill, 2021 বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**ড০ হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Cattle preservation Bill, 2021' দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল- 'The Assam Cattle preservation Bill, 2021' বিবেচনাৰ বাবে লোৱা হওক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়' আৰু যি সকলে বিপক্ষে আছে তেখেতসকলে কওঁক ' নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। সন্মানীয় সদন এইখন বিলত ৭৬ টা এমেণ্ডমেন্ট আনিছে । গতিকে ক্ল'জ বাই ক্ল'জ আলোচনা যিটো পৰম্পৰা চলি আহিছে সেইমতে যদি মুভ আৰু আলোচনা কৰা হৈ থাকে তেন্তে বহুত সময় লাগিব। গতিকে সেইবাবে গোটেইকেইজন দলপতিৰ লগত আলোচনা কৰি আমি এটা সিদ্ধান্ত লৈছিলো যে আমি যিসকলে এমেণ্ডমেণ্ড মুভ কৰিছে অকল তেওঁলোকে, কংগ্ৰেছ দলৰ পৰা আছে, এআইইউডিএফৰ পৰা আছে, চিপিএম ৰ পৰা আছে। গতিকে যিখিনি ক্ল'জ এমেণ্ডমেন্টৰ কাৰণে আনিছে সেইখিনি একেবাৰতে ডিচকাশ্যন হিচাপে উত্থাপন কৰক, তাৰ বাবে দুঘন্টা মান সময় থাকিব, উত্তৰো থাকিব। ৩-৪ গৰাকীয়ে ক'ব , সেইটো আপোনালোকে ঠিক কৰি ল'ব। চি পি এম দলৰ এজনেই আছে।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কৈ লওঁ । কনচিডাৰেশ্যন ষ্টেজত অলপ আমাৰ দলপতিয়ে ক'ব । ....... যেতিয়া দফাই দফাই আলোচনা হ'ব তেতিয়াহে হ'ব।

**মাননীয় অধ্যক্ষ ঃ** নহয়, এটা কথাত আমাৰ অলপ খেলিমেলি হৈ থাকে। কনচিডাৰেশ্যন মানে বিবেচনা । যেতিয়া বিবেচনাৰ কথা তেতিয়া ডাইৰেক্টলী ভোটিংটোও এটা বিবেচনা হ'ল, আদাৰৱাইছ ইয়াৰ ওপৰত এটা ক্লেৰিফিকেশ্যন বিচৰা, উত্থাপন কৰা এইটো বিবেচনা, কনচিডাৰেশ্যন। ইয়াৰ পিছত মন্ত্ৰীয়ে উত্তৰ দিলে। মই ক'ব খুজিছো যে এজন মেম্বাৰে ৫/৬ টা এমেণ্ডমেন্টৰ কথা একেলগে ক'ব পাৰে যিটো ১০-১৫ মিনিটৰ ভিতৰতে শেষ হৈ যায় । কিন্তু প্ৰতিটো এমেণ্ডমেন্টত যদি ১০-১৫ মিনিটকৈ সময় লয় তেন্তে এজন বিধায়কৰ এমেণ্ডমেন্টত ডেৰ ঘন্টামান সময় লাগিব পাৰে। ৭৬ টা এমেণ্ডমেন্ট আছে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** গোটেইখিনি হ'ব লাগে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক, আপুনি ক'বই নালাগে আজি , আপোনাৰতো এমেণ্ডমেন্ট নাই। ...... বহক আপুনি। আপুনিতো সমৰ্থন কৰিছে বিলখন।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মই বিলখন বিৰোধিতা কৰিছো গতিকে মই এমেণ্ডমেন্ট অনা নাই। এইখন সাংঘাতিক বিল। মই ক'ম বুলি কাগজ দি থৈছো ।

**মাননীয় অধ্যক্ষ ঃ** এমেণ্ডমেন্ট এনেকৈ নহয় নহয়, আপুনি বহকছোন... আপোনাৰ এমেণ্ডমেন্টে নাই.. বহক। অনাৰেবল্ মেম্বাৰে কৈ আছে, আপুনি বহক।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, আপুনি যিটো কৈছে সেইটো আহিব তেতিয়া - consideration of The Assam Cattle preservation Bill, 2021 clause by clause- যেতিয়া আহিব তেতিয়া আমাৰ জেনেৰেলী ক'ব। এতিয়া হৈছে এইটো।

**মাননীয় অধ্যক্ষ ঃ** চাওঁক , সন্মানীয় সদস্য- এই কথাটো মই পাৰ্টিৰ সন্মানীয় লিডাৰ সকলৰ লগত আলোচনা কৰিয়ে কৈছো। যদি পৰম্পৰাত যায় , মোৰ ক'বলগীয়া নাই। এজ এ স্পীকাৰ যেতিয়া

সকলোৰে কনচেন্ট দিব সেইটোৰে মই হাউচত জনাম। আপোনালোকে এইটো হ'ব বুলি কনচেন্ট দিছে। কনচেন্ট দিয়াৰ বাবে আমি সেই কথাটো কৈছো। আগতীয়াকৈ আমি কথা পাতি লৈছো। সকলোৰে লগত কথা পাতি আমি সিদ্ধান্ত লৈছো ।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই The Assam Cattle preservation Bill, 2021 খন উত্থাপন কৰিছে। এই বিলখনৰ কিছু বিষয়ত আমি আলোচনা কৰিব বিচাৰিছো আৰু বিভিন্ন সংশোধনী দিছো। প্ৰথম কথা হ'ল এনেকুৱা এখন বিল ১৯৫১ চনত আহিছিল আৰু যিটো Cattle preservation বিষয়টো আমাৰ constitution Assembly তো আলোচনা হৈছিল অসমৰ যিসকল প্ৰতিনিধি আছিল তেখেতসকলে তাত অংশগ্ৰহণ কৰিছিল । অন্যতম এগৰাকী প্ৰতিনিধি আছিল অসমৰ প্ৰাক্তন প্ৰিমিয়াৰ চৈয়দ চাদুল্লা তেখেতে ইয়াত অংশ গ্ৰহণ কৰিছিল যদি সংখ্যাগুৰুসকলে Cow Slaughter bane কৰিব বিচাৰে কৰি দিয়ক আমাৰ আপত্তি নাই কিন্তু সেইটো নকৰি তেতিয়াও এটা কথা কোৱা হৈছিল যে, অসমত বাহিৰৰ পৰা উন্নত প্ৰজাতি সঁচ আনি পেলাই আমি ইয়াতে কেনেকৈ পশুপালন বৃদ্ধি কৰিব পাৰো আৰু অন্যান্য কাম কৰিব পাৰো এই কথাখিনি যিটো context ত সেই সময়ত আহিছিলে সেইখিনি সময়ত ভাৰতবৰ্ষত১৯৯১ চনত মাত্ৰ ৮৫০০ Tractor production হৈছিল আৰু এই বছৰ ২০২১ চনত প্ৰায় ৯ লাখতকৈ অধিক Tractor production হৈছে। সেই গতিকে তাত যিটো কথা কৈছিল খেতি বাতিৰ বাবে উন্নত প্ৰজাতিৰ সেই তেনেধৰণৰ কথাখিনিও তাত উল্লেখ আছিল যিটো বৰ্তমান বহুখিনি বাস্তৱতাৰ লগত আমি আঁতৰি যাম। মই যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দিল্লীত ইংৰাজীত দিয়া ইন্টাভিউ ওলাইছে। সেইটো সন্দৰ্ভত এতিয়া কিছু কথা ক'ব লাগিব। নহ'লে গোটেই কথাটো মই অৰ্থনৈতিক ক্ষেত্ৰতে লৈ গলো হয়।মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে মহত্মা গান্ধীয়ে কৈছিল যে এইটো বেন কৰিব লাগে। সেই কাৰণে তেখেতে মহাত্মা গান্ধীৰ কথা শুনিব বিচাৰিছে। কিন্তু আমাৰ মহাত্মা গান্ধীৰ নামত ২০১৭ চনৰ বাজেটত ১২ কোটি টকা ঘোষণা কৰা হৈছিল অসমৰ কৰ্মচাৰীসকলক দুইযোৰকৈ খাদী কাপোৰ দিব বুলি । বাজেটত দিয়া ঘোষণাটো এতিয়াও কিয় ৰূপায়ণ হোৱা নাই । সেই গতিকে আমি নিজে এনেকুৱা কৰিলে নহ'ব যে আমি কিছুমান ক্ষেত্ৰত মহাত্মা গান্ধীৰ নাম লৈ কিবা এটা কৰিবলৈ যাম আৰু সকলো সময়তে তেখেতৰ নাম আনিম। মহত্মা গান্ধীয়ে গো ক নিশ্চয় মাতৃ বুলি কৈছিল সেই গতিকে তেখেতৰ কোটেশ্বন এটা মই ক'ব বিচাৰো। গো মাতৃ আমাৰ জন্মদাত্ৰী মাতৃত কৈ বহু দিশত শ্ৰেষ্ঠ , আমাৰ মাতৃয়ে আমাক কেইবা বছৰ মানৰ বাবে গাখীৰ খুৱায় আৰু আমি ডাঙৰ দীঘল হোৱাৰ পিছত আমাৰ পৰা সেৱা -শুশ্ৰূষা আশা কৰে। মাতৃ গৰুৱে আমাৰ পৰা ঘাঁহ বনৰ বাহিৰে একো নিবিচাৰে । আমাৰ মাতৃ প্ৰায় অসুখত ভোগে আমাৰ পৰা সেৱা বিচাৰে। মাতৃ গৰু কাচিৎহে অসুখত পৰে। আমাৰ মাতৃৰ মৃত্যু হ'লে অন্ত্যেষ্টিক্ৰিয়াত আমাৰ খৰচ হয়, মাতৃ গৰুৰ মৃত্যু হ'লে জীৱিত অৱস্থাৰ সমানেপ্ৰয়োজনীয় হৈ পৰে। যিহেতু আমাৰ মৰা গৰুৰ পৰা ছাল আৰু অন্যান্য খিনি ব্যৱহাৰ কৰো। আমাৰ হাইড ইণ্ডাষ্ট্ৰী আছে ভাৰতত ইয়াৰ পৰা যথেষ্টখিনি চামৰা উদ্যোগত যায় আৰু বিশ্বৰ ভিতৰতে অন্যতম শীৰ্ষ স্থানত আছে। অসমৰ ক্ষেত্ৰতো ১৯২৪ চনতে আমাৰ ইয়াত পশুধনৰ এনেকুৱা অৱস্থা হৈছে তাৰ বাবে বৰঠাকুৰ উপাধিৰ ব্যক্তিৰ দ্বাৰা এখন কমিশ্যন গঠন কৰা হৈছিল। আমাৰ কিমান প্ৰফেশ্যনেল গেজিয়া হৈছিল এই কথাবোৰ চাবলৈ। সেয়েহে এই কথাবিলাক আজি যদিও কোৱা হৈছে কিন্তু এই নতুন বিলখনত কেতবোৰ কথা আছে। গাই গৰুক একেবাৰে Prohibition কৰিছে আৰু বাকীবোৰক ১৪ বছৰৰ ওপৰ হ'লে

fit for slaughter হ'লেহে কৰিছে। ঠিক তেনেকৈ নিজৰ ৰাজ্যৰ পৰা অন্য ৰাজ্যত যাব পাৰিব যদি তাত slaughter ৰ ৰেগুলেশ্যন আছে। ঠিক তেনেকৈ relevant authority inspection কৰিব পাৰিব। এতিয়া inspection আদিৰ ক্ষেত্ৰতো যিখিনি আইন আছে, তাত আমাৰ যি CRPC আইন আছে সেই CRPC আইনৰ ১৯৭৩ চনত Code of Criminal Procedure ৰ কথাবোৰ তাত উল্লেখ নাই। ঠিক তেনেকৈ ইয়াত ট্ৰান্সপোৰ্টেশ্যনৰ কাৰণে যদি অনুমতি নিদিয়ে সেই ক্ষত্ৰত এপীলৰ ব্যৱস্থা নাই। ঠিক তেনেকৈ অন্য এটা কথা হৈছে দূৰত্বৰ কথা। সেই দূৰত্বৰ কথাত কোৱা হৈছে যে পাঁচ কিলোমিটাৰৰ ভিতৰত। যিটো ভাৰত চৰকাৰৰ সমীক্ষা অনুসৰি আমাৰ ৰাজ্যৰ গাওঁ বা চহৰবিলাক পাঁচ কিলোমিটাৰৰ ভিতৰতে আছে। সেইকাৰণে কোনো চহৰ বা গাঁৱত মন্দিৰ যদি থাকে ইয়াৰ ব্যৱসায় বা যিখিনি বাধা দিয়া আছে সেই বাধাখিনি নাহিব। ঠিক তেনেকৈ মন্দিৰৰ কথা কোৱা হৈছে। এই কথাখিনি এইকাৰণেই কোৱা হ'ল যে কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বহুত মন্দিৰ পাতিব লাগে বুলি কৈছে। মন্দিৰৰ কথাটো আহিছে কাৰণ খ্ৰীষ্টপূৰ্ব তিনিশ বছৰৰ আগতে মন্দিৰৰ ধাৰণাটো হিন্দু সভ্যতাত নাই বুলি বিভিন্ন দেশী সাংবাদিকে কৈছে। গতিকে মন্দিৰৰ ধাৰণাটো যথেষ্ট নতুন। এই কথাখিনি মই এই কাৰণেই কৈ ল'লো যিহেতু আমি বাকীখিনি আলোচনা কৰিম। সেই আলোচনা কৰাৰ পূৰ্বে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এনে কিছুমান কথা কৈছে সেইবোৰ প্ৰকৃততে সংবিধানত আছে নে নাই বা তেখেতে কোৱা উচিত হয়নে নহয় সেই কথাখিনি বিবেচনা কৰি কোৱা হ'লে ভাল হ'লহেঁতেন। আমাৰ সংবিধান প্ৰণেতা ড° বি আৰ আম্বেদকাৰে ১৯৪৮ চনত এখন গ্ৰন্থ The Untouchables who were they and why they become Untouchables নামৰ এখন গ্ৰন্থ লিখিছিল। এই গ্ৰন্থখনত বিস্তৃতভাৱে এতিয়া যিখিনি কথা আলোচনা কৰিব বিচাৰিছো তাৰ বহুখিনি কথা ইয়াত উল্লেখ আছে। সমাজৰ এক শ্ৰেণীৰ মানুহক অস্পৃশ্য বা নিম্ন শ্ৰেণীৰ বুলি গণ্য কৰা হৈছিল। সেইখিনিকে Untouchable বুলি কোৱা হয়। যদিও তেখেত উচ্চ শিক্ষিত আছিল তথাপিতো তেওঁ পঞ্চাশ দশকৰ হিন্দু ধৰ্মৰ পৰা গৈ বৌদ্ধ ধৰ্ম ল'ব লগা হৈছিল। তেওঁৰ জীৱনত বহুতো অভিজ্ঞতা আছিল যিয়ে তেওঁক ধৰ্ম ত্যাগ কৰিবলৈ বাধ্য কৰিছিল। এই গ্ৰন্থত গো-মাংস ভক্ষণৰ বহু কথা উল্লেখ আছে। যেতিয়া দুটা সংঘাত হয় বা সংঘাতৰ ফলত যিসকলে হাৰি যায় তেওঁলোকৰ ক্ষেত্ৰত Untouchable বা তেনেকুৱাধৰণৰ কথাখিনি প্ৰযোজ্য হয় বুলি বিস্তৃতভাৱে উল্লেখ আছে। মই এই ক্ষেত্ৰত বেছি কথা ক'ব খোজা নাই। দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডি এন ঝাৰ এখন কিতাপ আছে য'ত ভাৰতত প্ৰচলিত বিভিন্ন ধৰ্ম গ্ৰন্থ আছে সেই ধৰ্ম গ্ৰন্থত কোন জাতিয়ে, কোন সময়ত, কেতিয়া ইয়াক মাংস হিচাপে গ্ৰহণ কৰিছিল সেই কথাখিনি উল্লেখ আছে। সেইখিনিলৈও যাবলৈ মোৰ ইচ্ছা নাই। যিসকলে যাব বিচাৰে ইয়াক পঢ়িব পাৰিব। অসমীয়াতো ইয়াৰ এটা সংকলন আছে। নিশ্চয় এইখিনি চালে আমি নিশ্চয় গোটেই কথাখিনি গম পাম যে কি অৰ্থনৈতিক বা ধৰ্মীয়ভাৱে কথাবিলাক গৈ আছে। য'ত ত্ৰিশ পৃষ্ঠা ৰেফাৰেঞ্চৰ কথা আছে। মাননীয় অধ্যক্ষ মহোদয়, মই এই কাৰণেই এইখিনি কথা ক'ব লগা হ'ল যে কালিদাসে কুমাৰ সম্ভৱ আৰু শকুন্তলম আদিৰ দৰে ডাঙৰ ডাঙৰ সংস্কৃতৰ গ্ৰন্থ লিখি সংস্কৃতৰ ডাঙৰ পণ্ডিত হৈছিল। কিন্তু পণ্ডিত হোৱাৰ আগতে উল্লেখ আছে যে তেখেতে এডাল গছৰ আগত উঠি গছৰ আগত বহি গছডাল কাটিব ওলাইছিল। যিটো কাম জ্ঞানী মানুহে নকৰে। তেখেতে নিশ্চয় জ্ঞানখিনি পিছতহে পাইছিল। তেখেতৰ ক্ষেত্ৰত আৰু এটা কথা কোৱা হয় যে তেখেতে কৈছিল বোলে 'অন্ন চিন্তা চমৎকাৰম' অৰ্থাৎ খাদ্যৰ চিন্তাটোৱেই ডাঙৰ চিন্তা। গতিকে আমি জীয়াই থাকিবলৈ হ'লে খাদ্যৰ কথাটো আমি চিন্তা কৰিব লাগিব আৰু আমাৰ সংবিধানে

খাদ্যৰ অধিকাৰ দিছে। কেৱল এইটো দেশীয় নাগৰিককে দিয়া নাই যি বিদেশী বা ৰিফিউজি থাকে তেওঁলোককো সংবিধান অনুসৰি খাদ্যৰ অধিকাৰ দিছে। সেইকাৰণে আমি এইবিলাক কথা এইকাৰণে আলোচনা কৰিছো যিহেতু যিবিলাক কথা পূৰ্বৰ পৰা চলি আহিছে সেইবিলাক নাইকিয়া হ'ব নেকি? আমাৰ দিল্লীত বৰ্তমান শাসনাধিষ্ঠ চৰকাৰে খেতিয়কৰ ইনকাম কেনেকৈ দুগুণ কৰিব পাৰে তাৰ বাবে এখন কমিটি বনাই দিছিল-ডালিৱাল কমিটি। এই কমিটি মতে পশুধন আটাইতকৈ ভাল। Life stock is the best insurance against agarian distress as the sector is the source of substance income and generates income more frequently than the crop sector. According to the government appointat committee doubling farmer income এই কমিটি খনে কৈছে যে পঁয়ত্ৰিশ বছৰত Life stock অৰ্থাৎ পশুধন চাব চেক্টৰটোৱে কেতিয়াও ঋণাত্মক বা নিগেটিভ গ্ৰোথ দেখুৱা নাই যদিও এগ্ৰিকালচাৰে কেতিয়াবা নিগেটিভ গ্ৰোথ দেখুৱাব পাৰে। বৰ্তমান সময়ত সেয়া হৈ আছে আৰু আমি জানো। কৃষক সকলে আন্দোলন কৰি আছে, minimum support price, বা মন্দি ব্যৱস্থাপনাৰ ইত্যাদি ইত্যাদি। গতিকে ইয়াত যিটো কথা ক'লে যে কৃষক সকলে গো পালনৰ যোগেদিহে তেওঁলোকৰ ব্যৱস্থাটো বেছি ভালকৈ চলাই নিব পাৰে আৰু কেৱল কৃষিৰ ওপৰত নিৰ্ভৰ কৰিলে প্ৰাকৃতিক দুৰ্যোগ বা বিভিন্ন কাৰণ বশতঃ যিটো যোৱা বছৰ মহাৰাষ্ট্ৰত হৈছিল, বহু কৃষকে আত্মহত্যা কৰিছিল আৰু গোটেই ভাৰততো বহুতো কৃষকে আত্মহত্যা কৰিছিল। তেনেকুৱা ধৰণৰ পৰিস্থিতিৰ পৰা ৰক্ষা পাবলৈ হ'লে আমাৰ পশুধন আমি আগুৱাই নিব লাগে। নেশ্যনেল চেম্পল চাৰ্ভে সংস্থাই সৰ্বভাৰতীয় ভিত্তিত জানুৱাৰী মাহৰ পৰা ডিচেম্বৰৰ ২০১৩ চনৰ ভিতৰত এটা সমীক্ষা কৰিছিল। ইয়াত এক লাখ দহ হাজাৰ গৃহস্থৰ ভিতৰত থকা চাৰ্ভেত দেখা গৈছিল চল্লিশ শতাংশ শিখ ধৰ্ম , বত্ৰিশ শতাংশ হিন্দু আৰু ১৮.৬ শতাংশ ইছলাম ধৰ্মী লোকে পশুপালন কৰে আৰু খ্ৰীষ্টানৰ ক্ষেত্ৰতো ১৩ শতাংশই কৰে। কিন্তু আমি যদি চাওঁ আমি দেখিম যে ভাৰতে বিশ্বৰ ভিতৰত আগশাৰীৰ ৰাষ্ট্ৰ সমূহত আছে যিসমূহে গো-মাংস ৰপ্তানি কৰে তেনেহ'লে এই মাংস ৰপ্তানি কৰিবলৈ হ'লে ইমান বিলাক গৰু ক'ত পোৱা যায়? যিসকল গো-পালক আছে তেওঁলোকে গৰু দিয়েই ব্যৱসায় এটা চলি থাকে। য'ত আছিল চল্লিশ শতাংশ শিখ ধৰ্ম, বত্ৰিশ শতাংশ হিন্দু ৰে ইয়াক যোগান ধৰে। যদিও ব্যৱসায় বিলাক বেলেগ বেলেগ ধৰ্মৰ হয়, যিবিলাক কোম্পানীৰ মালিকৰ নাম বেলেগ বেলেগ ধৰ্মৰ হয়। গতিকে আমি অৰ্থনীতিৰ কথাখিনিও যাতে ভালকৈ চাওঁ সেয়েহে এই কথাখিনি কৈ আছো। পশুধনৰ মালিকৰ সংখ্যা ২০০৭চনৰ পৰা ২০১৯ চনলৈ ৩৭ শতাংশৰ পৰা ৩৫ শতাংশলৈ নামিছে বুলি কৃষিবিভাগৰ যি পশুধন চাৰ্ভে হয় তাত উল্লেখ কৰা হৈছে। আৰু তেনেকৈয়ে population of male animal decline from 61.95 to 46.94 % 2012চনৰ পৰা 2019 চনৰ ভিতৰত হৈছে। ইতিমধ্যে ভাৰতবৰ্ষৰ প্ৰায় পোন্ধৰৰ পৰা বিশ খন ৰাজ্য পশুধনৰ ওপৰত প্ৰতিবন্ধকতা আছে। সেই কাৰণে ৰাজ্যসমূহত অন্য কিছুমান সামাজিক সমস্যাই দেখা দিছে। তাৰে ভিতৰত অন্যতম হ'ল যিবিলাক মালিক বিহীন গৰু যাক গৰাকীবিহীন গৰু বুলিও কোৱা হয়। এই গৰু বিলাকে যেনিতেনি ঘূৰি ফুৰে। কোনেও ইয়াৰ দায়িত্ব নলয়। যাৰ ফলত পথত দুৰ্ঘটনা হয় আৰু বিভিন্ন ধৰণৰ সমস্যাই দেখা দিয়ে। কঠোৰ আইনৰ বাবে গৰুবিলাক বিক্ৰী নহয় আৰু পোহপাল দিবলগীয়া হয়।যদি কোনো উপাৰ্জন নোহোৱাকৈ খুৱাই থকিবলগীয়া হয় মালিকে সেইবোৰ এৰি দিয়ে। তাৰ ফলত এইবোৰে ঘূৰি ফুৰে আমাৰ খেতি-পথাৰো নষ্ট কৰে। যাৰ ফলত যিবিলাক খেতিয়ক তেওঁলোকে কেতিয়াবা সেই

গৰুক খুব শাস্তি দিয়ে, কাঁটা তাঁৰ লগাই আৰু গৰু সমূহৰ স্বাস্থ্যৰ ক্ষেত্ৰত যথেষ্ট ক্ষতি হয়। ঠিক তেনেকৈ ২০১৭চনৰ পৰা লোৱা গো-হত্যা সম্পৰ্কীয় কঠোৰ আইনৰ ফলত আমাৰ ফাৰ্ম ইনকাম হ্ৰাস হৈছে আৰু Stray cattle ৰ সংখ্যা যথেষ্ট বৃদ্ধি হৈছে বুলি তথ্য প্ৰকাশ পাইছে। ইয়াৰ ভিতৰত মধ্য প্ৰদেশত গৰাকীবিহীন গৰুৰ সংখ্যা এশ শতাংশ হৈছে যিটো কেতবোৰ ৰাজ্যত পোন্ধৰ শতাংশলৈ বৃদ্ধি হৈছে। কিছুদিন আগতে উত্তৰ প্ৰদেশৰ পশুপালক সকলে তেওঁলোকৰ গো-শালা সমূহৰ অৱস্থা ভাল নাছিল কাৰণে তেওঁলোকৰ অলাগতিয়াল গৰু সমূহ কাৰ্য্যালয় বা স্কুলত এৰি দিয়াৰ তথ্য ওলাইছিল। মুখ্যমন্ত্ৰী মহোদয়ে ইণ্টাৰভিউটোত ক'লে যে কোনেও আপত্তি কৰা নাই। গৰুৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই Interview এটাত ক'লে যে কোনেও একো আপত্তি কৰা নাই, কিন্তু, উজনি নামনি সকলোৰে গো-পালকসকলে এই আইনখন তেওঁলোকৰ লগত আলোচনা নকৰাকৈ অনাৰ বাবে বাতৰি কাকত, টি.ভি. বা অন্যান্য মাধ্যমত বিভিন্ন সময়ত আপত্তি দৰ্শাই আহিছে। এই সম্পৰ্কত মই আপোনাক কাগজ দাখিল কৰিম। গৰুৰ ক্ষেত্ৰত কোৱা হয় যে গাই গৰুৱে চাৰি-পাঁচটা পোৱালি জন্ম দিয়াৰ পিছত গাখীৰ উৎপাদন ভাল নহয় । তেতিয়া অসমৰ গো-পালক সকলে পুৰণা গৰু বিক্ৰী কৰি নতুন গৰু কিনি পুনৰ তেওঁলোকৰ আয় বৃদ্ধি কৰাৰ বাবে যত্ন কৰে। এই আয়ৰ যোগেৰে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ পঢ়া-শুনা কৰোৱা, বেমাৰ-আজাৰ হ'লে চিকিৎসা কৰোৱা, বিবাহ-বাৰু, উৎসৱ আদিত যোগদান কৰে বুলি সাক্ষ্যৰ প্ৰমাণো ইতিমধ্যে দিছে। এই আইন যদি বলৱৎ হয়, তেতিয়া উৎপাদন নোহোৱা গৰুবোৰো যদি পুহিবলগীয়া যদি হয়, তেন্তে প্ৰতিগৰাকী গো-পালকে, প্ৰতিটো গৰু কিনাৰ বাবে প্ৰতিমাহে ৫০-৬০ হাজাৰ টকা ব্যয় কৰিব লাগিব। আমি কওঁ যে অধিক গাখীৰ খাব লাগে, White Revolution হ'ব লাগে, তেতিয়া এইটো সম্ভৱ নহ'ব। কিয়নো অকামিলা গৰু পুহিব লাগিলে গো-পালকসকলৰ লোকচান হ'ব আৰু এই ব্যৱসায়ৰ পৰা তেওঁলোক আঁতৰি যাব লগীয়াও হ'ব পাৰে। গতিকে, এই গোটেই কথাবোৰ যাতে চিন্তা কৰা হয়। ৰাজ্যসভাত চৰকাৰৰ তৰফৰ পৰা এটা উত্তৰ দিয়া হৈছিল যে গো-হত্যা প্ৰতিৰোধ আইন বলৱৎ কৰাৰ ফলত মালিকবিহীন গৰুৰ সংখ্যা বৃদ্ধি পাইছে। এইয়া এটা চৰকাৰী তথ্য। মহোদয়, আমি এই কথাবোৰ চিন্তা কৰা উচিত। ২০১৭ চনত আমাৰ দেশৰ প্ৰধান মন্ত্ৰীৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ডাঙৰীয়াই কৈছিল যে গো-পালক সকলে কম উৎপাদনশীল পশুধন বিক্ৰী কৰিবলৈ অৰ্থাৎ মাংসৰ বাবে যদি বিক্ৰী কৰিবলৈ দিয়া নহয়, তেন্তে দেশৰ দুগ্ধ উদ্যোগটো দুৰ্বল হৈ পৰিব। লগতে, তেওঁ কৈছিল যে অন্যান্য গৰু বোৰৰ যদি কোনো যত্ন নলয় তেন্তে বেমাৰ-আজাৰ হৈ ৰাস্তা-ঘাটে ঘূৰি ফুৰিব যাৰ ফলত আমাৰ সকলোৰে স্বাস্থ্যৰ প্ৰতি ভাবুকি আহিব। ঠিক তেনেদৰে, ভাৰতবৰ্ষ বিশ্বৰ দ্বিতীয় গো-মাংস সৰবৰাহকাৰী আৰু ইয়াৰ পৰা ১.৯ লাখ টন ২০১৮ চনত ৰপ্তানি কৰা হৈছিল। দুই দশকৰ ভিতৰত ভাৰতবৰ্ষই এবছৰত ১৮৫ মেট্ৰিক মিলিয়ন টন গাখীৰ উৎপাদন কৰিছিল। ২০২০ চনত European Union কো পিছ পেলোৱাৰ কথা আছিল। বোধকৰো হৈছেই। মোৰ ওচৰত শেহতীয়া তথ্য নাই। এই খণ্ডক আমি restriction ৰ সলনি উৎসাহ জনাব লাগে। কিয়নো বৰ্তমান সময়ত আমাৰ সাধাৰণ ৰাইজৰ যি অৰ্থনৈতিক দুৰৱস্থা হৈছে সেই ক্ষেত্ৰত চৰকাৰে কেৱল মাত্ৰ ৫ কেজি চাউল দি 'অন্ন যোজনা' দিছে। কিন্তু, তেল বা অন্যান্য সামগ্ৰী কিদৰে কিনিব, আমাৰ ইয়াতে কিড্‌নীৰ বেপাৰো চলে, এনেধৰণৰ বিভিন্ন অসুবিধা আছে আৰু তাৰ পৰা কিদৰে পৰিত্ৰাণ পাব ইত্যাদি কথাবোৰ অৰ্থনৈতি কভাৱে চিন্তা কৰাৰ প্ৰয়োজন আছিল। গো-শালাৰ ক্ষেত্ৰত, দিল্লীৰ এটা তথ্য আছিল যে গো-শালাত ৫০ হাজাৰ গাই গৰু দিয়া হৈছিল আৰু তিনি বছৰৰ ভিতৰত তাৰে ৪৫ হাজাৰৰো অধিক

গৰুৰ মৃত্যু হৈছে। কি কাৰণত মৃত্যু হৈছে মই ক'ব নোৱাৰিম। কিন্তু, নিশ্চিতভাৱে তাত হয়তো পুঁজিৰ অভাৱ আছিল কিয়নো গৰু পুহিবলৈ হ'লে দানা খুৱাব লাগিব, দৰৱ, পানী দিব লাগিব আৰু আন্তঃগাঁথনিও বনাব লাগিব। এইবোৰ যথেষ্ট ব্যয়বহুল। যি সময়ত আমি সকলোকে এটা ঘৰ দিব পৰা নাই তেনে সময়ত গৰুৰ বাবে আমি কিমানখিনি কাম কৰিব পাৰিম সেই কথাটো চিন্তা কৰা উচিত। মহোদয়, আমি সকলোৱে মহাত্মা গান্ধীৰ কথাক লৈ টনা-আজোৰা কৰো। কিন্তু, মহাত্মা গান্ধীয়ে এটা কথা কৈছিল যে যি সকলে এটা কামৰ ক্ষেত্ৰত সিদ্ধান্ত লয়, তেওঁলোকৰ মনত যদি কেতিয়াবা সেই সিদ্ধান্তটো ভাল হ'ব নে বেয়া হ'ব বুলি শংকা হয়, তেন্তে তেওঁ চিনি পোৱা এগৰাকী আটাইতকৈ দুখীয়া বা দুৰ্ভগীয়া লোকৰ ছবিখন মনলৈ আনিব কৈছিল আৰু তেওঁ লোৱা সিদ্ধান্ত বা কামৰ জৰিয়তে যদি ব্যক্তিগৰাকী যদি লাভৱান্বিত হয়, তেন্তে তেওঁ সেই সিদ্ধান্ত গ্ৰহণ কৰিব লাগে আৰু যদি লোকচান হয় তেন্তে সেই কাম কৰাৰ পৰা বিৰত থাকিব লাগে। আজি এই বিধেয়কখনৰ ক্ষেত্ৰতো চৰকাৰী পক্ষক এই কথাবোৰ চিন্তা কৰাৰ বাবে অনুৰোধ জনাইছো। কিছুদিন পূৰ্বে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি আহিছিল । তেতিয়া ভাৰতবৰ্ষই Food Production, Animal Husbandry আদিৰ ক্ষেত্ৰত FDA ৰ কথা কৈছিল। ব্ৰাজিলে কৰা ১৫ খন চুক্তিৰ ভিতৰত Dairy Food Processing Unit, Milk Sector ত অধিক investment ৰ কথাও কৈছে। এইখিনি কৰিবলৈ হ'লে নিশ্চিত ভাবে আমাৰ এই ব্যৱসায়টো চলিব লাগিব । কিছুদিন আগতে ধুবুৰীৰ ফালে কোনোবা ৰবি নামৰ লোকে গৰুৰ ছিণ্ডিকেট কৰে বুলি কোৱা হৈছিল । ঠিক তেনেদৰে আৰু কোনে কোনে কৰে সেয়া চিনাক্ত কৰিব লাগিব । কিন্তু, ছিণ্ডিকেট বন্ধ কৰাৰ স্বাৰ্থত সাধাৰণ গো-পালক সকলক অন্যায় কৰা হ'ব নেকি ? Monopoly System এটা হ'ব নেকি যাতে নতুনকৈ ছিণ্ডিকেটৰ জৰিয়তে ডাঙৰ কোম্পানীবোৰে সকলো লৈ যাব পাৰে। যিবোৰ লোকে পৰম্পৰাগতভাৱে চামৰাৰ কাম কৰে বা এনে অন্যান্য কাম কৰি নিজক পোহপাল দিয়ে এনেকুৱা বহু জাতি আছে, যি সকলৰ উপাধি চমাৰ বা অন্যান্য কোৱা হয়, তেওঁলোকৰ অৰ্থনৈতিক দিশটো কি হ'ব, সেই কথাখিনিও চিন্তা কৰিবলগীয়া । সেয়েহে, মই ভাবো এই বিষয়ত বহুখিনি কথা চিন্তনীয় । গতিকে, এই বিধেয়কখনৰ ক্ষেত্ৰত সিদ্ধান্ত লোৱাৰ আগতে Select Committee লৈ পঠাব লাগে । আমি কোনো পশু বিশেষজ্ঞ বা অৰ্থনীতি বিশেষজ্ঞও নহয়। সদনত আমি সংখ্যা গৰিষ্ঠতা বা সংখ্যা লঘিষ্ঠতাৰ ভিত্তিত নিশ্চিত ভাবে কিছুমান সিদ্ধান্ত লওঁ । আমি Select Committeeলৈ এইকাৰণেই পঠিয়াব লাগে কিয়নো Select Committees are often investigative in nature, collecting data or evidence for a law or a problem and will dissolve immediately after they report their findings to their superiors. Select Committee ৰ ব্যৱস্থাটো ভাৰতৰ সাংবিধানিক ব্যৱস্থাতো আছে, যিহেতু আমি তাক অনুসৰণ কৰো, গতিকে, ইয়াতো এই ব্যৱস্থা আছে । অৱশেষত, মই আৰু বেছি কথা নকৈ "Gita for Everyone" বুলি আমাৰ ধৰ্মগ্ৰন্থৰ সৰু ভাঙনি এখন আনিছো, য'ত লিখা আছে- Whatever a superior man does, the inferior man also does. People follow that which he makes as their standard. For if I ever moved not worthfully amid action man will follow may path o path from all sides. অৰ্থাৎ আমাৰ সদনৰ দলপতি মুখ্যমন্ত্ৰীক superior বুলি ধৰিছো আৰু তেখেতে যাতে ভাল সিদ্ধান্ত এটা লয় আৰু বাকী সকলেও সেই সিদ্ধান্ত অনুসৰণ কৰক। কাৰণ সিদ্ধান্তটো ভুল হ'লে সকলোৱে সেই ভুলটোকে অনুসৰণ কৰিব আৰু ই ভুল হ'ব ।

সেয়েহে, এই বিধেয়কখন যাতে Select Committeeত প্ৰেৰণ কৰে সেই কথাকে মই পুনৰবাৰ কৈ মোৰ বক্তব্য সামৰণি মাৰিছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অতি গুৰুত্বপূৰ্ণ বিধেয়ক সদনত বিবেচনাৰ বাবে উত্থাপন হৈছে । এই ক্ষেত্ৰত আপুনি মোক দু-আষাৰ ক'বলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো । “The Assam Cattle Preservation Bill, 2021” খন কিছুদিন ধৰি সংবাদ মাধ্যম তথা ৰাইজৰ মুখত বহুত চৰ্চিত হৈ আছে । অধ্যক্ষ মহোদয়, এটা কথা মই আপোনাৰ জৰিয়তে স্পষ্ট কৰিব বিচাৰিছো যে এই বিষয়টো এটা ধৰ্মীয় দৃষ্টিকোণেৰে চায়, কিন্তু মই ভাবো যে ইয়াত কোনো ধৰণৰ ধৰ্মীয় কথা জড়িত নাই । এই বিষয়টোৱে ইছলাম ধৰ্মী বা খ্ৰীষ্টান ধৰ্মী সকলৰ ধৰ্মীয় অনুভৱক যে আঘাত কৰিব এনে নহয় । ইছলামধৰ্মী বা খ্ৰীষ্টান ধৰ্মীয়ে যে খাব লাগিব সেয়া compulsory নহয় । অন্য খাদ্যৰ নিচিনাই এটা খাদ্য । গতিকে, এই ক্ষেত্ৰত ধৰ্মীয় দৃষ্টিকোণেৰে নাচাই অন্য দৃষ্টিকোণেৰ চাব লাগিব । অধ্যক্ষ মহোদয়, প্ৰথম কথাটো হ'ল যে সুদূৰপ্ৰসাৰী আইন এখন যেতিয়া অনা হ'ল, সেই আইনখনৰ প্ৰয়োজনীয়তা তথা অসমৰ আৰ্থ-সামাজিক পৰিস্থিতিত ইয়াৰ প্ৰয়োজনীয়তা কিমান বা ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ কি হ'ব, ইত্যাদি কথাবোৰ আমাৰ বিবেচনা কৰা বিষয়। আমাৰ কেৱল ভাৰততেই নহয় পৃথিৱীৰ সকলো জীৱ বিজ্ঞানী বা প্ৰকৃতিপ্ৰেমী সকলে যিবোৰ লুপ্তপ্ৰায়ী প্ৰাণী আছে সেইবোৰক সংৰক্ষণ কৰাৰ ক্ষেত্ৰত গোলকীয় চিন্তা-চৰ্চা চলি আছে। গতিকে, প্ৰথমে আমি চিন্তা কৰিব লাগিব যে গৰু লুপ্তপ্ৰায়ী প্ৰজাতি নেকি? অধ্যক্ষ মহোদয়, আমি যদি তথ্য চাওঁ, চলিত বিধান সভা অধিবেশনত বিগত কেইবাবছৰত অসমত গৰুৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি হৈছে নে কমি আহিছে বুলি মই ৰাজ্য চৰকাৰক প্ৰশ্ন কৰিছিলো আৰু গৰুৰ সংখ্যা বছৰে বছৰে অসমত বৃদ্ধি হৈ থকা বুলি মোক উত্তৰ দিছিল। তথ্য মতে, যোৱা যোৱা ২০২০চনৰ survey মতে, অসমত ১ কোটি ৯ লাখ ৯ হাজাৰ তিনি শ সাতাইশটা গৰু আছে। ক্ৰমান্বয়ে গৰুৰ সংখ্যা বৃদ্ধি হৈ আছে। দুবছৰ আগতে এক লাখ গৰুৰ সংখ্যা অতিক্ৰম কৰিছিল আৰু তাৰ আগৰ বছৰৰ পৰা ৮৫ হাজাৰ, ৯০ হাজাৰকৈ বৃদ্ধি হৈ ২০২০ চনত ১ কোটি ৯ লাখ চুইছে। এই দৃষ্টিকোণৰ পৰা চালে, অসমত গৰু লুপ্তপ্ৰায়ী প্ৰজাতি নহয়।

যিহেতু এইটো সদনত দিয়া চৰকাৰৰ তথ্য। দ্বিতীয় কথাটো হ'ল অসমত এই আইনখন কাৰ্যকৰী হলে, মই এইটো নাভাবো যে খাদ্যভ্যাসৰ পৰিৱৰ্তন হোৱাৰ বাবে কাৰোবাৰ কিবা ক্ষতি হব। আমি আৰ্থ-সামাজিক দৃষ্টিকোণৰে কথাটো বিবেচনা কৰিব লাগিব।আৰ্থ-সামাজিক দৃষ্টিকোণৰ পৰা চালে বিধান সভাত মোক যিটো তথ্য ৰাজ্য চৰকাৰে দিছে, এই তথ্যমতে অসমত আটাইতকৈ বেছি গো-পালক আছে লক্ষীমপুৰ জিলাত। লক্ষীমপুৰ জিলাত ২০২০ চনৰ চাৰ্ভে মতে তাত ৬ লাখ ৫৪ হাজাৰ গৰু আছে। আৰু দ্বিতীয় স্থানত আছে ধেমাজি জিলা, য'ত ৫ লাখ ৪৩ হাজাৰ গৰু আছে। তাৰ পিছত গোলাঘাট , নগাওঁ, চিৰাঙকে ধৰি সমগ্ৰ অসমত ২০২০ চনৰ ভিতৰত ১ কোটি ৯ লাখ ৯ হাজাৰ গৰু আছে। যোৱা কেইবছৰত গৰুৰ সংখ্যা অসমত ১২ শতাংশৰ পৰা ৬০ শতাংশ বৃদ্ধি পাইছে আৰু এতিয়া গৈ ২০২০ চনত ১ কোটি ৯ লাখ ৯ হাজাৰ হ'ল। এতিয়া কথা হ'ল আমি এই সংৰক্ষণৰ বিলখন কিয় আনিবলগীয়া হ'ল। লুপ্তপ্ৰায় এটা প্ৰাণীৰ কাৰণে সংৰক্ষণ কৰিবলগীয়া হ'ল নেকি, এইটোতো সম্ভাৱনা নাই যিহেতু ইয়াৰ সংখ্যা বৃদ্ধি হৈ আছে। আমাৰ Socio-Economic দৃষ্টিকোণৰ পৰা এই আইন খনে কি প্ৰভাৱ পেলাব। মাননীয় অধ্যক্ষ

মহোদয়, তথ্য মতে দেখা যায়, বছৰি অসমত কৃষকে ৪০ লাখ মান গৰু বিক্ৰী কৰে । তাত এটা গৰুত adverage যদি ৫০ হাজাৰকৈ ধৰা হয় দেখাযায় অসমৰ কৃষকে ২০ হাজাৰ কোটি টকা আয় কৰি আছে। এই আইন খনৰ যিবিলাক ধাৰা আছে, আইনখন কাৰ্যকৰী হোৱাৰ লগে লগে ৯৮ শতাংশ বিক্ৰী কমি যাব। ৯৮ শতাংশ যেতিয়া বিক্ৰী কমি যাব য'ত ২০ হাজাৰ টকা কৃষকে বছৰি পাই আছে তেতিয়া বিক্ৰীতো যদি ৫ শতাংশ ধৰা হয় তেতিয়া এক হাজাৰ কোটি টকা কিনা-বেচা হব আৰু ১৯ হাজাৰ কোটি টকা কৃষকে লোকচানৰ সন্মুখীন হব। সেই কাৰণে অধ্যক্ষ মহোদয়, বিগত কিছুদিন ধৰি সংবাদ মাধ্যমত, Social-Media ত এই আইনখনলৈ আটাইতকৈ বেছি প্ৰতিবাদ যদি কৰিছে ধেমাজি, লক্ষিমপুৰ আৰু বিশ্বনাথ চাৰিআলিত। আমি video বিলাকত দেখিছো তেওঁলোকে কান্দি আছে যে ৰাজ্য চৰকাৰে এই আইনখন পাৰিত কৰিলে আমি ধবংস হৈ যাম। কাৰণ তেওঁলোকে কৈ আছে আমি বেংকত ধন জমা নাৰাখো। আমাৰ যদি কেতিয়াবা ২০-২৫ হাজাৰ টকা আহে তেতিয়া আমি গৰু পোৱালী কিনি ৰাখো। অসমৰ যিটো পৰিবেশ পৰিস্থিতি, গৰু পালনৰ কাৰণে উপযোগী। বিধান সভাত ৰাজ্য চৰকাৰে দিয়া তথ্য মতে ২০২০ চনত অসমত ম'হৰ সংখ্যা আছিল ৪ লাখ ২৭ হাজাৰ, গৰু আছিল ১ কোটি ৯ লাখ। গতিকে দেখা যায় ম'হতকৈ গৰু প্ৰায় ২২-২৩ গুণ বেছি হব। ধেমাজি, লক্ষীমপুৰ আদি জিলাৰ জনসাধাৰণে গৰু বিক্ৰী কৰিয়েই তেওঁলোকৰ দৈনন্দিন জীৱনৰ সকলোবোৰ অভাৱ, সমস্যা গৰু বিক্ৰী কৰিয়েই পূৰণ কৰি আহিছে। তেওঁ লোকে এটাই কথা কৈছে যে কিবা জটিল বেমাৰ, বিয়া-বাৰু আদিত গৰু বিক্ৰী কৰিয়ে সমস্যাৰ সমাধান কৰা হয় ।গাই-গৰু ৰ দাম বেছি হোৱাৰ কাৰণে কোনেও নিকিনে আৰু গাই-গৰুৰে পোৱালী দিয়ে আৰু গাখীৰ দিয়াৰ ক্ষমতা থকাৰ কাৰণে কোনেও বিক্ৰীও নকৰে। আজি-কালি ৯০ শতাংশতকৈও বেছি হাল ট্ৰেক্টৰৰে বাই, বলধ গৰুৰ ব্যৱহাৰ আজি-কালি নাইয়ে। সেই কাৰণে বলধ গৰুবোৰ যেতিয়া বিক্ৰী কৰিব নোৱাৰিব আৰু inter district restriction যিটো লগোৱা হ'ল, transportation ৰ যিটো restriction লগোৱা হ'ল, ইয়াত যিবিলাক criteria দিয়া হৈছে, সেই মতে চাবলৈ গ'লে এক শতাংশও নাথাকে, হয়টো ০.০১ শতাংশ মান হব পাৰে। যাৰ কাৰণে ৯৯ শতাংশ গৰু বিক্ৰী কমি যাব। যদি বিক্ৰী কৰিবই নোৱাৰে তেনেহলে এনেই মানুহ ৰাখি, দানা খোৱাই গৰু বিলাক ৰাখি কি লাভ হব? এৰি দিব। বিৰোধী দলৰ দলপতিয়ে কোৱাৰ নিচিনা উত্তৰ প্ৰদেশ, গুজৰাটৰ নিচিনা হব। তাত হাজাৰ হাজাৰ গৰু ৰাস্তা ঘাটত ঘুৰি-ফুৰে, গাড়ীৰ আগত পৰি মৰে, মানুহৰ খেতি পথাৰত ৪শ ৫শ গৰু গৈ শস্যবিলাক তহিলং কৰে, ফলস্বৰূপে তাত টাস্কফোৰ্চ গঠন কৰিব লগীয়া হ'ল, টাস্কফোৰ্চ ৰ কাৰণে ৭৫০ নিযুক্তি দিব লগীয়া হ'ল, আকৌ গাড়ীৰ আগত পৰি যিবিলাকৰ মৃত্যু হয়, সেইবিলাক উঠাই নি পুতিবৰ কাৰণে মাষ্টাৰ ৰোল কৰ্মচাৰী নিয়োগ কৰিব লগীয়া হ'ল। উত্তৰ প্ৰদেশত যোৱা ২০১৯ চনৰ তথ্যমতে দৈনিক ৪২৬ টা গৰাকীবিহীন গৰু গাড়ীৰ আগত পৰি মৃত্যু হয়। কৃষকে গৰু বিলাক মুকলি কৰি দিয়াৰ কাৰণে এনেকুৱা ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। গতিকে আমি আৰ্থ-সামাজিক দিশটোৰ কথা চিন্তা কৰিব লাগিব। এতিয়া আমাৰ GST ত এটা বহুত ডাঙৰ অৰিহণা হৈ আছে, গতিকে সেইটো কিন্তু আমাৰ বিৰাট লোকচান হব। ইয়াৰ বাবে ৰাজকোষৰ পৰা খৰছহে কৰিব লগীয়া হব। গতিকে অধ্যক্ষ মহোদয়, মই বাৰে বাৰে কৈ আছো যে কাৰো ধৰ্মৰ কোনো ক্ষতি নহয় ।আমি আৰ্থ-সামাজিক কথা বিলাক ইয়াত গুৰুত্ব সহকাৰে লব লাগিব। ইয়াত কিছুমান legal remedies ৰ কথা কোৱা হৈছে। কোনোৱাই যদি পশুচিকিৎসা বিভাগত আবেদন কৰিছে, কিন্তু certified নিদিলে legal remedies নাপাব। দিল্লীৰ permit থাকিলেও অসমৰ পৰা বাহিৰৰ ৰাজ্যতো

সৰবৰাহ কৰিব নোৱাৰিব যি ৰাজ্যত Slaughter of Cattle is not regulated by Law সেইবিলাকত ইয়াৰ পৰা পঠিয়াবও নোৱাৰিব আৰু Inter District Transportation ৰ কাৰণে Veterinary purpose হওঁক বা Agriculture purpose হওঁক কিছুমান এনেকুৱা আছে যে এজন মানুহৰ ঘৰ এখন জিলাৰ সীমাত আছে ,সেই পথেৰে আন এখন জিলাত যাব লগা হয় বা এনেকুৱাও হয় যে গৰুটো য'ত এৰাল দিছে সি দুয়োখন জিলাতে ঘাঁহ খাই আছে। ইয়াত Inter District ৰ ক্ষেত্ৰত কোৱা হৈছে যে গৰুটো খোজ কঢ়ায়ো লৈ যাব নোৱাৰিব, এনেকুৱা ধৰণৰ বাধা ইয়াত আছে। ধৰক পশু চিকিৎসকৰ ওচৰত যাব , এক কিঃমিঃ দূৰত হস্পিতালখন হয় কিন্তু বেলেগ জিলাত পৰে। গতিকে আমি সংশোধনী বিলাকত আনিছিলো যে Inter District Transportation ত থকা বাধা আঁতৰাই ৰাজ্যৰ ভিতৰত সৰবৰাহ কৰিবলৈ অনুমতি দিব লাগে, নহলে আমাৰ বহুত সমস্যা আহিব । অৱশ্যে আমি চৰকাৰৰ স্পিৰিটটোক ভাল পাইছো যে যিবিলাক অঞ্চলত গো-মাংস নোখোৱা মানুহ বসবাস কৰে তাত প্ৰচলন হ'ব নালাগে। এই স্পিৰিটটোক আমি সন্মান জনাইছো। তাৰোপৰি য'ত মন্দিৰ, সত্ৰ, নামঘৰ আছে তাৰ পৰা ৫ কিঃ মিঃৰ যিটো নিষিদ্ধতা আৰোপ কৰিছে এই ক্ষেত্ৰত অসমত কোনো জাগাই দৰাচলতে নাথাকিব য'ত গো-হত্যা কৰিবপৰা যাব। তাতকৈ অসমত আৰু গো-হত্যা নিষেধ বুলি বিলখন অনাই ভাল আছিলে।

**গতিকে এই কথাটো, মই ভাবো যদিহে Government য়ে ভাবিছে, যিহেতু ইয়াতে market টো হ'ব registered Cow market আৰু তাৰ পৰা যিহেতু চৰকাৰে tax পাব, যিটো বেচা-কিনা হ'ব বা slaughter house টো registered হ'ব আৰু তাৰ পৰা ৰেভিনিউ আহিব লাগে, এইটো অহাটো ভাল, আমাক ৰেভিনিউ লাগে, কিন্তু কথাটো হ'ল যে এনেকৈ যদি আমি criteria লগাই দিওঁ ক'তো slaughter house নহ'ব বা registered market ৰ পৰা কিনা বেচা কৰিবই নিদিওঁ তেতিয়া সেই ৰেভিনিউটোও চৰকাৰে নাপাব। আমি ভাবো যে ইয়াত শিথিলতা আনি অন্ততঃ ৰেভিনিউ জেনেৰেশ্যনৰ এটা scope ৰাখিব লাগিছিল আৰু তাৰ লগতে এটা কথাত আমি একমত যে য'ত non beef eating community আছে তাত slaughter house হ'ব নালাগে। কিন্তু ক'ৰবাত সত্ৰ বা মন্দিৰ আছে তাৰ পৰা এইটো চাইদত non beef eating কোনো community নাই আধা কিঃমিঃ দূৰত দিব পাৰে। য'ত তেওঁলোকৰ কাৰো চকুত নপৰে। অন্ততঃ criteria বিলাক মোৰ মতে বিজ্ঞান সন্মত হোৱা নাই, আৰু তাৰ লগে লগে religious occasion কথাটো এটা দিছে যে কেতিয়াবা কালী পূজাত যেনেকে বলি বিধানৰ কথা আছে, কোৰ্বানী, মহৰম, যেনেকৈ ঈদৰ কথা আছে, ৰমজানৰ কথা আছে। এইটো কিন্তু defend কৰা হোৱা নাই provided that the Government may exempt, exempt টো কৰিব পাৰে কিন্তু এইটো মই ভাবো যে এই দফা হিচাপে আনি ক্লীয়াৰিফাই কৰিব লাগিছিল যে ধৰ্মীয় কথা বিলাক কিন্তু ইয়াত অনা হোৱা নাই। আৰু এটা ভয়ঙ্কৰ কথা আছে যে ভেটেৰিনেৰি অফিচাৰ আৰু sub-inspector level ৰ পুলিচ অফিচাৰে একেলগে গৈ যিকোনো premises ত তেওঁলোকে inspect কৰিব পাৰিব। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত হ'ব কি, মোৰ লগত যদি কাৰোবাৰ কাজিয়া আছে, মই যদি এনেয়ে গৈ কওঁ যে ইয়াৰ ঘৰত কিবা আছে, এনেয়ে আহি তেওঁৰ ঘৰ ঘেৰাও কৰি পাকঘৰত গৈ চালে, এনেও এইবিলাক বহুত কাহিনী হৈ আছে। অধ্যক্ষ মহোদয়, আপুনি জানে যে ইউ পি ত আঠলাট য'ত মন্দিৰত এনাউঞ্চ কৰি গৈ তাৰ ঘৰত আক্ৰমন কৰা হ'ল, পিছত গৈ ফৰেনচিকত গৈ যেতিয়া মাংস খিনি পৰীক্ষা কৰা হয়,**

তেতিয়া গম পোৱা গ'ল যে সেইখিনি মাটন আছিল। তেওঁৰ ফ্ৰীজত মাটন আছিল। কিন্তু তেওঁক মাৰিয়েই পেলালে। পেহেলুখান, ৰগবৰখান এনেকুৱা ধৰণৰ বহুত ঘটনা তাত ঘটি আছে। ultimately এনেকুৱা এটা চিতুৱেশ্যনলৈ থেলি দিয়া হ'ব নেকি ৰাজ্যখনক ? গতিকে কথাবিলাক বহুত চিন্তা কৰিবলগীয়া বিষয় আছে ইয়াত। ইয়াৰ পিছত আৰু এটা কথা ইয়াত আছে, অধ্যক্ষ মহোদয়, যে যিটো vehicle ত গৰু বিলাক নিব সেইখন চিজ কৰা হ'ব। ড্ৰাইভাৰক শাস্তি দিয়া হ'ব। vehicle ৰ কথাটো হ'ল যে এই registered cow market ৰ পৰা কিনিছে, তাৰ ভেলিড দলিল আছে, বয়স ১৪ বছৰ হৈছে নে নাই গৰু-ম'হৰ ড্ৰাইভাৰে এই বিলাক চাব নেকি ? আচলতে গাড়ীখন লৈ ড্ৰাইভাৰ সকল বৈ থাকে ভাড়া এটা পালে লৈ গ'ল। কিন্তু তাত যিটো শাস্তিৰ ব্যৱস্থা কৰা হৈছে, এইটো মোৰ মতে অলপ অতিৰঞ্জিত হৈ গৈছে। তাৰ পাছতো ৮ বছৰলৈকে জেইল। ৩ লাখ টকাৰ পৰা ৫ লাখ টকালৈকে জৰিমনা। আকৌ যদি ২য় বাৰৰ বাবে ধৰা পৰে, তাত ডাবোল জৰিমনা। এনে ধৰণে ডকাইত, ধৰ্ষণ বা ভয়ঙ্কৰ অপৰাধীতকৈও আৰু বহুত বেছি তেনেকুৱা ধৰণৰ শাস্তি দিয়া হৈছে আৰু তেওঁলোকৰ ফটোগ্ৰাফ বিলাক চাৰিআলিত, থানা আদিত দিয়া হ'ব, যাতে তেওঁলোকক বিচাৰি উলিয়াব পাৰি। ভয়ঙ্কৰ উগ্ৰপন্থী বা যি সকল ধৰ্ষণকাৰী, নাৰী সুৰক্ষাৰ কাৰণে ইয়াতকৈ আৰু কঠোৰ আইন আনিব লাগে। আমি ইমানবাৰ কৈ আছো, যে নাৰীৰ সুৰক্ষাৰ কাৰণে আইন আনক অসমত। কিন্তু নাৰীৰ সুৰক্ষাৰ কাৰণে ইয়াৰ আধাও শাস্তি প্ৰদানৰ কথা নাই। য'ত mob lynching ৰ কাৰণেও নাই। আমি এই বিধান সভাত কিমানবাৰ ক'লো নাৰী সুৰক্ষাৰ কাৰণে আনক। ৮ বছৰৰ ঠাইত ডাবোল হৈ ১৬ বছৰ হ'ব, কিন্তু ইমানবাৰ কোৱাৰ পিছতো নাৰীৰ সুৰক্ষাৰ কথা নাই। তেওঁলোকৰ ফটোগ্ৰাফ দি এইটো এটা মাৰ্কেটিং কৰাৰ দৰে হৈছে। এই বিলখন অধ্যক্ষ মহোদয়, মাৰ্কেটিং কৰাৰ নিচিনা হৈছে। ক'ৰবাত গৈ ক'ব পাৰিম যে আমি এনেকুৱা এখন বিল আনিছো, আপোনালোক সন্তুষ্ট হয় নে নহয় ? এনেকুৱা এটা কথা হৈছে অধ্যক্ষ মহোদয়। ইয়াৰ পিছত আৰু এটা কথা ইয়াত আছে, male আৰু female buffalo, এইটো ইয়াত অনা হৈছে। আমি দেখিছো ইউ পি, গুজৰাটত কিন্তু cow protection Bill ত buffalo, কিন্তু তাত নাই। কিন্তু আমাৰ ইয়াত buffalo, বিলাককো চিডোলত আনি কৰা হৈছে। সেই কাৰণে আমি আমাৰ amendment ত দিছিলো। নামটোতো আমাৰ amendment আছিল, The Assam Cattle Preservation ৰ পৰিবৰ্তে The Assam Cow Preservation Bill, 2021 হ'ব লাগে। সেইটোতো আমি amendment দিছিলো। buffalo টো exempt কৰিব লাগে। য'ত ইউপি, গুজৰাট য'ত হিন্দুত্ববাদৰ কাৰখানা বুলি কয়, তাত কিন্তু buffalo টো exempted. সেই কাৰণে আমি কৈছিলো যে The Assam Cow Preservation Bill, 2021 হ'ব লাগে, আৰু তাৰ লগে লগে আৰু এটা কথা কৈছো অধ্যক্ষ মহোদয়, যে beef পৃথিবীৰ ভিতৰত আছে, ভাৰতবৰ্ষত beef ৰপ্তানি কৰা ২য়খন দেশ য'ত আল কবিৰ বিফ এক্সপোৰ্ট লিমিটেড মিঃ চটিশ শৰ্ম্মা যাৰ মালিক। মিঃ চটিশ শৰ্ম্মা ৰ আল কবিৰ বিফ এক্সপোৰ্ট লিমিটেড এইটোৱে বছৰি ৬৫ হাজাৰ মেট্ৰিকটন বিফ ৰপ্তানি কৰে। তাৰ পিছতে আছে চাব্ৰাৱাল, আৰ কে চাব্ৰাৱালৰ যিটো এৰাবিয়ান বিফ এক্সপোৰ্ট লিমিটেড এইটোৱে ৫৮ হাজাৰ মেট্ৰিকটন বছৰি বিফ ৰপ্তানি কৰে। ঠিক তেনেকৈ এ এচ বিন্দ্ৰাৰ যিটো ফ্ৰজেন ফুড এক্সপোৰ্ট লিমিটেড সেইটোৱে বছৰি প্ৰায় ৪৫ হাজাৰ মেট্ৰিকটন বছৰি বিফ ৰপ্তানি কৰে। ক'ৰ পৰা কৰে, য'ত cow slaughtering টো আইন মতে নিষিদ্ধ। মহাৰাষ্ট্ৰ, ইউপি, তাৰ পৰা কিন্তু এই ৰপ্তানি কৰে। অসমত এনেকুৱা এটা কাৰবাৰ কৰা কথাটো ইয়াত আছে নেকি সেইটো সন্দেহ হয়।

গতিকে মাননীয় অধ্যক্ষ মহোদয়, ইয়াত বহুত কথা আছে, কম সময়ত আজি এইখিনি কথা ক'ব নোৱাৰি। এইটো ইমান সোনকালে এনেকৈ পাছ কৰিলে, ভয়ঙ্কৰ ক্ষতি হ'ব ২০ হাজাৰ কোটি টকা অসমৰ কৃষকৰ লষ্ট হ'ব। গতিকে আজি এইখন পাছ নকৰি Select Committee ত দি দিয়ক। এইটো পুংখানু-পুংখভাবে তাত পৰ্য্যালোচনা কৰিব লাগিব, নহলে কৃষকসকলে কান্দিব। এটা সময়ত চৰকাৰে আপচোচ কৰিব কি সাংঘাটিক ভুল কৰিলো। গতিকে এইটো Select Committee ত দিয়া হওক। এইটো মই দাবী জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, এতিয়া মনোৰঞ্জন তালকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে দুজন বক্তাই এই আইনখনৰ সম্পৰ্কত বহুত বক্তব্য তুলি ধৰিছে। মই এই আইনখনৰ ২০ টা'ৰ ওপৰত amendment দিছো। এই কাৰণেই দিছো কাৰণ এই আইনখন যদি as it is গ্ৰহণ কৰা হয় তেতিয়া হলে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট পৰিমানৰ আমি ক্ষতিৰ সন্মুখীন হম। ইতিমধ্যে আমিনুল ডাঙৰীয়াই কৈছে কথাটো ২০ হাজাৰ কোটি টকা অকল গৰু বিক্ৰীৰ পৰা যিটো আয় হয় সেইটো আয় হয়তো হেৰাব। অকল সেইটোৱে নহয় আৰ্থিক ক্ষেত্ৰত এই আইনখনে প্ৰভাৱ পেলাব, এইটো ভয়ঙ্কৰ । কাৰণ আমাৰ অসমৰ চোচাইটিখন এটা ধৰ্মৰো নহয়, এটা ভাষাৰো নহয় , ইয়াত সকলো ধৰ্মৰ সকলো ভাষা- সংস্কৃতিৰ মানুহ আছে, আৰু গৰুৰ এই বিষয়টো গৰু পোহাৰ কথাটো মই ইতিমধ্যে আমিনুল ডাঙৰীয়াই এইটো তুলি দিছে যে লক্ষীমপুৰতেই আটাইতকৈ বেছি গৰু আছে। তাৰ পিছত ধেমাজিত গৰু আছে, গোলাঘাটত গৰু আছে, চিৰাঙত গৰু আছে, মই সংখ্যাৰে ইয়াক ভাৰাক্ৰান্ত কৰিব নাযাওঁ, কিন্তু কথাটো হৈছে এই গৰু বিলাক যি সকলে পুহিছে মই নিজৰ অঞ্চলতো দেখা পাইছো যে আবেলি হ'লে বহুত কৃষকে বটলত গাখীৰ আনি সান্ধ্য বজাৰত হওঁক বা ৰাস্তাৰ কাষৰ দোকান য'ত থাকে, তাতে গাখীৰ আনি বিক্ৰী কৰে আৰু ৰাতিপুৱাৰ ভাগত সেই গাখীৰ বিভিন্ন দোকানে পোহাৰে দিয়ে য'ত গাখীৰৰ চাহিদা থাকে। এতিয়া সেই মানুহ বিলাকক এটা ধৰ্মৰে বান্ধিবও নোৱাৰি, এটা ভাষা-সাহিত্য-সংস্কৃতিৰে বান্ধিবও নোৱাৰি। এতিয়া গৰুৰ গাখীৰ বা গৰুটো আমাৰ জীৱিকাৰ লগত একেবাৰে সংপৃক্ত হৈ আছে, জড়িত হৈ আছে। আজি যিখন আইন আনিব বিচৰা হৈছে এই আইনখনৰে যদি কোৱা হয় যে গৰু, গাই গৰু বিক্ৰীয়েই কৰিব নোৱাৰে, এতিয়া গাই গৰু এজনীয়ে গাখীৰ কেতিয়াৰ পৰা দিয়ে, ২ বছৰ বয়সৰ পৰা আৰম্ভ কৰে। ২ বছৰ , আঢ়ৈ বছৰ,তিনি বছৰ, কিমান দিনলৈকে গাখীৰ দিয়ে? ১০ বছৰ। ১০-১১ বছৰৰ পাছত গাই এজনীয়ে গাখীৰ নিদিয়ে। যদি নিদিয়ে সেই গাইজনী আমাৰ গৰীৱ কৃষকৰ কাৰণে কি হ'ব? বোজা এটা হৈ যাব। আমাৰ কোনোবাই হয়তো কৈ দিব যুক্তিৰে যে এইটো গো-শালালৈ দি দিয়ক। সেই ধৰণৰ infrastructure আমাৰ গঢ়ি উঠা নাই আৰু গো- শালাৰ অৱস্থাটো কি হৈছে? গোটেই ভাৰততে গো-শালাক লৈ বিভিন্ন বিতৰ্ক হৈছে, বিভিন্ন কথা উল্লেখিত হৈছে, তাৰ পৰিচালনা সম্পৰ্কত আৰু গো-শালাত কি ধৰণৰ কাণ্ড-কাৰখানা ঘটে, সেই বিলাক কথা পোহৰলৈ আহিছে, কিন্তু মই সেই বিলাকলৈ যাব খোজা নাই। এতিয়া যদি এইটো অৱস্থা হয়, তেতিয়াহলে গাই এজনী পুহিব কিয়? এজন কৃষকৰ শেষত গৈ এনেকুৱা এটা অনিহা আহিব যে ১০ বছৰ পাছত যদি সেই গাইজনী বিক্ৰী কৰিব নোৱাৰোৱেই তেতিয়া হলে মই এই গাইজনী কেলেই পুহিম? ১০ বছৰৰ পাছত গাইজনীৰ আয়ুস কিমান? ২২-২৫ বছৰ এজনী গাই বাচি থাকে, ১০ বছৰৰ পাছত another 8 years or 10 years এই গাইজনী পোহপাল কৰিব লাগিব। এজন কৃষকে এই গাইৰ গাখীৰ বিক্ৰী কৰি জীৱিকা উপাৰ্জন কৰিছিল, আনুসংগিক

**কামবিলাক কৰিছিল। এতিয়া দমৰাৰ ক্ষেত্ৰত কোৱা হৈছে যে ১৪ বছৰ বয়সৰ পাছত দমৰা এটা ¡ÂS ï ßÅ¡1 Â Â±¡1 Â, certify কৰি বিক্ৰীৰযোগ্য বয়স হলে বিক্ৰী কৰিব পাৰিব। তাত যিবিলাক procedure আছে সেইবিলাকৰ জটিলতাটো আছেই।** দমৰাৰ ক্ষেত্ৰত কোৱা হৈছে যে ১৪ বছৰ বয়সৰ পাছত বিক্ৰী কৰি পাৰিব clarify কৰি। তাত যিবিলাক procedure আছে সেইবিলাকৰ জটিলতাটো আছেই। দমৰা এটা সাধাৰণতে ৪-৫ বছৰত কাৰ্যক্ষম হৈ উঠে। যেতিয়া ১৪ বছৰ হ'ব দমৰাটোৰ, সেইটো বৃদ্ধ বছৰলৈ গতি কৰে। এনেকুৱা এটা দমৰা ১৪ বছৰ পাছত কোনে কিনিব? বিক্ৰীৰ permission দিলেও তাৰ বিক্ৰী মূল্য একেবাৰেই নথাকে। কিন্তু গৰু দমৰাই হওক বা গাইয়ে হওক, আমাক বিভিন্ন সময়ত প্ৰয়োজন হয়। যেতিয়া গৰুটো বিক্ৰী কৰি আমি সেই প্ৰয়োজন পূৰণ কৰো, বা কেতিয়াবা ল'ৰাটোৰ admission ৰ বাবে পইচা নাই, তেতিয়া গৰুটো বিক্ৰী কৰো, ছোৱালীজনীৰ বিবাহৰ বাবে টকাৰ প্ৰয়োজন হ'লে গৰু বিক্ৰী কৰো বা তেনেকুৱা ধৰণৰ বিভিন্ন কামত আমি গৰু বিক্ৰী কৰো। এইবাৰ আমাৰ যিটো হকী দলে অলিম্পিকত মেডেল লৈ আনিলে জাপানৰ টকিঅ'ৰ পৰা সেই দলৰ goal keeper শ্ৰীজেশৰ দেউতাকে statement দিছে যে যেতিয়া তেওঁ হকী খেলিবলৈ আৰম্ভ কৰে, হকী kit টো কিনিবলৈ ১০-১২ হাজাৰ টকাৰ প্ৰয়োজন হৈছিল, যিটো দেউতাকে দিব নোৱাৰে। তেতিয়া শ্ৰীজেশৰ দেউতাকে গৰু বিক্ৰী কৰিহে তেওঁক হকীৰ kit টো কিনি দিছিল। এয়াই হ'ল আমাৰ জনসাধাৰণৰ বাস্তৱতা। আমি যদি ১৪ বছৰ বয়সলৈকে গৰু বিক্ৰী কৰিব নোৱাৰো, সেই দমৰাটো আমি ইমান দিনলৈ পুহি ৰাখিব লাগিব। গৰুৰেদি হাল বোৱাটো অসমত এতিয়া কমি গৈছে, কাৰণ এতিয়া অসমত ৭ লাখতকৈয়ো বেছি ট্ৰেক্টৰ আছে। ট্ৰেক্টৰেৰে হাল বায় আৰু আমাৰ যেতিয়া অতি বিশেষ প্ৰয়োজন হ'ব, সেই সময়তো আমি গৰুটো বিক্ৰী কৰিব নোৱাৰিম। গতিকে এনে ধৰণৰ এখন আইন অসমলৈ মাতি আনি বিপৰ্যয় ননাই ভাল। ইতিমধ্যে আমি কৈছো যে লখিমপুৰত গৰু পোহে, ধেমাজিত গৰু পোহে। এইবিলাক ঠাইত ব্যৱসায়িক ভিত্তিত গৰু পোহা আৰম্ভ হৈছে। এইটো আদৰণীয়। এইধৰণৰ কৰ্ম কাণ্ড যদি স্তব্ধ হৈ যায়, তেতিয়াহ'লে অসমৰ যিটো অৰ্থনীতি, মই কোনো সম্প্ৰদায়ৰ নাম ল'ব খোজা নাই, কিন্তু বেছিভাগ নেপালী সম্প্ৰদায়ৰ মানুহে গৰু পোহে আৰু আজি কালি গাঁৱে-ভূঞে আমাৰ অসমীয়া হিন্দু মানুহেও গৰু পোহে। এইধৰণৰ আইনখন আনিলে আমাৰ নিচিনা সংখ্যা গৰিষ্ঠ লোকেই ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনীয়তাই দেখা দিছে। সামাজিক ক্ষেত্ৰতো মানুহৰ মাজত টেনশ্যন সৃষ্টি হ'ব। এইধৰণৰ কথা বতৰা বিলাকো আছে। কিন্তু মানুহৰ যিটো গণতান্ত্ৰিক অধিকাৰ, যিটো fundamental rights এইটোত হস্তক্ষেপ কৰাৰ অধিকাৰ আমাৰ আছে নে নাই? মানুহৰ খাদ্যৰ অধিকাৰটো fundamental rights। মানুহে নিজৰ ইচ্ছামতে খাদ্য খাব পাৰে। গতিকে খাদ্যৰ এই অধিকাৰটো যদি সংকুচিত কৰি দিয়া যায়, সংবিধানে যি গণতান্ত্ৰিক অধিকাৰ আমাক দিছে, সেই অধিকাৰ নিশ্চিতভাৱে খণ্ডিত হ'ব।

এই আইনখনৰ বিভিন্ন implication যেনে ৫ কিলোমিটাৰৰ ভিতৰত কোনো slaughter house হ'ব নোৱাৰে। আমি অসমৰ সমাজখনৰ বিষয়ে জানো। এনে কোনো এলেকা অসমত নোলাব য'ত ৫ কিলোমিটাৰৰ ভিতৰত হিন্দু মানুহ নাই, কোনো মন্দিৰ নাই বা নামঘৰ নাই। এইটো practically স্বাভাৱিকতে এটা অংশৰ মানুহৰ খাদ্যৰ অধিকাৰৰ ক্ষেত্ৰত এটা প্ৰত্যক্ষ হস্তক্ষেপ হোৱাটো স্পষ্ট হৈ পৰিছে। ২০-২২ টা amendment সমূহ point to point আলোচনা হ'লে বহু সময়ৰ প্ৰয়োজন হ'ব। মই সেই বিতৰ্কলৈ যাব বিচৰা নাই। কিন্তু as a whole এইখন আইনে কিছু তিক্ততা সৃষ্টি কৰিব। এই আইনখনে অসমৰ কৃষিজীৱী জনতাৰ ওপৰত প্ৰত্যক্ষভাৱে

মাধমাৰ মাৰিব। সেইকাৰণে মই গণ্য কৰিছো যে এই আইনখন আকৌ এবাৰ select committee ত যোৱাৰ দৰকাৰ। বিতংভাৱে আলোচনা বিলোচনা কৰা দৰকাৰ। বিতং আলোচনা কৰাৰ অন্তত যদি বিধান সভাত আহে আমি এইখন আইন ভৱিষ্যতে সমৃদ্ধভাৱে বা সকলো আঁসোৱাহ মাৰি পেলাই, মানুহৰ মাজত যাতে বিভ্ৰান্তিৰ সৃষ্টি নহয় আৰু আমাৰ অৰ্থনীতিটো যাতে প্ৰত্যক্ষভাৱে হস্তক্ষেপ নহয়, এই সকললোৰে কথা নিশ্চিত কৰি এই আইনখন গ্ৰহণ কৰাৰ পথলৈ যাব পাৰিম। সেয়েহে এই বিলখন select committee লৈ নিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীৰকিবুল হুছেইন।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Cattle Preservation Bill, 2021 খন ১২ জুলাইত সদনত introduce কৰা হৈছিল। Introduce কৰাৰ পাছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই national television ত কেইবাটাও interview দিছিল। মাননীয় সদস্যসকলে বিলখনৰ সম্পৰ্কত যিখিনি কথা কৈছে সেইখিনিও আমাৰে কথা। মই repeat নকৰি সংক্ষেপে ক'ব বিচাৰিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই তাত specifically ৪ টা কথা কৈছে। তেওঁ কৈছে যে এই The Assam Cattle Preservation Bill, 2021 অনাৰ প্ৰধান উদ্দেশ্য হৈছে ৪ টা। প্ৰথম উদ্দেশ্যটো হ'ল - পশ্চিমবঙ্গৰ পৰা অসম হৈ বাংলাদেশলৈ গৰু smuggling হৈ আছে। এই smuggling টো ৰখাবৰ কাৰণেই আমি এই বিলখন আনিবলগীয়া হৈছে। দ্বিতীয়তে কৈছে যে অসমৰ বিভিন্ন জিলাৰ পৰা অবৈধভাৱে বিভিন্ন ক্ষেত্ৰৰে গৈ বাংলাদেশলৈ গৰু চোৰাংভাৱে গৈ আছে। সেইখিনি ৰখোৱাৰ কাৰণে আমি এই বিলখন আনিবলগা হৈছে। আমি এই দুটাৰ ক্ষেত্ৰত ১০০ ভাগৰ ১০০ ভাগেই সমৰ্থন কৰো। তৃতীয়তে কৈছে যে এনে কিছুমান ঠাই আছে যিবিলাক ঠাইত মঠ-মন্দিৰ-নামঘৰ আদি আছে যাৰ ওচৰতে বহু slaughter house আছে। দায়িত্ব সহকাৰে আমি কৈছো যে এনেধৰণৰ ধৰ্মীয় অনুভূতিত আঘাট সনাকৈ কৰবাত যদি এনেধৰণৰ slaughter house আছে, এই বিলৰ যোগেদিয়েই নহয়, ১৯৫০ চনৰ Act ৰ যোগেদিও কঠোৰভাৱে ব্যৱস্থা গ্ৰহণ কৰাৰ সুবিধা আছে। ধৰ্মীয় ক্ষেত্ৰত যদি কোনোবাই আঘাট সানে তাৰ ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ ওপৰত আমাৰ কোনো দ্বিমত নাই। কাৰণ অসমৰ সভ্যতা-সংস্কৃতিৰ এক গৌৰৱময় ইতিহাস আছে। সৰুৰে পৰা মই শিৱসাগৰ জিলাত থাকো বা তালৈ মোৰ অহা যোৱাটো বেছি। শিৱসাগৰ জিলাৰ যিটো ঐতিহাসিক শিৱদৌল আছে, সেই শিৱদৌলৰ এটা গৌৰৱময় ইতিহাস আছে। শিৱদৌলত যিটো বলি দিয়ে, তাৰ এটা ভাল ধাইআলিত থকা দৌলা পৰিয়ালৰ তাত যায় কাৰণ এই দৌল প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বা নিৰ্মাণ কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ যথেষ্ট অৰিহণা আছে। সাধাৰণতে দেখা যায় যে এটা মন্দিৰৰ ওচৰত আন কোনো ধৰ্মৰ উপাসনা কেন্দ্ৰ হ'বলৈ নিদিয়ে। কিন্তু শিৱদৌলৰ একেবাৰে কাষতে মছজিদ আছে। দুজন বন্ধুৱে একেলগে আহি এজনে মন্দিৰলৈ যায় আৰু আনজনে মছজিদলৈ যায়। দুজনে নিজৰ নিজৰ ধৰ্মৰ উপাসনা কৰি পুনৰ একেলগে ওলাই যায়। তাত কোনো অসুবিধা হোৱা নাই।

অধ্যক্ষ মহোদয়, মই এটা ডাঙৰ কথা ক'বলৈ ওলাইছো। সাধাৰণতে যেতিয়া মদৰ দোকানৰ পাৰ্মিশ্যন দিয়ে তাত লিখা থাকে যে মন্দিৰ বা মছজিদতকৈ কিমান দূৰত সেইটো হ'ব লাগে। শিৱদৌলৰ নাতিদূৰৈত থকা মছজিদৰ দেৱালয়ত লাগি থকা মদৰ দোকান আছে। মদ কিনা মানুহে মদ কিনে, নামাজ পঢ়া মানুহে নামাজ পঢ়ে, মন্দিৰ যোৱা মানুহে মন্দিৰলৈ যায়। আমাৰ

অসমৰ সভ্যতা-সংস্কৃতিৰ গৌৰৱময় ইতিহাস আৰু আমাৰ সকলোৰে মিলা-প্ৰীতিৰ ইতিহাসত কেতিয়াও এনেধৰণৰ কন্দল হোৱা নাই। এই যে আমাৰ Cattle Bill খন আহিছে, কেইদিনমান আগতে, যেতিয়া ঈদ আহিছিল, তেতিয়া সাধাৰণ লোকসকলৰ মাজত, যিসকলে নাজানে যে বিলখন হোৱাৰ পাছত pass হোৱাৰ পাছত gazzete হ'ব, তাৰ পাছত হ'ব, তেওঁলোকৰ মাজত এটা হুলস্থুলৰ সৃষ্টি হ'ল যে এইবাৰ ঈদত আমি এই ব্যৱস্থা ল'ব পাৰিম নে নোৱাৰিম।

কিছুমান কথা মই নকওঁ, এইবোৰ শব্দ কলে মই ভাৱো যে এইটো কোৱাটো অনুচিত। ভয় খাই আছিল, এইবাৰটো সুন্দৰকৈ হৈ গ'ল। কথাটো তেনেকুৱা ধৰণৰ কাৰো অনুভূতিত আঘাট হানা কতো দেখা পোৱা নগ'ল। এনেকুৱা কি প্ৰয়োজন হ'ল যে ঠিক আছে বাৰু এতিয়া এইবিলাক কথালৈ নাযাও যিবিলাক আনিব খুজিছে যিহেতু আনিবই, সংখ্যা আছে আনিবই। মই সেইবিলাক কথালৈ যাব খোজা নাই। আমাৰ কথাটো হ'ল যে এই ধৰ্মৰ অনুভূতিত আঘাত অনা কোনো কথা হ'ব নালাগে। এতিয়া ৫ কিলোমিটাৰৰ কথাটো আমাৰ দলপতিও কৈছে, সকলোৰে কৈছে, অসমত তেনেকুৱা ঠাই আছেনে নাই। সেই কথাটো এটা বিতৰ্কৰ বিষয়। হঠাৎ এই বিল খন আহি থকা অৱস্থাতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত আকৌ কলে যে গো ভক্ষণ কমাবলৈ মন্দিৰ বেছিকৈ সাজিব লাগে। যোৱা কালি কৈছে আৰু ডাঙৰ ডাঙৰ আখৰেৰে আজিৰ কাকতত ওলাইছে। গতিকে এইবিলাকে কথাতে অলপ চিন্তাৰ কথা আহিছে যে, এইখন আচলতে সঁচাকৈ অনুভূতি ত নে অন্য কিব কথা আছে। যদি সচাকৈ ধৰ্মীয় অনুভূতিৰ কথাটো আহে তেতিয়া অকল অসমৰ ক্ষেত্ৰত হ'ব নে আমি বাহিৰত গলেও হ'ব। মই যদি এতিয়া শ্বিলং যাঁও, শ্বিলঙত গৈ মই এই তাত থকা যদি কোনোবা beef eater ৰ আছে সেই ঠাইত মই বহিবলৈ পাৰিমনে নোৱাৰিম। ইয়াৰ মতেটো ৫ কি.মিটাৰ দূৰত থাকিব লাগিব। শ্বিলঙত যাব পাৰিম নে নোৱাৰিম? এতিয়া তাৰ যিসকলে বিফ খাই তেওঁলোকৰ লগত কৰমৰ্দন কৰিব পাৰিমনে নোৱাৰিম, এনেকুৱা সমাজ হৈ যাব নেকি আমাৰ। আমি beef খোৱা লোক সকলৰ লগত সম্পৰ্ক ৰাখিব পাৰিমনে নোৱাৰিম? কাৰণ ধৰ্মীয় অনুভূতিৰ কথা আহি গ'ল নহয় এতিয়া, ৫ কি. মিটাৰ দূৰত থাকিব লাগিব। এতিয়া আমি যি সকলে এই আইনটো কৰিম সেই সকলে বিফ খোৱা আমাৰ ইংলেণ্ডত যাব নে নাযায়? তাতো আপোনালোকে ৫ কি.মিটাৰটো চাই ল'ব। সেই সকলে ইউৰোপৰ দেশ বিলাকলৈ যাব নে নাযায় য'ত beef খায়। গতিকে কেৱল এই কথাখিনি অকনমান চিন্তনীয় হৈছে, আমি কৈছো ইয়াৰ যিকেইটা প্ৰথম পাৰ্ট চোৰাং কাৰবাৰ বন্ধ কৰা, কাৰোবাৰ অনুভূতিত আঘাত হনা, কৰবাত beef নোখোৱা মানুহ আছে তাৰ ওচৰত কোনোবাই দোকান দিছে তাক বন্ধ কৰা, একেবাৰে আপোনাৰ য'ত নাই তাত আপোনাৰ কৰা এই ধৰণৰ কথা বতৰা যদি কৰে মই ভাৱো যে ৰাইজে আমাক ভাল পাব। এইটো যিটো এক্সট্ৰিম মানুহখিনি আছে সেই সকলেও ভাল পাব। এনেকুৱা এটা বাৰ্তা যাব নালাগে ইয়াৰপৰা যে যিটো সময়ত কভিড-১৯ ক লৈ মানুহৰ হাহাকাৰ, যিটো সময়ত মানুহে পেটৰ ভোকত হাহাকাৰ কৰি আছে, যিটো সময়ত টকা পইচা নাই, য'ত অসহায় হিচাপে আমি তেলৰ দাম কমাব নোৱাৰো বুলি আমি অলপতে স্বীকাৰ কৰিছোঁ, বিভিন্ন ক্ষেত্ৰত আমাৰ বয় বস্তুৰ দামে আজি জুই চাই দাম হৈছে য'ত আমি টেক্স লগাবৰ অৱস্থা হৈছে, য'ত বিভিন্ন ক্ষেত্ৰত আজি লাইটৰ বিলৰ দাম বাঢ়ি গৈছে, মানুহৰ হাতত উপাৰ্জন নাই, সেই সময়ত যদি এই ধৰণৰ বিল আনক আমি ভালকৈ এইখিনি কথা আলোচনা কৰিম আমাৰ চিলেক্ট কমিটিৰ কথা কৈছে, চিলেক্ট কমিটিত আমি দফাই দফাই আলোচনা কৰিম আৰু যদি সচাকৈ ইয়াৰ প্ৰয়োজন আছে এইটো কথা ঠিক আমাৰ এজনে কোৱাৰ দৰে ইয়াত যে গো-মাংস যে খাবই লাগিব কোনোবাই

সেইটোত মই ব্যক্তিগত ভাৱে নামানো। নাখালেও চলিব। কিন্তু এই যিটো ব্যৱহাৰ ধৰ্মীয় কথাটো বাদ দি যি দৰে অৰ্থনৈতিক কথাটো আছে টিভিটো চাব, চালে কিন্তু অলপ বেয়া লাগে যে মই আজি লৰা-ছোৱালী পঢ়াবৰ কাৰণে এটা গৰু পুহিছিলো ভাবিছিলো এই সময়খিনিত বিক্ৰী হ'ব, মোৰ বিক্ৰী নহ'ল, এইবাৰ মই পঢ়াবলৈ পাৰিমনে নোৱাৰিম মোৰ সন্দেহ হৈছে। মোৰ ডাঙৰ ল'ৰা জনৰ আজি বেমাৰ, বেমাৰৰ কাৰণে মোৰ পইচা নাইকিয়া হৈছে, মই পাৰিমনে নোৱাৰিম সেই কথাবিলাক জড়িত। গতিকে মই এইখিনি সংক্ষেপে আপোনালোকক কলো বাকী কথাখিনি আমাৰ মূল কথাৰ লগতে যোগ দিব। এইখিনি কথা কৈ মই যিটো চিলেক্ট কমিটিৰ পৰামৰ্শ আহিছে এইখিনি দফাই দফাই আলোচনা কৰাৰ আগত considarationৰ ষ্টেজত এইখিনি কথা মই ৰাখিলো যে আমাৰ যিখিনি কথা মই কৈছো মই ভাৱো যে সেইখিনি এড্ৰেছ কৰিব পাৰিম যে আমি যি সকলে এইটো বোধ কৰিম। বিফ খোৱা লোক সকলৰ লগত সম্পৰ্ক কৰিম নে নকৰিম, ৫ কি. মিটাৰ দূৰত আমি শ্বিলঙলৈ যামনে নাযাম, আমি লণ্ডন, ইংলেণ্ড যামনে নাযাম, আমি বিফ খোৱা ইউৰোপিয়ান দেশত যামনে নাযাম, নে অকল দুখীয়া মানুহৰ অনুভূতিতে আঘাত আহি ধৰিব আমি যি সকলে ৰাজনীতি কৰো সেই সকলক নানিব এই কথাখিনি পৰিস্কাৰ কৰিব বুলি আশা ৰাখি চিলেক্ট কমিটীত দিয়াৰ কাৰণে বিনম্ৰভাৱে অনুৰোধ কৰি মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ৰফিকুল ইছলাম, আপুনি তিনি মিনিট কব।

**শ্ৰীৰফিকুল ইছলাম (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰিপিট নকৰাকৈ মই দুইচাৰি আযাৰ কথা কম। এটা কথা মই স্পষ্ট কৰিব বিচাৰিছোঁ, খোৱা-বোৱা ঠিক তেনেকুৱা কোনো কথা নহয়, যিটো আমাৰ ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে, ময়ো তেখেতৰ কথাটোৰ লগত একমত। বৰঞ্চ বন্ধ হলে সেই সকলে আৰু ভাল বস্তু পাব, ছাগলী খাব, ছাগলী মাংসৰ ৭০০ টকা দাম, ইয়াতেতো দুই আঢ়ৈশ টকা, তুলনামূলক ভাৱে ভাল। সেইটোকলৈ কোনো একো নহয়। কোনোবা এটা বিশেষ ধৰ্মৰ মানুহে এই বস্তুটো খালেহে সেই ধৰ্মাৱলম্বী হৈ থাকিব, তেনেকুৱা একো নাই। মই এজন ইছলামিক স্কলাৰ হিচাপে কৈছো খোৱাৰ লগত ধৰ্মৰ কোনো সম্পৰ্ক নাই। নাখালেও কোনো ক্ষতি নহয়। সেই বিষয়ে আমি আলোচনাও নকৰো। এইটো বন্ধ হৈ গলেও কোনো আপত্তি নাথাকে। আৰু থাকিলেও কোনো আপত্তি নাথাকে। এনেকুৱা ধৰণৰ কথা মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ আমাৰ একেই। যিয়ে নহওঁক এতিয়া মই কব বিচাৰিছোঁ আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই সেইদিনাখন আপোনাৰ এগ্ৰিকালচাৰৰ উত্তৰ দিওঁতে তেখেতে কৈ আছিল যে আমাক প্ৰতিদিনে যিখিনি গাখীৰ লাগে মোৰ যদি ভুল হোৱা নাই ২৫০০ মেট্ৰিকটন প্ৰতিদিনে লাগে আমাক। এনেকুৱা এটা ৰিপোৰ্ট তেখেতে আমাক দিছিল। কিন্তু অসমত উৎপাদন হয় ৯০০ মেট্ৰিকটন। আমি ১৬০০ মেট্ৰিকটন বাহিৰৰ পৰা আমোল বা অন্যান্যৰ পৰা আনো। এতিয়া আমাৰ যিমানখিনি গাইগৰু আছে গাখীৰ আমাৰ যিমান উৎপাদন হয়, গো-পালক যি সকলে পোহে তেখেত সকলে আমাক প্ৰভাইড কৰি আছে, ১৬০০ মেট্ৰিকটন প্ৰতিদিনে বাহিৰৰ পৰা আমি আনিব লগীয়া হৈছে। এতিয়া যি চিচটেমত আমি গৈ আছো, আমি ইয়াতে clause ত যিবিলাক Restrictions লগোৱা হৈছে, সেইখিনি কৰিলে মোৰ ধাৰণা এই ৯০০ মেট্ৰিকটন যে উৎপাদন হৈ আছে তাৰে আধা হ'ব। মোৰ অভিজ্ঞতা মই শ্বেয়াৰ কৰিছোঁ মোৰ ঘৰৰ পৰা ২০০ দূৰত খুব ধুনীয়া ধুনীয়া জাৰ্চি গাই মাজে মাজে আনে, আকৌ দুই চাৰি দিন পাছত নাইকিয়া হয়, মই এদিন সুধিলো ক'ৰ পৰা আহে বোলে যি সকল গো-পালক আছে তেখেত সকলে যেতিয়া গাইবোৰে গাখীৰ কম দিয়ে তেতিয়া তেখেত সকলে বিক্ৰী কৰি দিয়ে। তেতিয়া সেই ব্যৱসায়ী জনে আনে তেখেতৰ যিটো ব্যৱসায়

আছে সেই কামটো তেখেতে কৰে। কিমান বয়স হ'ব, ৬, ৭, ৮ বছৰ এনেকুৱা হ'ব, গাখীৰ ৩০-৩৫ লিটাৰ গাখীৰো দিয়ে, এই গাই জনীয়ে যেতিয়া ১০-১২ লিটাৰ দিয়া আৰম্ভ কৰে মালিকে বিক্ৰী কৰি দিয়ে। বিক্ৰী কৰাৰ পিছত আকৌ ১.৫০ লাখ টকাৰে আকৌ এটা কিনি আনে। এবছৰ আকৌ ধুনীয়াকৈ গাখীৰ দিয়ে, এবছৰ পিচত বা দুবছৰ পিছত দুটা পোৱালী লোৱাৰ পিছত এনেকুৱা গাখীৰ লোৱাৰ পিছত যেতিয়া ভাৱে যে এতিয়া আয় কম হৈ আছে খোৱাত খৰচ বেচি হৈ আছে সেই সময়ত বিক্ৰী কৰি দিয়ে। গৰুটো ১৫ বা ১৮ বা ২০ বছৰ যিমান দিন জীয়াই থাকিব যদি আমি বিক্ৰী কৰিব নোৱৰো তেতিয়াহ'লে এই গাই যি সকলে গাখীৰৰ কাৰণে পোহে, গাখীৰৰ বাবে তেখেত সকলে ব্যৱসায় হিচাপে লৈছে আমাৰ মাননীয় পদ্ম হাজাৰিকা ডাঙৰীয়া তেখেত বহুত এক্সপাৰ্ট তেখেতে নিজেও জানে মই ভাৱো তেখেতে এগ্ৰী কৰিব এই কথাৰ লগত, ময়ো খেতিয়ক সকলৰ চাৰিওফালে থাকো। তেখেত সকলে আৰু নাপালে আৰু অষ্ট্ৰেলিয়াৰ পৰা অনাৰ চিন্তাও নকৰে বিহাৰ আৰু ইউ পি ৰ পৰাও নানে তেতিয়া মুঠতে এৰি দিব। যিমানখিনি আছে মাননীয় মুখ্যমন্ত্ৰীক কব যে আপুনি লৈ যাঁওক গোশালা বনাওক ধুনীয়াকৈ খুৱাওঁক, গায় আমি মুছলমান সকলেও গাইক মৰম কৰো, গাখীৰ দিয়ে কিয় মৰম নকৰিম আৰু নন-মুছলিম সকলে এটা ধৰ্মীয় কথাত ইয়াক সন্মান কৰে ধৰ্মীয় ভাৱে। আমিও সেইটোত সন্মান কৰো। গতিকে গাইবোৰৰ প্ৰতি আমাৰো মৰম আছে। কিন্তু যেতিয়া খুৱাব লাগিব বেছি এই শিক্ষিত যুৱক সকল, মোৰ এজন জিলা পৰিষদ আছিল তেতিয়া, এতিয়া নাই মই কওঁ যে আপুনি কিয় নাহে তেখেতে মোক কয় যে মই গায় পোহো নহয়, ৫- ৬ জনী আছে, মই কলো কিয়, তেখেতে কলে যে তিনিজন লৰা-ছোৱালী কলেজত পঢ়ে ভাল পঢ়াশুনাত, মই এতিয়া কাম কৰিবলৈ গুৱাহাটীত যাব নোৱাৰো, ৰিক্স চলাব নোৱাৰো এতিয়া মই বেলেগ মজদুৰী কৰিব নোৱাৰো, তিনি চাৰিজনী গায় আছে গাখীৰ উৎপাদন যিখিনি হয় মোৰ ঘৰখন ভালকৈ চলে মাহত ২০-২৫ হাজাৰ টকা আয় হয়। যেতিয়া এই চিচটেমত যাব নোৱাৰিব এনেকুৱা শিক্ষিত যুৱক সকল যি সকলে গো পালন কৰে সেই সকলে এইবোৰ বাদ দিব। সব আমাক হেণ্ডঅভাৰ কৰি দি দিব, বিধায়ক সকলক ক'ব যে আপোনালোকে লৈ যাওঁক, আপোনালোকে পালক, ইয়াৰ কাৰণে s দিয়ক আপোনালোকে। মাননীয় মুখ্যমন্ত্ৰীয়ে যিটো বিল আনিছে ইয়াতে যিমান ৰেষ্ট্ৰিকচন তেখেতে লগাইছে মই মাত্ৰ দুই এটা কৈ সমাপ্ত কৰিম। ৰাজ্যৰ ভিতৰত আমাৰ restricted, হাৰিয়ানাত restricted নহয়, ৰাজস্থানত re-stricted নহয়, তামিলনাডু নহয় আৰু উত্তৰ প্ৰদেশতো নহয়। কিন্তু আমাৰ ৰাজ্যৰ ভিতৰত এইটো আছে, পৰিবহনৰ ক্ষেত্ৰত। আমাৰ অসমত restricted আছে, গুজৰাটত restricted নাই। হাৰিয়ানাত non restricted, কৰ্ণাটকত non restricted আছেই, মধ্যপ্ৰদেশত non restricted, ৰাজস্থানত non restricted, তামিলনাডু, উত্তৰপ্ৰদেশ কতো restriction নাই। এনেকুৱা ধৰণৰ কিছুমান clasue আছে, এই clause বিলাক লগাই যদি এই বিলটো পাছ কৰো মই সেই কথাখিনি ৰিপিট নকৰো।

মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ through the state যিটো আমাৰ অসমত লগাইছে restricted, কিন্তু গুজৰাট, হাৰিয়ানা, কৰ্ণাটক, মধ্যপ্ৰদেশ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ ইত্যাদিত non restricted। এনেকুৱা ধৰণৰ কিছুমান clause আছে, এই clause বিলাক লগাই যদি আমি বিলটো পাছ কৰো, একেবাৰে ধেমাজীৰ পৰা ধুবুৰীলৈকে গোটেই আমাৰ খেতিয়কসকল আৰু যিসকলে গুৰু পোহে, মোৰ ঘৰতো গৰু আছে, পাৰ্থক্যটো ইমানে যে আগতে **১২, ১৪** জনী আছিলে, এতিয়া **১**, ২ জনী আছে আৰু কমিব যদি এনেকুৱা ধৰণৰ বিল হয়।

গতিকে মই ভাৱো অসমৰ economy ৰ বাবে আমাৰ agricultural state সংখ্যাটো আহিছে ১ কোটি ৯ লাখ গৰু আমাৰ হাতত আছে আৰু ৩ কোটি ৩০ লাখ মানুহ। গতিকে 1/3rd আমাৰ এইখিনি আছে। ইয়াৰ কাৰণে আমাৰ ভাল হস্পিতাল নাই। মাননীয় অধ্যক্ষ মহোদয়, এই ৩ কোটি ৩০ লাখ মানুহৰ কাৰণে sub-center, PHC, FRU, Model Hospital, Medical College আছে, কিন্তু ইমানখিনি গৰু ইয়াৰ প্ৰতি আমাৰ মৰম শ্ৰদ্ধা সকলো ঠিকে আছে। কিন্তু সেই গৰু বিলাকৰ কাৰণে এখন ভাল হস্পিতাল নাই। মৰমতো খালি কাগজে পত্ৰে হ'ব নালাগে। এই জীৱ-জন্তুৰ প্ৰতি মৰম practically হ'ব লাগে। তেনেকুৱা এটা ব্যৱস্থা লব লাগে।

আমাৰ কৃষকসকলে যি business কৰি আছে, তেখেতসকলক ঠিকে ঠাকে থাকিব দি যদি আমি support কৰো বাকী খোৱা-বোৱাৰ ক্ষেত্ৰত আমাৰ কোনো আপত্তি নাই। তেনেকুৱা ধৰণৰ সৰল সহজ কৰি যদি আৰু আনিব পাৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই, যাতে economy ভাল হয়। গতিকে এইটো Select Committee ক পঠাই মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই অলপ পৰামৰ্শ কৰক, আমাকো অলপ সময় দিয়ক, এইখিনি Select Committee ত দি পিছলৈ ৰাখিলে ভাল হ'ব। এইখিনি কৈ মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য কমলাক্ষ দে পুৰয়কায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ)**ঃ- মাননীয় অধ্যক্ষ মহোদয়, ক্যাটল প্রিজারভেশন বিল, ২০২১। তার আগে ১৯৫০ সালেও একটা অ্যাক্ট ছিল। অধ্যক্ষ মহোদয়, ব্যপারটা হচ্ছে বিধানসভায় এরকম আমরা বিল আনি, মাননীয় মুখ্যমন্ত্রী বলেছেন যে বিধায়কদের মূল দায়িত্ব হচ্ছে বিল নিয়ে পর্যালোচনা বা আলোচনা করা এবং সেই বিলকে পাশ করা। অর্থাৎ অসমের মানুষের উপকারের জন্য, জনগণের ভালোর জন্য যে ধরনের অ্যামেন্ডমেন্টের দরকার সেই অ্যামেন্ডমেন্ট করা। কিন্তু আমি দেখতে পারছি যে এই বিলে কেউ লাভান্বিত হতে পারছে না। বিশেষ করে কোনও ধর্মাবলম্বী, সে সনাতন ধর্মাবলম্বী হোক, সে ইসলাম ধর্মাবলম্বীই হোক। কোন ধর্মাবলম্বীদেরই এই বিলে লাভ নেই। আমি ছোট্ট একটি বিষয় বলছি--- একবার স্বামী বিবেকানন্দের কাছে কিছু লোক গিয়ে বলল যে স্বামীজী আমাদের এই অঞ্চলে ইদানিংকালে অনেক কাও শ্লটার হচ্ছে, গরু কাটা হচ্ছে। আপনি কিছু বলুন, সেগুলো বন্ধ করতে হবে। স্বামীজী বললেন যে ইদানিং কালে আমাদের অঞ্চলে তো অনেক মানুষও মারা যাচ্ছে। যারা মারা যাচ্ছে, তাদের জন্য কথা বল তোমরা। ওরা বলল যে না, এটা তাদের কর্মফল। তখন স্বামীজী বললেন, গরু যে মারা যাচ্ছে সেটাও তাদের কর্মফল। যেহেতু কর্মফলের কথা বলা হয়েছে। আমি একজন সনাতন ধর্মাবলম্বী। এবং আমাদের পবিত্র ধর্মগ্রন্থ হচ্ছে 'গীতা'। সেই গীতার ষষ্ঠ অধ্যায়ে লেখা আছে, "অনাশ্রিতঃ কর্মফলং কার্যং কর্ম করোতি যঃ, স সন্ন্যাসী, চ যোগী, চ ন নিরগ্নির্ন না চাক্রিয়ঃ"। অর্থাৎ সেখানে বলা হয়েছে কর্মফলের আশ্রয় না নিয়ে যিনি কর্তব্য করেন তিনিই সন্নাসী, তিনিই যোগী। অর্থাৎ আমাদের জীবনে প্র্যাক্টিকেল হতে হবে। প্র্যাক্টিকেলি আমাদের কাজ করতে হবে। আমি মাননীয় মুখ্যমন্ত্রীকে দেখেছি অনেক সময়। অনেক সময় তিনি প্র্যাক্টিকেল কথাবার্তা বলেন। সেটা আমরা অস্বীকার করতে পারব না, স্বীকার করতে হবে। কিন্তু এই বিলে কি প্র্যাক্টিকেল কথাবার্তা আছে, সেটা আমি বুঝতে পারলাম না। আসলে "নেগেটিভ মাইন্ড নেভার গিভ আস পজিটিভ লাইফ"। যদি মাইন্ডটাই নেগেটিভ থাকে তাহলে আমাদের পজিটিভ লাইফ আমাদের দিতে পারে না।

এখানে বলা হয়েছে, ধর্মীয় আবেগের কথা। হ্যাঁ, আমি একজন সনাতন ধর্মাবলম্বী লোক। গীতা,

উপনিষদ, ঋকবেদ অনেক জায়গায় গো-মাতা বলা হয়েছে। এবং ধর্মীয় অনুভুতির কথা হলা হয়েছে। যদি ধর্মীয় অনুভূতির কথা বলা হয়েছে, তাহলে আজ অবধি আমাদের যে অবতার, প্রথম অবতার হচ্ছেন মৎস্য অবতার, দ্বিতীয় অবতার বরাহ অবতার, তৃতীয় অবতার হচ্ছেন নরসিংহ অবতার, ৪ নং হচ্ছেন বামন অবতার, ৫নং পশুরাম অবতার, ৬ নং হচ্ছেন কৃষ্ণ অবতার, বুদ্ধ অবতার, কল্কি অবতার। অর্থাৎ, মৎস্য অবতার হচ্ছেন আমাদের প্রথম অবতার। তাহলে কি আমরা মাছ খাওয়া বন্ধ করে দেব? আজকের দিনে সেটা আমাদের প্রশ্ন। তাই পজিটিভলি চিন্তা করতে হবে। বৈদিক যুগে সেরকম অনেক কথা আছে। সেই কথায় আমি যাচ্ছি না।

আমি একটি গল্প বলছি, আমার আগে একজন বিধায়ক বলেছেন। উত্তর প্রদেশে ২০২০ সালে একটা অর্ডিন্যান্স আনা হয়েছিল এভাবে কাও প্রটেকশন নিয়ে। এবং সেই বিল হওয়ার পর বর্তমানে যে অবস্থা, হরিবল কন্ডিশন সেখানে। সেখানে টাক্স ফোর্স বানানো হয়েছে। লখনউর রাস্তায়, গাঁই-গরু নেই অর্থাৎ ফিমেল গরু নেই, কিন্তু বলদ গরুতে রাস্তা ভর্তি। তার জন্য টাস্ক ফোর্স তৈরি করা হয়েছে। এখন সেই গরুকে সরানোর জন্য সরকার আবার বিহীত ব্যবস্থা নিচ্ছে। আরও একটা বিষয় হচ্ছে, আমাদের গোয়ালপাড়ার বিধায়ক এখানে উপস্থিত নেই। গোয়ালপাড়ার ধ্যান ফাউন্ডেশন সেখানে সূর্য পাহাড়ে, আমাদের মাননীয় মুখ্যমন্ত্রীর নিশ্চয় ব্যাপারটি জানা আছে। বর্ডার অঞ্চলে যত গরু ধরা হয়, সেগুলো ধ্যান ফাউন্ডেশনে এনে রাখা হয়। সেখানে চাল নেই, রাখার মত কোন পরিবেশ নেই, কিন্তু সেই পাহাড়ে রাখা হয়। সেখানে এক-দেড় হাজার গরু রাখা হয়েছিল। বিগত কিছু দিন থেকে প্রত্যেক দিন ত্রিশ- পঁয়ত্রিশটি করে গরু মারা যাচ্ছে। অর্থাৎ আমাদের মা মারা যাচ্ছেন। জেসিবি দিয়ে সেই গরুগুলোকে মাটি দেওয়া হচ্ছে। আমাদের বদরপুরের বিধায়ক এখানে আছেন, গত দু'দিন আগে বদরপুরে সাতটি গরু ধরা হল, রাখার জায়গা নেই। সেখানে একটি টেক্সটাইল ইন্ডাস্ট্রি রয়েছে, সেখানে রাখা হল গরু। পরের দিন সেখানে আটটি গরু হয়ে গেল। অর্থাৎ সেই সময় একটি গরু একটি বাচ্চা দিয়ে দিল। এরকম হাজার-হাজার ইনস্টেন্স আছে। তাই মনে করি অধ্যক্ষ মহোদয় আমাদের মুখ্যমন্ত্রী, বিচক্ষণ মুখ্যমন্ত্রী। আমরা বাইরে গিয়ে যখন বলব আমাদের মুখ্যমন্ত্রী হিমন্তবিশ্ব শর্মা মহাশয় এই একটি ভালো বিল এনেছেন, দেখুন। কিন্তু আমরা যদি গিয়ে বলি গরু কাটার জন্য ফেটো লাগাতে হবে, বাইরে আমাদের নিয়ে হাসবে। তাই এমন কোন বিল পাস করা হোক না যে বিল নিয়ে অন্যান্য রাজ্যের জনসাধারণ আমাদের নিয়ে হাসবে।

অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী এখানে রয়েছেন। শ্লটার হাউসে গরু কাটা যাবে। বুল কাটা যাবে অর্থাৎ কাও পারবে না। ষাড় গরু কাটতে পাবরে, শ্লটার হাউসে কাটতে পারবে। কিন্তু মন্দিরের পাঁচ কিমির ভেতরে খাওয়া যাবে না। ইসলাম ধর্মাবলম্বীরা যারা খান, গ্রহণ করেন, তারা পারবে না। তাই আমার প্রশ্ন হচ্ছে, সেই গরু কাটার পর কী নদীতে ভাসানো হবে? আপনারা যখন কাটার পারমিশন দিচ্ছেন, তখন আবার বলছেন গরু খেতে পারবে না। তাই এই বিলটি কন্ট্রাডিক্টরটি বলে আমি মনে করি। প্রত্যেকটি ক্লজ কন্ট্রাডিক্টরি। আরেকটি বলছি, 'স্টেট গভমেন্ট মে এগজেম সার্টেন প্লেস অব ওয়ারশিপ' বলা হয়েছে। আমি সনাতন ধর্মীবলম্বী, বৈষ্ণব ধর্মাবলম্বী। বলির প্রথা আমাদের নেই। শাক্ত ধর্মে রয়েছে বলির প্রথা। আমার অনেক বন্ধুবান্ধব রয়েছেন। অনেক সময় আমাদের বিষহরি পুজো হয়, সেখানে বলি দেওয়া হয়। আমরা গিয়ে প্রসাদ খাই। তাই বিষয়টি হচ্ছে, বিলে বলা

হয়েছে 'মে', তার মানে আমি একটি পাঁঠা কিনে আনলাম। সরকার বলল, না, সেখানে আমরা

বলির পারমিশন দিতে পারি না। দ্বিতীয় কথা হলো, শ্লটারের জন্য 'সার্টেন অকেশন'। কিন্তু সেই অকেশনগুলি কোন অকেশন, সেটা পরিষ্কার নয়। তাই এই বিলটিতে কোনও ক্লজ ক্লিয়ার নয়। বিগত দিনে আমাদের মেঘালয়, অরুণাচল প্রদেশ, মিজোরাম থেকে অনেক কথাবার্তা শুনতে পেয়েছি। মুখ্যমন্ত্রী বলেছেন, সেটা সীমান্ত অঞ্চলে যে বিবাদ চলছে, সেটা একটা কারণ হতে পারে। মুখ্যমন্ত্রী মহোদয় সেটা বলেছেন। বিশেষ করে মেঘালয়ের মন্ত্রী শুনবর সুলই, তিনি বলেছেন, বেশি করে গরু খাও। আমাদের অসমের যেসব কাও প্রটেকশন বিল এনেছি, তখন মেঘালয়ের বিজেপি মন্ত্রী বলছেন বেশি করে গরু খাও। তাই বিষয়টি কী বুঝতে পারছি না। অদ্যক্ষ মহোদয়, আমি একটি কথা বলতে চাই, 'মেরা কুত্তা কুত্তা, আপকা কুত্তা টমি', ব্যাপারটা এরকমই। ব্যাপারটা হচ্ছে, অ্যালসন প্রাইভেট লিমিটেড সেটার টার্নওভার ৩১২.৬ মিলিয়ন ইউএসডি। সেই কোম্পানি গরুর মাংস রফতানি করে। কত টাকা হবে সেটা দেখতে গিয়ে দেখলাম ২৩,২৫৯ কোটি টাকা। অর্থাৎ ছোট-ছোট রাজ্যের বাজেট যতটুকু ততটা পরিমাণের গো-মাংস রফতানি করে শুধু একটি কোম্পানি। যারা গো-মাংস রফতানি করছে— এরাবিয়ান এক্সপোর্ট প্রাইভেট লিমিটেড, সত্ত্বাধিকারী হচ্ছেন সুনীল কাপুর। এম কে আর ফ্রজেন ফুডস এক্সপোর্ট প্রাইভেট লিমিটেড, এর সত্ত্বাধিকারী হচ্ছেন মদন অ্যাবট। পি এম এল ইন্ডাস্ট্রিজ প্রাইভেট লিমিডেট, সত্ত্বাধিকারীর নাম এ এস বিন্দরা। হিন্দ এক্সপোর্টারদের নাম বললাম আমি, তারা যে পরিমাণ গো-মাংস রফতানি করেন, তা ছোট-ছোট রাজ্যের বাজেটের সমান। তাই বলছি, মেরা কুত্তা কুত্তা, আপকা কুত্তা টমি'। আপনারা রফতানি করবেন। আমরা দেখেছি, ভারত সরকারের বাজেটের ৫.৬ শতাংশ টাকা গো-মাংস রফতানি থেকে আসে। আরেকটি তথ্য বলছি, বিশ্বে যত বিফ এক্সপোর্ট হয়, তার মধ্যে ব্রাজিল এক্সপোর্ট করে ২৩.৫০ শতাংশ, ভারত বিফ এক্সপোর্ট করে ১১.৮৮ শতাংশ। অর্থাৎ এই রেশিও থেকে দেখা যায়, ভারতের যে বিফ এক্সপোর্ট হয়, সেটা থেকে বৃহৎ অঙ্কের টাকা আসে। তাই বিলকে বিল হিসাবে শুধু নয়, ইকোনোমিক সাইডও দেখতে হবে। আমি সনাতন ধর্মাবলম্বী, আমি এক জন হিন্দু লোক, সেটা ঠিক আছে। আমরা যে আইন প্রণয়ন করব, আমরা চাই সেই আইন আরও কঠোর হোক। কিন্তু কিছু ক্লজ আরও শিথিল করতে হবে। না হলে এমন হবে যে আমরা আইন প্রণয়ন করব, কিন্তু আমরা অন্য স্থানে গেলে আমাদের নিয়ে সমালোচনা করা হবে। অনেক স্থানে প্রিজারভেশন অ্যাক্ট রয়েছে, অনেক স্থানে নেই। আমি মনে করি আমাদের মুখ্যমন্ত্রী বিচক্ষণ, উনি জানেন, উনি বুঝেন। তাই মুখ্যমন্ত্রীকে আমি বলব, এই বিলটি সিলেক্ট কমিটিতে পাঠানো হোক। আমরা সেই আইন পাস করব, কিন্তু আলোচনার মাধ্যমে যাতে সেই আইনটিকে আরও সুন্দর করতে পারি, সমৃদ্ধশালী করতে পারি, ভাল করতে পারি। এবং সবাই মিলে যদি আইনটি পাস করতে পারি, সেটাই কামনা করি। আপনাদের শ্রীবৃদ্ধি কামনা করছি। গো-মাতা বলা হচ্ছে, আমিও গো-মাতা বলছি, সনাতন ধর্মীবলম্বী হিসাবে গো-মাতা ঠিক আছে। কিন্তু গো-মাতাকে আমরা এভাবে মরতে দেব না। অন্তত গাই-গরু প্রিজারভেশন করা হোক, কিন্তু বলদ-গরু যেগুলি রয়েছে, আমাদের রাজ্যের, দেশের অর্থনীতির কথা রয়েছে। আপনারা এক্সপোর্ট করবেন, তারপর যদি এরকম ব্যবস্থা করা হয়, আমি মনে করি সেটা ভাল হবে না। নমস্কার, ধন্যবাদ।

**माननीय অধ্যক্ষ ঃ** এতিয়া আমিনুল ইছলাম .. সময় কম ... সংক্ষেপে ক'ব, ৩ মিনিট আছে।

**শ্ৰীআমিনুল ইছলাম (মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অৰ্থনৈতিক দিশত যথেষ্ঠখিনি কথা কোৱা হ'ল। মই সামাজিক দিশত দুটামান কথা ক'ব বিচাৰিছো। India is a largest democratic Country in the World, having unity and diversity. Since

time immemorial The people of this Countray have been living peacefully maintaining brotherhood among themselves. I think this Bill may affect the unity and diversity. During British Rule,The British tried to inpeace religion sensivity of both Hindu and Muslim community by introducing cartridge made by the fats of Cows and Pigs in the early year of the 1857 . Consiquenly there was a numerous arrest, detention, procecution, mass killing of people divide and rule policy. From the said incident its forced that the food habit is seriously concerned with the sensity of religion and religious practice. I think in our State , in our Country it is a good practice still this good practice persued . By this Rule, by Bill they are makeing the devide and rule policy again in our State , and apprehend this.

next subsequently obtain freedom the British rule and adopt it in the Constitution 26 January, 1950 would become the example of the multi dimentioned diversity Democracy in the World the lengthiest constitution of the World since then, they are governed by the Constitution which is supreme Law of the Country.

next, In India the Citizen are free to concise, proface, practice, propogate, religion provides in the Article 25 of the Indian Constitution which not only confined or limited to the prayer only include other cognents like this food habit and such an other matters concern with the religious sensity such as beard and the Kripan for Sikhs, non - veg for the Jains, Cow and Pig for the Christians, so food habit cannot be separated from the religious sensity and cannot be called as the having no concern with the religious practice.

next is the Present Bill which is going to the introduce is nothing but legislation with either your motive to divide the people at large in different groups there on rule them as like as the British did upon the Indian People without thinking about the development. it is nothing but divide and rule policy again in the State. The present Bill is directly an Unconstitutional Law which violate the Article 25 of the Indian Constitution as because the Muslim have been performing Id- ul- Zuha since long and slaughtering healthy Cattle that means Cow or Bull or Bullock cart is part of the essential practice of the Islam. Religion is in India as well as all over the World any ill , injured or deformed Cattle can not be offered for secrifice.

next, Further this Bill creates provision to slaughter the in-

jured Cattle, deformed Cattle, subject obtained certain form of the concerned Authority but did not defend the Word accidental injury and deformative. There fore that is a likely who of the grade hardship of the Cattle as because some unscrupulous people might caused the deformative in the Cattle obtaining the secrifice.That the Bill is nothing but the culpable legislation which will be used as a weapon against group of the people belonging to particular religion for undesirable procecution , trial conviction and vigil the political grage which will be entirely decremental powers and the development of the Country. Further the Bill will create scope of the systematic corruption by the mechanisim as because the word accidental injury deformity is a vague and which has no clear meaning and the same may be used as the weapon of the granting certificate of the slaughtering of the astonious consideration. অধ্যক্ষ মহোদয়, আমি এইখিনি কথা আনিছো , আপোনালোকে নিশ্চয় বুজি পাইছে- সামাজিকভাবে আমি কিভাবে বেলেগকৈ যাবলৈ ওলাইছো। এইবিলাক কথা নিশ্চয় আমি মনত ৰাখিব লাগিব। আমি দেখিছো ঋগ বেদত উল্লেখ আছে ৩ হাজাৰ গো বধ কৰি ইনভাইট কৰাৰ ব্যৱস্থা হৈছিল। তাত যেতিয়া নাটনি হৈছিল কোৱা হৈছিল বেছিকৈ পানী দি জোলটো বঢ়োৱা হওঁক। তাৰ মানে সেইটো বৈধ আছিল। কিন্তু 'কোৰাণ'ৰ ক'তো গৰু খাব লাগে বুলি লিখা নাই। ' কোৰাণ'ৰ বাকৰা চুৰা এটা আছে- গৰুৰ নামত এটা চুৰা আছে । সেই চুৰাটোত ' গৰু 'ক সন্মান কৰাৰ কথা বুজোৱা হৈছে। 'গৰু ' ক খাৰ লাগে বুলি কোৱা নাই। গতিকে এই কথাটো জুডিচিয়েল দৃষ্টিৰে চাব নালাগে ।

কিন্তু আজি চাৰি বছৰৰ পৰা কৰিমগঞ্জ আৰু মানকাচাৰ বৰ্ডাৰৰ ওচৰৰ গৰু বজাৰবোৰ বন্ধ হৈ আছে। সেই বৰ্ডাৰৰ পৰা আধা কিলোমিটাৰ দূৰৰ মেঘালয়ৰ বজাৰত সেই একেই গৰু সপ্তাহত তিনি গুণ বেছি বিক্ৰী হৈ আছে। তাৰ ফলত আমি ৰেভিনিউৰ পৰা বঞ্চিত হৈ আছো। মই এই কথাখিনি এইকাৰণেই ক'ব বিচাৰিছো যে আমাৰ সুতচৰৰ কিছু অংশ মুক্ত বাংলাদেশৰ লগত বৰ্ডাৰ আছে। সেইফালেদি অহা যিখিনি গৰু পুলিচ বা বি এচ এফে ধৰে সেইবিলাক তাত ৰাখি দিয়া হয়। যদি তাত ত্ৰিশ টা গৰু ৰখা হয়, ভেটেনাৰী অফিচাৰে এসপ্তাহ পিছত লিখে যে তাৰে বিশটা গৰু মৰিছে। ভেটেনাৰী অফিচাৰে বিশটা গৰু মৰা বুলি চাৰ্টিফিকেট দিয়ে যদিও আচলতে সেই গৰুবিলাক নমৰে সেইবোৰ বিক্ৰী কৰা হয় আৰু যি দহটা গৰু থাকে, সেই গৰু নামত আৰু সংখ্যাতহে থাকে। আমাৰ দক্ষিণ ভাৰতৰ গৰুবোৰ ডাঙৰ ডাঙৰ হয়, কিন্তু তাৰ পৰিৱৰ্তে তাত সৰু সৰু স্থানীয় পোৱালি গৰু সোমোৱাই দিয়া হয় আৰু সেই গৰুবোৰ সলনি হয়। তাৰ মানে ইয়াৰ দ্বাৰা দুৰ্নীতিৰ আৰু এটা ৰাস্তা খুলি যাব নেকি ? এইবোৰ কথালৈও লক্ষ্য ৰাখিব লাগে। এই গোটেইখিনি কথা যিখিনি আলোচনা হ'ল তাৰ প্ৰতি লক্ষ্য ৰাখি অৰ্থনৈতিক, সামাজিক আদি সকলো ফালে চাই এখন চিলেক্ট কমিটি গঠন কৰি তালৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে বুলি আশা ৰাখিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া শ্ৰী সিদ্দেক আহমেদ ডাঙৰীয়াই কওঁক।

**শ্ৰী সিদ্দেক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দ্য অসম ক্যাটল প্ৰিজাৰভেশন বিল, ২০২১। এই বিলটিতে যেগুলো ক্লজ রয়েছে, তাতে অলমোস্ট গরু কাটা বন্ধ করার প্রবণতা

এই বিলে দেখা গেছে। কথা হচ্ছে, যেখানে পাঁচ কিলোমিটার কথা বলা হয়েছে, পাঁচ কিলোমিটার মধ্যে গরু কাটা যাবে না। পাঁচ কিলোমিটার এমন কোনও জায়গা নেই অসমে আমার মনে হয়, একমাত্র চর এলাকা ব্যথিত অন্য কোথাও জায়গা পাওয়া যাবে না। দু-নম্বর কথা হলো, যেখানে ১৪ বৎসরের কথা বলা হয়েছে, ১৪ বছর বয়স না হলে কোনও গরুকে কাটা যাবে না। কিন্তু ১৪ বছর অবধি কোনও গরু সাধারণত বাঁচেই না। যার জন্য এই ক্লজে ১৪ বছর যা দেওয়া হয়েছে, সাধারণত আমরা দেখি যে ১৪ বছর কোনও অঞ্চলেই গরু বাঁচতে দেখা যায় না। কথা হচ্ছে, প্রকৃতপক্ষে এই বিলটি ঈদের সময় আসার কথা ছিল। ঈদের সময় যারা গরু ভক্ষণ করেন, তারা মেন্টেলি রেডি হয়ে গিয়েছিলেন যে তারা আর গরু কাটবেন না। এবং এই বিলে ট্রান্সপোরটেশনের কথা যা বলা হয়েছে, সিস্টেম যা দেওয়া হয়েছে, তার মানে কোনও চালক গাড়িতে গরু উঠাবেই না। কারণ, গাড়িতে গরু উঠালে সে হয়তো যে কোনও বিপদে পড়তে পারে। যার জন্য ট্র্যান্সপোরটেশন হবেই না। তাছাড়া ১৪ বছরের কথা যা বলা হয়েছে, ১৪ বছর যদি কোনও মানুষ একটি গরু প্রতিপালন করে, সে যদি দামা-গরু হয়, যা অসমিয়ায় দমরা বলা হয় , দমরা গরু ১৪ বছর প্রতিপালন করতে কমপক্ষে ৫ লক্ষ টাকা খরচ হবে। আমি রাজস্থানে গিয়েছিলাম, সেই অঞ্চল কোটা, যেখানে কোনও একটা কাজে গিয়েছিলাম। কোটায় দেখেছি সেখানকার মানুষ কোরবানির সময় সাধারণত ছাগল দিয়ে কোরবানি করেন। সেখানে তারা আমাকে বলল যে সেই অঞ্চলে দামা গরু একটু বড় হলে জঙ্গলে ছেড়ে দেওয়া হয়। কিন্তু জঙ্গল থেকে বেরিয়ে এসে গ্রামাঞ্চলে সমস্ত খেত নষ্ট করে। সব খেত ধ্বংস করে দেয়। সেখানে দেখলাম যে অন্তত কোটাতে যেটা হয়েছে, তারা বলল, আপনারা যদি নিতে পারেন, একটি গরু পাঁচশো টাকা দিলেও আপনাদের দিয়ে দিতে পারব। সুতরাং কথা হচ্ছে, আজ যে গরু হত্যা বন্ধ করা হচ্ছে; ইকোনোমিক দিক থেকে চিন্তা করলে নেপালি সম্প্রদায়ের মানুষ বেশি করে ক্ষতিগ্রস্ত হবেন। নেপালি মানুষ সব চেয়ে বেশি গরু পালন করেন, দুধ বিক্রি করেন। এই নেপালি সম্প্রদায়ের মানুষ যে গাই-গরু, যার বাচ্চা যেটা দামা-গরু হবে, সেই দামা-গরু কোথায় বিক্রি করবে? তাই ইকোনোমিক দিক থেকে নেপালি সম্প্রদায়ের মানুষ পুরোপুরি শেষ হয়ে যাবে। তাছাড়া আমরা যারা গ্রামাঞ্চলে বসবাস করি, গ্রামাঞ্চলের মানুষ গরু পালনকে শিল্পের মতো একটা ব্যবসায় পরিণত করেছেন। এবং গ্রামাঞ্চলের মানুষরা মেন্টেলি অনেক সময় অন্তত ইকোনোমিক দিক দিয়ে বাচ্চাদের পড়াশোনার ক্ষেত্রে গরু বিক্রি করেন। বাচ্চাদের অ্যাডমিশনের ক্ষেত্রেই হোক, বা কোনও সময় দেখা যায় কেউ অসুস্থ হলে গরু বিক্রি করে অন্তত রোগীর ট্রিটমেন্টের খরচ বের করতে পারেন। সুতরাং আমরা দেখেছি, আমার বাড়ি বাংলাদেশ বর্ডার অঞ্চলে, বাংলাদেশ বর্ডারে অনেক সময় বিএসএফ যখন গরু-মোষ ধরে, ধরার পর সাধারণত কোর্টের আশ্রয় নিতে হয়। কিন্তু কোর্ট নির্দেশ দেয় না বিক্রি করার জন্য। সুতরাং বর্ডার অঞ্চলে তিন-চারশো গরু যখন রাখা হয় একত্রিত করে, তখন অত্যন্ত দুঃখ লাগে খাবার-দাবারের কোনও ব্যবস্থা থাকে না। ত্রিশটি, চল্লিশটি গরু শেষ পর্যন্ত মৃত্যু মুখে পতিত হয়। এই গরুগুলি শেষ পর্যন্ত জেসিবি লাগিয়ে গর্ত করে পুঁতে ফেলা হয়। সুতরাং এই যে অবস্থা আমার মনে হয় সরকার যদি পুনর্বিবেচনা করেন। কারণ, এই যে বিল এনেছেন, সেটা মুসলমান সম্প্রদায়ের ধর্মীয় হিসাবে গরু যে কাটতেই হবে, সেই ধরনের কথা কোরানোর কোথাও লেখা নেই। সুতরাং গরু যে খেতেই হবে, আমি, আমার পরিবার কোনও দিন গরু খাই না। ঠিক সে ভাবে অনেকেই রয়েছেন, যারা মুসলিম সম্প্রদায়ের মানুষ হলেও গরু যে খাবেন, সেই ধরনের কোনও কথা নেই। সুতরাং অন্তত ইকোনোমিক দিক থেকে এই কথাটা যদি একটু চিন্তা করেন।

এই যে বিল আনা হয়েছে, অর্থনৈতিক দিক থেকে সারা অসমে যারা গরু পালন করেন, তারা ক্ষতির মুখে পড়বেন। গ্রামাঞ্চলের বেশিরভাগ মানুষ ক্ষতিগ্রস্ত হবেন। আজকাল আমরা দেখেছি, অন্তত যারা আগে এক সময় খেত-কৃষি করতেন, দামা-গরু দিয়ে করতেন খেত-কৃষি। এখন পাওয়ার টিলার, ট্র্যাক্টর লাগিয়ে সবাই খেত-কৃষি করেন। সুতরাং গাই-গরু আমরা সবাই দুধের জন্য পালন করি, কিন্তু দামা-গরুর কী ব্যবস্থা হবে ? ফলে শেষ পর্যন্ত এমন একটা অবস্থা হবে, যখন পঞ্চায়েতে-পঞ্চায়েতে গো-রক্ষা কমিটি বানাতে হবে, সেই কমিটিকে রক্ষণাবেক্ষণ করতে হবে সেটা। তার জন্য নতুন আরেকটা করাপশন তৈরি হবে। এমনও হবে আমরা দেখেছি, গো-রক্ষা বাহিনীর নামে সারা ভারতবর্ষে যে অবস্থার সৃষ্টি হয়েছিল, অনেক মানুষ বিভিন্নভাবে অত্যাচারের সম্মুখীন হয়েছিলেন। তাই সরকারকে আমি এটাই বলব, এই বিলটি পাস হওয়ার পর যদি নতুন করে গো-রক্ষা বাহিনীর জন্ম হয় এবং মানুষদের হেরাসমেন্ট করা আরম্ভ হয়, তাহলে একটি সম্প্রদায় এবং আরেকটি সম্প্রদায়ের মধ্যে এমন পরিস্থিতির সৃষ্টি হবে যে শেষ পর্যন্ত নতুন রায়োটিঙের সম্ভাবনা তৈরি হবে। তাই প্রতিটি কথা আলোচনা এবং বিলোচনা করে অন্তত এই বিলটি সিলেক্ট কমিটিতে পাঠিয়ে দিন। অসমের অর্থনীতির কথা চিন্তা করে, বিবেচনা করে অন্তত একটি বিহিত করেন। এইটুকু বলে ধন্যবাদ জানিয়ে বক্তব্য শেষ করলাম।

**माननीय অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**মাননীয় মুখ্যমন্ত্ৰী, অসম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কেটেল প্ৰটেকশ্যনৰ ওপৰত যি আইন আনিছো "আসাম কেটেল প্ৰিজাৰ্ভেশ্যন এক্ট ১৯৫০," সদনৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই এই বিলখন চিলেক্ট কমিটীলৈ পঠিয়াবলৈ অনুৰোধ কৰিছে আৰু তেখেতৰ কথাকে সন্মানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়া (জ্যেষ্ঠ আৰু কণিষ্ঠ) দুয়োজনেই, ৰফিকুল ইছলাম ডাঙৰীয়া, ৰকিবুল হুছেইন ডাঙৰীয়া, কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া আৰু সিদ্দেক আহমেদ ডাঙৰীয়া আদিয়েও এই কথাখিনিকে সমৰ্থন কৰিছে। অধ্যক্ষ মহোদয়, বিধেয়কখন Select Committee ত পঠিয়াব লাগে নে নালাগে সেইটো সদনে নিৰ্ণয় কৰিব আৰু সদনে এই ক্ষেত্ৰত সিদ্ধান্ত ল'ব। যিখিনি বিষয়বস্তু ইয়াত প্ৰকাশ কৰা হ'ল তাৰ যথাযথ উত্তৰ সদনৰ ৰেকৰ্ডত যাতে থাকে তাৰ বাবে মই কিছু সময় আপোনাৰ পৰা ল'ম। তাৰ পিছত সন্মানীয় সদনে সিদ্ধান্ত ল'ব যে এই বিধেয়কখন Select Committee ত পঠিয়াব লাগে, নে মোৰ বক্তব্য শুনাৰ পিছত কাৰোবাৰ অন্তৰাত্মাই ক'ব যে এই বিধেয়কখন গ্ৰহণ কৰিব লাগে। এই সিদ্ধান্ত সদনে ল'ব। মই কেৱল মাত্ৰ মোৰ দৃষ্টিকোণখিনিহে ক'ব পাৰো। অধ্যক্ষ মহোদয়, আমাৰ দেশখন মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত। ভাৰত এনেকুৱা এখন ৰাষ্ট্ৰ যে ভাৰতৰ সংবিধান যেতিয়া প্ৰণয়ন হৈছিল, তেতিয়া সংবিধানখন স্বাভাৱিকভাৱে ধৰ্ম নিৰপেক্ষ আছিল। ....inter-ruptions...

(মাননীয় সদস্য শ্ৰী অখিল গগৈয়ে মাননীয় অধ্যক্ষৰ আসনৰ সন্মুখলৈ আগুৱাই আহি তেখেতে সদন ত্যাগ কৰিব বুলি অৱগত কৰে)।

**মাননীয় অধ্যক্ষঃ** ইয়াত আহি ক'ব নালাগে, আসনৰ পৰাই কৈ যাওক। আপুনি নোকোৱাকৈও যাব পাৰে।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

(মাননীয় সদস্য শ্ৰী অখিল গগৈয়ে বিধেয়কখন Select Committee লৈ প্ৰেৰণ নকৰাক লৈ বিৰোধিতা কৰি সদন ত্যাগ কৰে)।

**ডঃ হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া প্ৰথম সংবিধানখন প্ৰণয়ন কৰা হৈছিল, তেতিয়া আমি তাক গ্ৰহণ কৰিছিলো। সেই সংবিধানৰ প্ৰতিটো দফাতে ৰামৰ পৰা কৃষ্ণলৈকে প্ৰতিটো অধ্যায়ৰ আগত তেওঁলোকৰ চিত্ৰ অংকন কৰা হৈছিল আৰু কিছু স্থানত আকবৰৰো চিত্ৰ অংকিত হৈছিল। অৰ্থাৎ, সংবিধান প্ৰণয়নৰ সময়ত ভাৰতৰ সংবিধান ৰচয়িতাসকলে কৈছিল যে আমাৰ দেশখন মূল্যবোধ, সংস্কৃতিৰ ওপৰত চলিব। Constituent Assemblyত debate ৰ কথা বিৰোধী দলপতি ডাঙৰীয়াই উল্লেখ কৰিছে। তাত এফালৰ পৰা সদস্যসকলে কৈ গৈছিল যে -ভাৰতত মূল্যবোধৰ ৰাজনীতি, Civilizational Value ৰ পৰা আঁতৰত গৈ ভাৰতে দেশ হিচাপে বিশ্বৰ বুকুত কেতিয়াও প্ৰতিষ্ঠা হ'ব নোৱাৰে। Indian Constitution ৰ Article 21 আৰু 25 ৰ কথা কোৱা হৈছে। ভাৰতীয় সংবিধানৰ আটাইতকৈ ডাঙৰ অধ্যায়টোক Directive Principle of State Policy বুলি কোৱা হয়। যিসকলে ৰাজনীতি বিজ্ঞান পঢ়িছে, তেওঁলোকে এটা কথা অনুভৱ কৰিব যে আমাৰ সংবিধানত যিটো Architecture of Governance আছে যে দেশ এখন কিদৰে চলিব সেইটো Fundamental Rights এ নকয়। Article 21, 25, 30 are Fundamental Rights. মৌলিক অধিকাৰসমূহে দেশ এখনৰ দৰ্শন, আদৰ্শ আৰু মূল্যবোধৰ কথা নকয়। ই আমাৰ ব্যক্তিগত অধিকাৰৰ কথাহে কয়। কিন্তু, ভাৰত এখন ৰাষ্ট্ৰ যিয়ে ব্যক্তিগত অধিকাৰৰ ওপৰত সামাজিক মূল্যবোধ, সংস্কৃতি আৰু সভ্যতাক বিশ্বাস কৰে। ভাৰতৰ উচ্চতম ন্যায়ালয়ত কেইবাটাও গোচৰ ৰুজু হৈছিল যে- In a conflict between Directve Principles and the Fundamental Rights, which will prevail? তেতিয়া ভাৰতৰ উচ্চতম ন্যায়ালয়ে কৈছিল- যেতিয়া Directive Principle of State Policy আৰু Fundamental Rights of individual ৰ মাজত conflict হ'ব, the Directive Principle will prevail. মৌলিক অধিকাৰতকৈ ৰাষ্ট্ৰ পৰিচালনাৰ যি নিৰ্দেশাত্মক নীতি, সেই নীতিয়ে অগ্ৰাধিকাৰ পাব। অধ্যক্ষ মহোদয়, সংবিধানৰ ৪৮ নং অনুচ্ছেদত আমাৰ সংবিধানৰ প্ৰণেতাসকলে কৈ গৈছিল যে- Organization of Agriculture and Animal Husbandry: the State shall (not may) endeavour to organize agriculture and animal husbandry on modern and scientific lines and shall, in particular, take steps for preserving and improving the breeds and prohibiting the slaughter of cows, calves and other milk and draught cattle. অধ্যক্ষ মহোদয়, এইখন বিধেয়ক Select Committee ত দিয়াৰ বাবে কোৱা হৈছে, কিন্তু Directive Principle of State Policy governs all of us. আমি যিখন ৰাষ্ট্ৰত জন্মগ্ৰহণ কৰিছো, সেইখন ৰাষ্ট্ৰ ৫০০০ বছৰৰ সভ্যতা-সংস্কৃতিৰে বিৰাজমান। আমি ইছলাম, খ্ৰীষ্টান, হিন্দুত্ব সনাতনক বিশ্বাস কৰো। আমাৰ পূৰ্ব পুৰুষসকল কোন আছিল, তেওঁলোকে ক'ৰ পৰা খেতি কৰিছিল বা মোৰ পূৰ্ব পুৰুষে কাৰ গাখীৰেৰে এই বংশক আজিলৈকে সৃজন কৰিছে ? আজি মই মুছলমান, খ্ৰীষ্টান বা হিন্দু হ'লো, কিন্তু মোৰ পূৰ্বপুৰুষৰ তেজৰ সম্পৰ্ক বা ঐতিহ্যৰে মই যদি ১৫ জনম, ২০ জনম আগলৈকে গুছি যাওঁ, তেন্তে মোৰ সৃষ্টি, মোৰ আদি ক'ৰ পৰা আৰম্ভ হৈছিল তথা মোৰ পূৰ্বজসকলে কোন সংস্কৃতি-সভ্যতাৰ ওপৰত আছিল ইত্যাদি কথাবোৰ ওলাই পৰিব। আজি আমি মুছলমান হোৱা কিমান দিন হৈছে? Typical হিন্দু হোৱা কিমান দিন হৈছে? আমি এটা সভ্যতাত বাস কৰিছিলো। সেই সভ্যতাই আমাক বহুত কথা শিকাই থৈ গৈছিল- 'বসুধৈৰ কুটুম্বকম, সৰ্বধৰ্ম

সমভাৰ, বিপ্ল বহু বিভান্তি একম সত্য'। আমি ঋক্ বেদৰ সময়ৰ পৰাই বিবিধতা, বৈচিত্ৰতাক স্বীকাৰ কৰিছো। আজি ইয়াত এফালৰ পৰা অৰ্থনীতিৰ কথা কোৱা হৈছে। অধ্যক্ষ মহোদয়, যোৱাকালি আবেলি আমি ২ কেজি হেৰোইন জব্দ কৰিছো আৰু এই হেৰোইনখিনি যদি আমি অসমলৈ আহিব দিলোহেঁতেন, তেন্তে আমাৰ অৰ্থনীতি বহুত বাঢ়িলেহেঁতেন। ঘৰে ঘৰে মানুহে সংস্থাপন পালেনহেঁতেন। But, this society is based on certain principle, certain ethical identity. আজি কংগ্ৰেছৰ সদস্যসকলে অৰ্থনীতিৰ কথা কোৱা দেখিছো, কিন্তু, মহাত্মা গান্ধীয়ে অৰ্থনীতি, দৰ্শন নাজানিছিল নেকি? আজি গো-হত্যাৰ লগত খাদী বোৰ্ডৰ চাৰ্টৰ তুলনা কৰা হৈছে, মই এই বিষয়তো ক'ম। বিজেপিয়ে গান্ধীজীক মনা নাই, খাদী চাৰ্ট কৰা নাই। কিন্তু, স্বাধীনতা যুঁজাৰুসকলে জন্ম দিয়া কংগ্ৰেছৰ কথা কি হ'ল? স্বাধীনতা আন্দোলনৰ প্ৰমূল্যতেই সৃষ্টি হোৱা কংগ্ৰেছৰ কথা কি হ'ল? । কংগ্ৰেছ দলৰ সদস্যসকলে যেতিয়া ইয়াত economic interest টো চোৰাৰ কথা কয়, তাৰ উত্তৰ মই দিব নালাগে। ইয়াৰ উত্তৰ গান্ধীজীয়ে ইতিমধ্যে দি গৈছে। অধ্যক্ষ মহোদয়, গান্ধীজীয়ে Young India ত লিখিছিল- Cow protection is the gift of Hinduism to the world and Hinduism will live so long as there are hindus to protect cow. Hindus will be judged not by their Tilaks, not by the correct chanting of Mantras, not by thier pilgirimage, not by their most punctilious observances of caste rules, but thier ability to protect the cow. অধ্যক্ষ মহোদয়, আজি কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই 'গীতা'ৰ কথা কৈছে, কিন্তু, মহাত্মা গান্ধীয়ে কৈছে যেএজন হিন্দুৱে তিলক কিমান ডাঙৰকৈ লৈছে বা মন্ত্ৰ কিমান শুদ্ধকৈ মাতিছে সেইটো ডাঙৰ কথা নহয়, এজন হিন্দুৰ মানৰ প্ৰমূল্য নিৰ্ণয় হয় তেওঁ গো-মাতাক কিমান সংৰক্ষণ কৰিব পাৰিছে তাৰ ওপৰত আৰু মহাত্মা গান্ধীয়ে কৈ গৈছিল যে - "Cow protection is the gift of Hinduism to the world". তেখেতে এইষাৰি কথা কিয় কৈছিল, কাৰণ গো-মাতাৰ গাখীৰেৰে, এই গো-মাতাৰ কৃষি-কৰ্মৰ জড়িয়তে মোৰ পূৰ্বপুৰুষ সকলে মোক জন্ম দিব পাৰিছিল। আজি গাই বা গো-মাতা অবিহনে সৃষ্টি সম্ভৱ হ'লহেঁতেন জানো? মাননীয় অধ্যক্ষ মহোদয়, গান্ধীজীয়ে কৈছিল - The central fact of Hinduism is cow protection. Cow protection to me is the most wonderful phenomenon in human evolution. It takes human beings beyond this species. The cow to me mean the entire sub-human world. Man, through the cow is enjoying the realization of his identity with all that lives. Why the cow was selected for apotheosis is obvious to me. The cow was in India, the best companion. She was the giver of plenty. Not only does she give us milk but she also made agriculture possible. হিন্দুত্বৰ কেন্দ্ৰীয় দৰ্শনটোৱেই হৈছে - **"গো-সুৰক্ষা"**। মোৰ দৃষ্টিত মানৱ বিৱৰ্তনৰ সৰ্বোত্তম পৰিঘটনাটোৱেই হৈছে **"গো-সুৰক্ষা"।** এই ঘটনাই মানৱক গো-প্ৰজাতিৰ উৰ্ধলৈ উত্তৰণ ঘটাইছে। মোৰ বাবে গো-প্ৰজাতি হৈছে সমগ্ৰ অধিমানবীয় বিশ্বৰ প্ৰতিভূ। গো-মাতাৰ যোগেদি মানৱ জীৱ জগতৰ সত্বাটোৰ অংগাগী হৈ আছে। গো-প্ৰজাতিত কিয় দেৱত্ব আৰোপ কৰা হৈছে, এইটো মোৰ বাবে অতি স্পষ্ট। ভাৰতত গো-প্ৰজাতি মানুহৰ পৰম মিত্ৰ। গো-প্ৰজাতিয়ে আমাক প্ৰচুৰ পৰিমাণে কেৱল দি হে আছে, কি দিছে সেইটো Important নহয়। গান্ধীজীয়ে কৈছিল মোৰ দেউতা বুঢ়া হৈ গ'ল বুলি কি আজি

মোৰ দেউতা মোৰ পৰিয়ালটোৰ বাবে বোজা হৈ পৰিব নেকি ? দেউতাক Economic কাৰণত ঘৰৰ পৰা বাহিৰ উলিয়াই দিম নেকি ? এই কথাষাৰিৰে এইটোৱেই বুজাব বিচাৰিছে যে- গো প্ৰজাতিয়ে আমাক প্ৰচুৰ পৰিমানে দি আহিছে, গো-মাতায়ে কেৱল গাখীৰেই দিয়া নাই, গো-প্ৰজাতিৰ বাবে কৃষিকৰ্ম সম্ভৱ হৈছিল। ১৯২৪ চনত গান্ধীজীয়ে আকৌ কৈছিল - The cow is the purest type of sub-human life. She pleaded before us on behalf of the whole of the sub-human species for justice to it at the hands of man. The first among of that lives she seems to speak to us through her eyes. You are not appointed over us to kill us and eat our flesh or otherwise ill treat us, but to be our friend and guardian. মহাত্মা গান্ধীয়ে কৈছিল - উপমানৱীয় জীৱনৰ পবিত্ৰতম উপমা হৈছে গো- মাতা। সমগ্ৰ উপমানৱীয় জীৱকুলৰ হৈ গো-মাতাই তেওঁলোকৰ প্ৰজাতি বিলাকৰ প্ৰতি ন্যায়োচিত ব্যৱহাৰৰ বাবে মনুষ্যক প্ৰাৰ্থনা কৰিছিল, মনুষ্যই হৈছে সমগ্ৰ উপমানৱীয় প্ৰজাতি গণৰ শীৰ্ষতম প্ৰজাতি। গো-মাতাৰ চকুত আমাৰ প্ৰতি যেন ব্যক্ত হৈছে সেই বাণী। আমাক হত্যা কৰি আমাৰ মঙহ ভক্ষণ কৰিবলৈ অৰ্থবা আমাৰ প্ৰতি অমাৰ্জিত ব্যৱহাৰ কৰিবলৈ তোমালোকক নিয়োগ কৰা হোৱা নাই। তোমালোকক নিয়োগ কৰা হৈছে আমাৰ বন্ধু বা অভিভাৱক হিচাপে। গান্ধীয়ে কৈছিল - In Heem Swaraj, 1909, he had written “ I myself respect the cow, that is, I look upon it with affectionate reverence”. The cow is the protector of India because being an agricultural Country, we are dependent on the cow. The cow is a useful animal in hundreds of ways. Our Mohammedan brethren will admit this. গান্ধীজীয়ে মুছলমান লোক সকলক আবেদন কৰিছিল আৰু তেখেতে ইছলামত বিশ্বাস কৰা লোক সকলক আবেদন জনাই কৈছিল “মই নিজেও গো-প্ৰজাতিক সন্মান কৰো অৰ্থাৎ মই গো-মাতাৰ প্ৰতি প্ৰীতিভৰা সন্মানেৰে দৃষ্টি নিক্ষেপ কৰো।” ভাৰতৰ ৰক্ষাকৰ্তা হৈছে গো-মাতা। ভাৰত কৃষিপ্ৰধান দেশ হোৱা বাবে ভাৰত গো-ধনৰ ওপৰত নিৰ্ভৰশীল। গো-প্ৰজাতিয়ে আমাক নানা প্ৰকাৰে উপকাৰ কৰে, আমাৰ মুছলমান ভাতৃগণেও এই কথা স্বীকাৰ কৰিব। It was an appeal of Gandhiji to the Islamic religious those who obey Islamic religion. আজি ইয়াত অৰ্থনীতিৰ কথা কোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ২০ হাজাৰ কোটি টকাৰ অৰ্থনীতি যদি গৰুৰ ওপৰতে আছিল, আমি যদি নেপালী জাতিৰ ওপৰতেই চিন্তা কৰি কথাষাৰ কওঁ, তেতিয়া হলে, আজিলৈকেটো মোক কোনো এজন নেপালী সম্প্ৰদায়ৰ লোকে স্মাৰক প্ৰত্ৰ দিয়া নাই। পশুধনৰ ওপৰত এই ২০ হাজাৰ কোটি টকাৰ খবৰটো আমি কোনেও টো পোৱা নাই। গতিকে মহোদয়, আজি গৰু বিক্ৰী হোৱা নাই, গৰু চুৰি হৈছে।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান) ঃ** উজনি অসমত গৰুৱেই নাই ।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** এতিয়া ক'ভিডৰ সময়তো হাজাৰ হাজাৰ গৰু বজাৰত বিক্ৰী হৈয়ে আছে।

**ডঃ হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** অধ্যক্ষ মহোদয়, আজি সদনত এনেধৰণৰ কথা কোৱা হৈছে যে পশুধন মানেই গো-হত্যা। মাননীয় বিৰোধী দলৰ দলপতিৰ Importance of animal and husbandry ৰ লগত গো হত্যাৰ কি সম্পৰ্ক আছে? এইখন চৰকাৰ পশুপালনৰ বিৰোধী নহয়, এই খন চৰকাৰে গো-প্ৰজাতিক পশুপালনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাতটো একো অসুবিধা

কৰা নাই। পশুপালন মানে ডায়েৰী, পশুপালন মানে আন ব্যৱসায়, পশুপালনৰ অৰ্থনীতিৰ লগত Cow Slaughter ৰ লগত Juxtapost কেনেকৈ সম্ভৱ হব পাৰে? তাৰ এটা সৰু অংগ হব পাৰেঙ্গ এইটো কথা হয় যে কিছুমান মানুহে গো-হত্যা কৰি জীৱিকা নিৰ্বাহ কৰি আছে, কিন্তু পশুপালনৰ broather subject টোৰ লগত Cow Slaughter কেতিয়াও জড়িত নহয়। Cow Slaughter হৈছে মানৰ সমাজৰ প্ৰতি কৰা এটা ডাঙৰ অন্যায়। যিমানে গৰু নিধন হ'ব সিমানে মানুহ যে এটা অকৃতজ্ঞ জাতি সেইটো প্ৰমাণ হৈ যাব।

প্ৰতিটো গো-হত্যায়ে প্ৰমাণ কৰিছে যে আজি মানুহ দেৱত্বৰ পৰা পশুত্বলৈ গতি কৰিছে আৰু সেইকাৰণে যি মাতৃৰ গাখীৰেৰে আমি জন্ম লাভ কৰিছো আৰু যি মাতৃৰ গাখীৰেৰে মোক দেউতা মায়ে লালন পালন কৰিছে, আজি কেইখনমান পাৱাৰ টিলাৰ বা ট্ৰেক্টৰৰ কাৰণে সেই গৰাকী মাতৃক তোমালোকে হত্যা কৰিবাঙ্গ কালি যদি মানুহৰ ঠাইত ৰবট সৃষ্টি হয়, তেতিয়া কোনোবাই ক'ব নেকি যে মানুহতকৈ ৰবট বেছি পাৰদৰ্শী বা কৰ্মপটু গতিকে মানুহ বিলাকক মাৰি পেলোৱা যাওঁকঙ্গ এনেকুৱা যুক্তি যদি আমি ইয়াত কব যাওঁ বা আজি যদি এনেকুৱা কিছুমান যুক্তি উঠে যে - পাৱাৰ টিলাৰ আৰু ট্ৰেক্টৰ আহিল কাৰণে গো-মাতৃক হত্যা কৰিব লাগেঙ্গ এনেক্ষেত্ৰত মানুহে পাৱাৰ টিলাৰ বা ট্ৰেক্টৰৰ নবনালেই হেঁতেন। আজি পাৱাৰ টিলাৰ বা ট্ৰেক্টৰৰ ঠাইত যদি আন কিবা উন্নত প্ৰযুক্তিৰ বেলেগ কিবা আহে, তেতিয়াহলে পাৱাৰ টিলাৰ ট্ৰেক্টৰ বিলাক নদীত পেলাই দিয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তেতিয়া প্ৰয়োজনীয় কথা কৈছিলো। সেই সময়ত কম আছিল এতিয়া বেছি হৈছে। দ্বিতীয়তে, আমাৰ মহাদেৱ বা শিৱ বাবাৰ বাহন নন্দী হয়, সেই নন্দীটো গাই গৰু নহয়। গতিকে সেই কথাটোত গুৰুত্ব প্ৰদান কৰি কয় যাতে।

**মাননীয় অধ্যক্ষ ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ডঃ হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলপতি ডাঙৰীয়াই কৈ থকাৰ সময়ত মই একোৱে কোৱা নাছিলো। মোৰ কথা এটাই। সেইটো হ'ল কংগ্ৰেছৰ মঞ্চৰ পৰা য়েতিয়া গান্ধীজীক Contradiction কৰা হয়, তাত মোৰ ক'বলগীয়া একো নাথাকে। কিন্তু অধ্যক্ষ মহোদয়, কংগ্ৰেছৰ প্ৰমূল্যবোধ ক'ত লুকাই আছিল? ১৯৫০ চনত আমাৰ অসমত যেতিয়া Cow Protection Bill অনা হয়, সেই সময়ত ভাৰতৰ কোনো ৰাজ্যই আনিব পৰা নাছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈ এই সদনত পাইলত কৰিছিল গো-সুৰক্ষা বিল, ১৯৫১ চনত। গুজৰাটত গো-সুৰক্ষা বিল আহিছিল ১৯৫৪ চনত। অৰ্থাৎ অসমৰ কংগ্ৰেছৰ অগ্ৰজ নেতা সকলে ভাৰতে ভৰাতকৈ আগতে ভাৱিছিল ভাৰতৰ প্ৰমূল্যৰ কথা, ভাৰতৰ সভ্যতা আৰু সংস্কৃতিৰ কথা। আজি আপোনালোকে যদি চাই তেতিয়া দেখিব যে গোপীনাথ বৰদলৈ Assam Cattle Preservation Bill আনিছিল ১৯৫০ চনত। গুজৰাট, উত্তৰ প্ৰদেশে এই বিল বিলাক আনিছিল ১৯৫৪ চনত। পৰৱৰ্তী সময়ত এইটো আছিল অসমৰ কংগ্ৰেছৰ অভূতপূৰ্ব ঐতিহ্য। আজি সেই ঐতিহ্যৰ পৰা আমি ফালৰি কাটি গৈ আছো গৈ আছো, এতিয়া আমি ক'ত আহি পৰিলো যেন গো হত্যা নকৰিলে অসমৰ economy একেবাৰে নোহোৱা হৈ যাব। যেন অসমৰ economy গো হত্যাৰ ওপৰতে চলি আছে। অসমৰ মানুহে খেতি কৰা নাই, অসমৰ মানুহে তাঁত শিল্পও কৰা নাই, অসমৰ মানুহে চাহ শিল্পৰ উৎপাদন কৰা নাই, অসমৰ মানুহে ক্ষুদ্ৰ চাহ খেতিও কৰা নাই, অসমৰ মানুহে অকল গৰুৰে খেতি কৰি আছে আৰু তাৰ কাৰণে খেতি কৰিছে যাতে গৰুটো ভক্ষণ কৰিব পাৰি। অধ্যক্ষ মহোদয়, অসমৰ বিৰুদ্ধে এনেকুৱা negative প্ৰতিশ্ৰুতি এটা যোৱাতো উচিত

নহয়। অসমৰ মানুহে যদি গৰুৰ সংৰক্ষণ কৰিছে গাখীৰৰ কাৰণে। গৰুক হত্যা কৰিবৰ কাৰণে নহয়। আজি আমাৰ সংবিধান এচেম্বলীত যেতিয়া debate হৈছিল তেতিয়া সংবিধান এচেম্বলীত এটা কথা ওলাইছিল। বাবৰে হুমায়ুনক কৈছিল I am cotting from the debate of constituant Assembly reference from cow slaughter to win the herats of the people of Hindustan. বাবৰে হুমায়ুনক কৈ গৈছিল, যেতিয়াই যেতিয়াই মানুহে গো হত্যাৰ পৰা আতৰত থাকিব, ভাৰতত আটাইতকৈ ডাঙৰ সাম্প্ৰদায়িক সম্প্ৰীতি আৰম্ভ হ'ব। আজি যদি ভাৰতত কিবা কাৰণে হিন্দু আৰু মুছলমানৰ মাজত এতিয়াও যদি অবিশ্বাসৰ ক'ৰবাত কিবা বাতাবৰণ আছে, তাৰ আটাইতকৈ ডাঙৰ কথা হৈছে, যে আমি যাক সন্মান কৰো, তাক আপোনালোকে কিহৰ কাৰণে ভক্ষণ কৰে। যি আপোনালোকৰ ধৰ্ময়ো নকয় বুলি আপোনালোকক কোৱা আছে, আপোনালোকে নিজে ইয়াত statement দিছে, যে আমাক এইটো মৰাটো আমাৰ কাৰণে important নহয়। আমাৰ খোৱাটো important নহয়। আপোনালোকৰহে অৰ্থনীতি বেয়া হৈ যাব। সেইকাৰণে আপোনালোকৰ কাৰণেহে আমি কৈছো যে কানুনখন নানিব। এনেকুৱা কথা কোৱাৰ প্ৰয়োজন নাই। এফালে কৈছে ঈদৰ সময়ত মানুহৰ হুলস্থুল। গৰু পাম নে নাপাম আৰু এফালে কৈছে যে আমাৰ কাৰণে এইটো important নহয়। আপোনালোকৰহে economy বেয়া হৈ যাব। নেপালীৰ economy বেয়া হৈ যাব। নেপালীৰ যদি economy বেয়াও হ'লহেতেন, ইমানদিনটো clause 6 মতে অমুক তমুকত নেপালীকসুৰক্ষা দিব লাগিছিল। আজিটো নেপালীৰ ওপৰত ডি- ভোটাৰৰ কেচ চলিব নালাগিছিল। গতিকে নেপালীক কেনেকৈ ৰাখিব লাগে তাক আমি জানো, আমাক সিমান কোৱাৰ প্ৰয়োজনে নাথাকে। মাননীয় অধ্যক্ষ মহোদয়, গোটেই প্ৰশ্নটো হৈছে দুইফালৰ পৰা। এটা হৈছে religious sensitivity আজি যদি আমি চাব যাওঁ, মোৰ হাতত ডাটা আছে। বৰাক উপত্যকা আৰু নামনি অসমত আটাইতকৈ বেছি যদি সাম্প্ৰদায়িক সংঘৰ্ষ হয়, গো মাংসৰ কাৰণে। ২০১৫ চনত হাইলাকান্দি, বৰপেটা, ধুবুৰীত তিনিটা, ২০১৬ চনত নগাওঁ, ধুবুৰী, কোকৰাঝাৰত তিনিটা, ২০১৭ চনত চাউথ শালমৰাত, কাছাৰত তিনিটা, বঙাইগাঁৱত এটা, ২০২১ চনতো কৰিমগঞ্জ, শোণিতপুৰ, ধুবুৰীত এতিয়ালৈকে তিনিটা ঘটনা ঘটি গৈছে। মন্দিৰত গো মাংস থৈ যোৱা। আজি আমি কিয় কৈছো যে মন্দিৰৰ পৰা ৫ কিলোমিটাৰৰ দূৰত খোৱা হওঁক। যাতে হিন্দু-মুছলমানৰ মাজত সম্প্ৰীতি বাঢ়ে। আমি আপোনালোকৰ right টোক এতিয়া হস্তক্ষেপ কৰিব খোজা নাই। আজি মই কেইদিনমান আগতে আমাৰ ছয়গাওঁ সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদক কৈছো যে ছয়গাওঁত খাব নালাগে গৰৈমাৰীত খাওঁক। তাৰ ফলত কি হৈছে যে, ছয়গাওঁত কেতিয়াও হিন্দু মুছলমানৰ মাজত সংঘৰ্ষ নহয়। আজি আগতে আইন বিলাক বনোৱা হৈছিল যে এনেকুৱা হওঁক মাজুলীৰ সত্ৰৰ সন্মুখতে আমাৰ দোকান আৰম্ভ হওঁক যাতে মানুহৰ মাজত সংঘৰ্ষ হয়। আজি আমি কৈছো article 21, 25, article 30 আছে, আপোনালোকৰ জাগাত আপোনালোকে যি কৰি আছে কৰক। কিন্তু য'ত হিন্দু মানুহ আছে, য'ত জৈন আছে, য'ত বৌদ্ধ মানুহ আছে তাত গৰু খোৱাতো প্ৰয়োজনীয় নেকি ? কোনো ভাল মুছলমানে এইকথা নিবিছাৰে। কোনেও নিবিছাৰে। আজি স্কুটাৰেদি মই আহিলো শিৱদৌলত, স্কুটাৰেদি মই মছজিদত গ'লো। কিন্তু মোৰ ধৰ্মই আটাইতকৈ বেয়া পোৱা, যদি আটাইতকৈ বেয়া পোৱা কামটো যদি মোৰ ঘৰৰ সন্মুখতে হয়, সেই কামটো কিমান দূৰ স্থায়ী হ'ব। কিন্তু এই মানুহজনে যদি শিৱদৌলৰ পৰা পাঁচ কিলোমিটাৰ গড়ত গৈ নিজৰ খাদ্যৰ অধিকাৰক সাব্যস্ত কৰে, সেই সাম্প্ৰদায়িক সম্প্ৰীতি স্থায়ী হ'ব, মিলনৰ সেতু আৰু বেছি কটকটীয়া হ'ব। অধ্যক্ষ মহোদয়, আমাৰ বিলখনত

কোনো বেয়া intention নাই। আমি এফালে কৈছো যে, কোনোবা মানুহে যদি খাব খোজে, আপোনালোকে হিন্দু মানুহ থকা ঠাইত নাখাব। আপোনালোকে বৌদ্ধ মানুহ থকা ঠাইত নাখাব, জৈন মানুহ থকা জাগাত নাখাব আৰু যদি মন্দিৰ সত্ৰ আছে পাঁচ কিলোমিটাৰৰ ভিতৰত নাখাব। আজি বৰপেটাৰ দৰে য'ত শংকৰ মাধৱৰ কৰ্মভূমি, সেই বৰপেটাত মই যদি কওঁ, বৰপেটা সত্ৰৰ পৰা পাঁচ কিলোমিটাৰ দূৰত মাত্ৰ নাখাব, কোনজন প্ৰকৃত মুছলমানে তাক বিৰোধিতা কৰিব কওঁকচোন? প্ৰতিজন মুছলমানে বৰপেটা সত্ৰক সন্মান কৰে। তেওঁলোকে ক'ব ঠিক আছে, হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে এটা ডাঙৰ কাম কৰি থৈ গ'ল, আমাৰ মাজত আৰু সংঘৰ্ষ নহয়। পাঁচ কিলোমিটাৰৰ দূৰত খাব, যদি খায়, মইতো কম, নাখাব কেতিয়াও। কিন্তু তথাপিতো আপোনাৰ অধিকাৰ, মই ক'লেতো নহ'ব। আপোনাক সংবিধানে অধিকাৰ দিছে। তাক মই সন্মান কৰো। কিন্তু পাঁচ কিলোমিটাৰৰ দূৰত খোৱাতো এইটোক কয় respect to others যে আমি আনজনৰ সন্মান, আমি আনজনৰ যিটো চিন্তা তাক আমি সন্মান কৰিছো আৰু সেইখিনি যেতিয়া আমি মানিব নোখোজো, তাৰ পৰাই সংঘাতৰ আৰম্ভ হয়। তাৰ পৰাই সংঘাতৰ পোখা মেলে। তাৰ পৰাই সাম্প্ৰদায়িক সংঘৰ্ষ আৰু সম্প্ৰীতিৰ বান্ধোনডাল ঢিলা হৈ যায়। আজি যদি কোনোবা মুছলিম মানুহ এজনে কয় যে মোক মন্দিৰৰ পাঁচ কিলোমিটাৰৰ ভিতৰত খাব দিয়ক, that means we donot respect our religion.আজিতো এইখন অসম ধুনীয়া হ'লহেঁতেন যদি এ আই ইউ ডি এফৰ পৰা ইয়াত আহিলহেঁতেন যে, এইটো ছয় কিলোমিটাৰ কৰি দিয়ক, পাঁচ কিলোমিটাৰৰ ঠাইত।  বৰপেটা সত্ৰৰ ছয় কিলোমিটাৰ দূৰতহে মই খাম। কিমান ধুনীয়া অসমখনে আজিয়েই পৰিৰ্বতনৰ এটা চিগনেল দিলেহেঁতেন। পাটবাউসী সত্ৰৰ ছয় কিলোমিটাৰ দূৰত মই খাম। খোৱাততো বাধা দিয়া নাই। চিনেমা চাব খোজো, চিনেমা হ'ল বিলাক ঘৰৰ লগত আছে নেকি? মানুহেতো ১০ কিলোমিটাৰ যায়, কাশ্মীৰ চাব খোজো, কাশ্মীৰখনতো ওচৰত নাই। প্লেইন লৈ কাশ্মীৰলৈ যাওঁ যেতিয়া কাশ্মীৰ চাবলৈ মন যায়। যদি আমাক সাম্প্ৰদায়িক সম্পৰ্ক লাগে, সংহতি লাগে ভাৰতবৰ্ষত মানুহৰ এটা ভূল অভিধাৰণা হৈ গ'ল যে সাম্প্ৰদায়িক সম্প্ৰীতি ৰক্ষা কৰাৰ দায়িত্ব কেৱল হিন্দুৰ, তেনেকে নহয়। সাম্প্ৰদায়িক সম্প্ৰীতি তেতিয়া ৰক্ষা হ'ব, যেতিয়া হিন্দুৱে যিমান মুছলমানৰ sensitivity respect কৰে, equally যেতিয়া মুছলমান মানুহ এজনে হিন্দুৰ sensitivity ক respect কৰিব। আজি মইতো আহ্বান জনাম, এই সদনৰ মুছলমান মানুহ সকলক, নেপালীৰ কথা ক'ব নালাগে, এইবিলাক বাদ দিয়ক। নে বৰাক উপত্যকাত কোনোবা নেপালী আছে নে নেপালীৰ চিন্তা আপোনাৰ আছে। এইবিলাক বাদ দিয়ক। আপুনি কওঁক যে, ছয় কিলোমিটাৰ কৰি দিয়ক। সেই দিনাখনেই অসমত সাম্প্ৰদায়িক সম্প্ৰীতিৰ নতুন ভেটি এটা প্ৰতিষ্ঠা হ'ব। যে হয়, আজিৰ পৰা অসমখনে সচাঁ অৰ্থত communal tension ৰ পৰা সাম্প্ৰদায়িক সম্প্ৰীতিলৈকে গ'ল। মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কৈছে যে অসমতো পাঁচ কিলোমিটাৰ বাদ দি মই জাগা কল্পনাই কৰিব নোৱাৰো। সেই ৰামো নাই, অযোধ্যাও নাই। কিলোমিটাৰ কিলোমিটাৰ অসমত মন্দিৰ নাই। যি আছিলো, সেয়াও নোহোৱা হৈ গ'ল। বাঘবৰ, জনীয়া মাটিৰ কাগজবোৰ চাবচোন? কিমান বেয়া লাগে ঠাইত বিলাকৰ নাম কি আছিল? শ্বেৰমান দা নাই, মই কেইদিনমান আগতে কিবা এটা মোবাইল চুৰিৰ ঘটনাক লৈ এই গাওঁবিলাকৰ নাম চাইছিলো। ইমান ধুনীয়া সনাতনী নাম। এতিয়া তাত এজনো সনাতন নাথাকে। নাম ক'লেই কলিতাকুছি, ইয়াত কলিতা সম্প্ৰদায়ৰ কথা। অলপ আগতে ভৰত নৰহ ডাঙৰীয়াই মাজুলীৰ বিলত কৈ আছিল। নাম কলিতাকুছি, ৰাধাকুছি। তাত কলিতাও নাথাকে, ৰাধাও নাথাকে। কিলোমিটাৰ কিলোমিটাৰ ক'তো মন্দিৰ নাই আৰু মন্দিৰ

তাত জীৱনত নহয়। কোনো টেনচন নল'ব। কোনোবাই যদি কয়, জলেশ্বৰত নতুনকৈ মন্দিৰ হ'ব, হ'ব নেকি আফতাব মোল্লাক সোধকচোন? যদি আফতাব মোল্লাই আনটাইড ফাণ্ডৰ টকা দি মন্দিৰ নকৰে, তাত আৰু মন্দিৰ পতা মানুহ নাই। এইবিলাক কথাই এই সদনত কোৱাৰ পৰিৱৰ্তে বাস্তৱ জীৱনলৈকে চিন্তা কৰক। আজি এনেকুৱা অসমত পাঁচ কিলোমিটাৰ ঠাইত কমচে কম সত্তৰ-আশী হাজাৰ গাওঁ হ'ব, গাওঁ মানে habitation, মই গাওঁ বুলি ৰেভিনিউ ভিলেজ কোৱা নাই revenue village ৰ কথা কোৱা নাই, যাৰ ৫ কিঃ মিঃ দূৰলৈকে হিন্দু মৰা সঁচটোও নাই। এটা কথা আছে যে গছ এডাল কাটিলে তাৰ পৰা আকৌ পোখা মেলে, গতিকে সাৰ-তাৰ মাৰি তাক একেবাৰে নিৰ্ব্বংশ কৰি দিয়া বুলি যিটো কয়, তেনেকৈ সেই ঠাইবিলাকৰ পৰা হিন্দু মানুহ নিৰ্ব্বংশ হৈ গৈছে। এইটো অতি দুখৰ কথা, পৰিতাপৰ কথা। এতিয়া ৰাধাকুছি বা কলিতাকুছিত হিন্দু নাথাকে। এইখন অসমৰ বাস্তৱ চিত্ৰ যিটো অতিকৈ দুখজনক আৰু বেদনাদায়ক। কিন্তু এয়াই বাস্তৱ। আজি ৰফিকুল ইছলাম ডাঙৰীয়াই ইয়াত আপত্তি কৰিবলগীয়া কোনো কথাই নাই। জনীয়াত মাত্ৰ এখন সত্ৰ আছে আৰু তাৰ কাষত মাত্ৰ কেইঘৰমান হিন্দু মানুহ আছে। তাৰ ৫ কিঃ মিঃ দূৰত আপোনালোকে নাখাব। বাকীখিনিতো আপোনালোকৰে ঠাই। আপুনি জনীয়া সত্ৰৰ পৰা মাত্ৰ ৫ কিঃ মিঃ আমাৰ কাৰণে এৰিব নোৱাৰে নেকি?

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** আমি আপোনাৰ কাৰণে গোটেই অসম এৰি দিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** আমাক গোটেই অসম নালাগে। মাত্ৰ ৫ কিঃ মিঃ এৰিব। মই আপোনালোকক খাবলৈ মানা কৰা নাই। কাৰণ আপোনালোকৰ খাদ্যৰ অধিকাৰ আছে। যদি আপুনি নাখাই তেতিয়াহ'লে মই আপোনাৰ প্ৰতি কৃতজ্ঞ হ'ম। আপোনাৰ যিহেতু অধিকাৰ আছে, মই সেই অধিকাৰক সন্মান কৰো। কিন্তু ইমানখিনিতো মই ক'ব পাৰো যে সেই নন্দ তালুকদাৰৰ গাওঁখনত আপোনালোকে আমাক ৫ কিঃ মিঃ এৰি দিয়ক বাকীখিনি আপোনালোকে লৈ লওঁক। ইয়াতটো একো আপত্তি থাকিব নালাগে। এইখিনি কথাৰ কাৰণে select committee ত যাব লাগে নেকি? যদি আপোনালোকে কয় যে ৫ কিঃ মিঃ টো আমি বেয়া পাইছো, ৭ কিঃ মিঃ ৰ কাৰণে select committee ত যাব লাগে তেতিয়া মোৰ কোনো আপত্তি নাই। কিন্তু আপোনালোকৰ কথাবিলাক ওলোটা। এতিয়া গীতাকে গাই দিয়া হ'ল যে - কৰ্মৰ ওপৰত আমাৰ অধিকাৰ নাই, তাৰ অৰ্থ হ'ল গৰু মাৰা। ইয়াত গীতাৰ বিশ্লেষণ কৰ পৰা আহিলে? ভাৰতবৰ্ষত হিন্দুৰ কেন্দ্ৰীয় ধাৰণাটোৱেই হৈছে যিজনে গীতা লিখিছিলে, কৃষ্ণ। কৃষ্ণ আৰু গৰুৰ সম্পৰ্কটোক মই কমলাক্ষ দে পুৰকায়স্থক বুজাই ক'ব নালাগে। গীতাৰ কথা আপুনি উদ্ধৃতি দিছে আৰু গীতাৰ প্ৰণেতা কৃষ্ণই যশোদাৰ লগত মাখন লৈ আজি মাখনচোৰ আদিৰ দৰে কিমান পৰিদৃশ্য। সেই গীতাৰ প্ৰণেতা কৃষ্ণই যদি শুনে যে মোৰ গীতাখনৰে অপভ্ৰংশ কৰি গো-মাতা হত্যাৰ কাৰণে কোৱা হৈছে বুলি তেতিয়া কেনেকুৱা হ'ব?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মোৰ কথাখিনি ভালদৰে শুনা নাই চাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়া, আপুনি কোৱাৰ পিছত মোৰো ক'বলগীয়া আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** আপোনাৰ যদি ক'বলগা আছে, ক'ব। কিন্তু সদনখন musical chair নহয় যে এবাৰ মই কম তাৰ পিছত আপুনি ক'ব বা এবাৰ আপুনি ক'ব তাৰ পিছত মই কম। এনেকুৱা হৈ থাকিলে অহাকালি ৰাতিলৈকে হৈয়ে থাকিব। সদনৰ নিয়ম আছে যে প্ৰথমে আপুনি ক'ব তাৰ পিছত মই উত্তৰ দিম আৰু তাৰ পিছত ভোটত যাব। কমলাক্ষ দে

পুৰকায়স্থই কিবা ক'ব বুলি মই ভয় কৰি থকা নাই। যুক্তিত যদি কিবা কয় মই মানিম। আমিনুল ইছলাম ডাঙৰীয়াই এটা যুক্তিপূৰ্ণ কথা কৈছে, সেইটো মই মানিও লম। যুক্তিৰ কথা মানি লোৱাত এইখন চৰকাৰৰ কোনো আপত্তি নাই। তেওঁ কৈছে buffalo টো প্ৰয়োজন নাই। সেইকাৰণে প্ৰয়োজন নাই যিহেতু আমিও সেইটো বাদ দিছো। আমিনুল ইছলাম ডাঙৰীয়াই কৈছে উত্তৰ প্ৰদেশত buffalo টো নাই। মই লগে লগে আইনখন পঢ়িলো আৰু দেখিলো যে হয়, উত্তৰ প্ৰদেশত buffalo টো নাই। Cow protection ৰ লগত buffalo ৰ প্ৰয়োজন নাই। তেখেতে প্ৰস্তাৱ দিছে আৰু আমি সেইটো মানি লম।

আজি মই এতিয়া আহো বিজ্ঞানলৈকে। Economic argument বা ধৰ্মীয় argument আমি এটা জাগাত থলো। Cambridge, ITCC তেওঁলোকে কৈছে যে, combat climate change by cutting beef production. Cambridge এ কৈছে যে, how eating less beef could help protect the plant from climate change. Cambridge বিশ্ববিদ্যালয় তেওঁলোকে গৱেষণা কৰিছিল beef or a lamb. এইখন আপোনালোকে চাব removing beef and lamb from menu dramatically reduces food related carbon emission at Cambridge University. এই কথা অকল ধৰ্মীয় কথা নহয়। আজি economy ৰ কথা কোৱা হৈছে। কিন্তু যাক আমি পূজা কৰো তাক হত্যা কৰিটো আমাৰ economy নহয়। বৈজ্ঞানিকভাৱে কিছুমান কথা চিন্তা কৰি আজি আমাৰ চৰকাৰে বাজেটত কি কৈছে যে sex-sorted semen ব্যৱস্থা কৰিম যাতে আমাৰ এনেকুৱা গো প্ৰজনন হয় যিয়ে আমাক অকল গাখীৰ দিব। Bull সৃষ্টি নকৰে, গাইৰ সৃষ্টি কৰিব। বিজ্ঞানে এই ব্যৱস্থা provide কৰিছে। মোৰ বোধেৰে আমি সমগ্ৰ প্ৰাণী হত্যাৰ বিৰুদ্ধে যাব লাগে আৰু vegan হ'ব লাগে। এই কথা বুদ্ধদেৱেও কৈছিল। কিন্তু আমাৰ মহাত্মা গান্ধীয়ে গো-মাতাক কেন্দ্ৰীয় ভূমিকা দি থৈ গৈছে। মই গান্ধীজীৰ কথা কৈছো, ৰাজেদ আলী ডাঙৰীয়া আপুনিতো সেইটো দলতে আছে এতিয়ালৈকে। গতি কে মাননীয় অধ্যক্ষ মহোদয়, মানুহে যাতে গৰু বিক্ৰী কৰিব নালাগে, তাৰ কাৰণে তাক আমি convert কৰিব লাগিব যাতে সি আমাক production related activity ত সহায় কৰে। যোৱাকালি আমেৰিকাৰ পৰা এটা দল আহিছিল, মই তেওঁলোকৰ লগত কথা পাতিছো। বৰপেটা ডায়েৰী ফাৰ্মতে আমি এটা ব্যৱস্থা কৰিম। আমি এটা নতুন technology ব্যৱহাৰ কৰিব খুজিছো যি প্ৰতি বছৰে ২ লাখ গৰুৰ প্ৰজনন কৰিব পাৰো। তাত অকল গাইহে জন্ম হ'ব। তেনেকুৱা ধৰণৰ এটা ব্যৱস্থা লম যিটোক sex-sorted semen বুলি কয়। এতিয়া যিহেতু আমাৰ ইয়াত খেতি কৰিবলৈ tractor ৰ ব্যৱহাৰ হয়, সেয়েহে ষাঁড় গৰু বিলাকক সমাজে বোজা হিচাপে গণ্য কৰিব। তাৰকাৰণে বিজ্ঞানীসকলে প্ৰচেষ্টা হাতত লৈছে যাতে ষাঁড় গৰুৰ সংখ্যাটো কমি গৈ থাকে আৰু গাইৰ সংখ্যাটো বাঢ়ি গৈ থাকে। অহা বছৰৰ পৰা আমি ২ লাখ গৰুৰ sex-sorted semen ৰ ব্যৱস্থা কৰিম।

অধ্যক্ষ মহোদয়, এই বিলখনত আমি একো নতুন কথা কোৱা নাই। লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়াই Section-1 ত কৈছিলে যে male female buffalo, buffalo calf, calf hafer এইবিলাক মাৰিব নোৱাৰে কেইটামান condition ত। আমাৰ definition ত আমি নতুনকৈ অকল hafer টো লগাইছিলো। বাকীবোৰ definition 1950 ৰ Bill ত আছেই। এতিয়া আমিনুল ইছলাম ডাঙৰীয়াই কোৱাৰ কাৰণে আমি male female buffalo আৰু buffalo টো বাদ দিলো। গতিকে 1950 ৰ Act ত কৈ আমাৰ Act খন বেছি

ভাল হৈ গল যদি আপোনালোকে economic argument টো দিয়ে। তাৰ পিছত কৈছিলে যে no certificate should be issued -the cattle not being a cow is over 14 years of age. The cattle not being a cow or hafer or calf has become permanently in capaciatated from the work or breeding due to accidental injury or deformity. এই কথাটো আগতেও আছিলে যে ১৪ বছৰ বয়সলৈকে গৰুক মাৰিব নোৱাৰে। ১৯৫০ চনতে বৰদলৈ ডাঙৰীয়াই এই কথা কৈ গৈছিল। কংগ্ৰেছ দলে এইবিলাক কথা পঢ়া নাই। এইবিলাক কথা কংগ্ৰেছে লিখি থৈ যোৱা। আমি মাত্ৰ ইয়াত যোগ দিলো যে ১৪ বছৰ বয়স হ'লেও cattle নামাৰিব, তাৰমানে আপোনালোকে গো-হত্যা নকৰিব। একো মাৰিব নোৱাৰে, ইতিয়া যদি কংগ্ৰেছে কয় গোপিনাথ বৰদলৈৰ আইনখনেই মই নামানো এই আইন নামানিলেওটো এইখন কানুন আছেই। Implementation হে হোৱা নাছিল। আজি সদনত যেতিয়া সদস্যই কয় যে ১৪ বছৰলৈকে কেনেকৈ পালিব ? তাৰমানে ইমানদিন মৰি আছিল নেকি ১৪ বছৰৰ তলত। কিন্তু নিষিদ্ধ আছিল, ১৯৫০ তে নিষিদ্ধ হৈ আছিল। এতিয়া আমি তাত কি addition কৰিছো যে ১৪ বছৰ হলেও আপোনালোকে গায় গৰু মাৰিব নোৱাৰে। we have only added that line আৰু একোটো লাইন আমি লগোৱা নাই। The operative point is same , তাৰ পিছত আমি কি কৈছো, যদি Veterinary Officer য়ে কিবা এটা অৰ্ডাৰ দিয়ে আগৰ আইনতো আছিল যে within 15 days আপুনি appeal কৰিব পাৰিব। এই আইনতো আমি লিখিছো যে within 15 days appeal কৰিব পাৰিব। আমিটো বৰদলৈ ডাঙৰীয়াৰ এক্ট খনৰ লগত কতো সালসলনি কৰা নাই। Vote bankটো সলনি হলেও মানুহৰ দৰ্শনটো সলনি হ'ব নোৱাৰে। পাৰিব নেকি কওঁকচোন ? আজি আমাৰ ইয়াতে কি কৈছিল যে Prohibition of slaughter of Cattle other than place prescribed for the purpose . একেটাই কথাই আমি কৈছো Prohibition of slaughter of Cattle in place other than slaughter house. তেওঁলোকে slaughter house শব্দটো কোৱা নাছিল, Plus place prescribed বুলি কৈছিল। আমি কৈছো Slaughter houseৰ বাহিৰত মাৰিব নোৱাৰিব, বৰ দলৈ ডাঙৰীয়াই কৈছিল যে Place prescriberৰ বাহিৰত মাৰিব নোৱাৰিব। Its just a grammatical things . আমি নতুন দুটা মাত্ৰ পইন্ট লগাইছিলোঁ, সেইটো হ'ল যে অসমেদি গৰু Transport হ'ব নোৱাৰে। তাতটো কাৰো আপত্তি নাই। যদি চোৰাং কৰি বাংলাদেশলৈ গৰু যায়, আগতে গৈ আছিল, হাউচতো আমি আলোচনা কৰিছিলো যে চোৰাং কাৰবাৰ বন্ধ হ'ব লাগে, Punishment লিখা নাছিল। কলিকতাৰ পৰা বাংলাদেশলৈ গৰু অসমৰ যোগেদি পঠাব নালাগে Illegal activity হ'ব নালাগে তাতটো কাৰো আপত্তি নাই। সেইটো ক্লছহে আমি নতুন আনিলো। তাৰ লগত মই দুটা ক্লছ নতুন আনিছো আৰু মই ভাৱো যে যিটো অসমৰ পৰিৱেশত আমাৰ ইছলাম ধৰ্মক বিশ্বাস কৰা বিধায়ক সকলে আটাইতকৈ বেছি সমৰ্থন কৰিব লাগে। যাতে নতুন অসমৰ এখন বুনিয়াদ নিৰ্মাণ হ'ব পাৰে। আমি দুটা পইন্ট দিছো মাত্ৰ বৰদলৈ ডাঙৰীয়াৰ বাহিৰত আমি তিনিটা পইন্ট আমি কৈছো। যে তাত Transportation হ'ব নালাগে, দ্বিতীয়তে, কি কৈছো যে Substantial Hindu থকা ঠাইত আপোনালোকে গৰু বিক্ৰী নকৰিব। কি Substantial হ'ব সেইটো ৰুলে কব। ইয়াত কৈছে যে Substantial বুলি লিখি থৈছে, এক্টত তেনেকৈয়ে

থাকে, ৰুল্চত স্পেচিফিক হয়। Substantial Hindu মানে চৰকাৰে ৩০ শতাংশও কব পাৰে, ৮০ শতাংশও কব পাৰে এইটো ৰুল্চত কব। কিন্তু আমি কৈছো যে হিন্দু থকা ঠাইত আপোনালোকে বা যোনে নহওক Slaughter নকৰিব, মানুহে মনত খুব কষ্ট পায়। নকয় কোনোবাই। কোনোবাই দুখীয়া মানুহে হিন্দু মানুহে যে গৰু বিক্ৰী কৰি নিদিয়ে সেইটো মই নকও, কিন্তু দৰিদ্ৰতাৰ কাৰণেহে বিক্ৰী কৰে। যিদিনাখন বিক্ৰী কৰে ৰাতি সেইদিনাখন ঘৰত ভাত নাখায়। ময়ো জানো বৰপেটা জিলাত মোক কেইদিনমান আগতে কৈছে ইদৰ আগত কিছু হিন্দু পৰিয়ালে গৰু বিক্ৰী কৰিছে। কিয় বিক্ৰী কৰিছে। নিজৰ মাতৃক কোনোৱাই বিক্ৰী কৰে নেকি? যোনদিনা খন বিক্ৰী কৰে কিমান বাৰ মন্দিৰত চাকি জ্বলাই আপোনালোকে খবৰ ল'ব, যে, ভগৱান দৰিদ্ৰতাৰ কাৰণে কৰিছো, মোক মাফ কৰি দিবা। নহলেওটো আমি সবেই আজি হাউচত একেলগে গৰু খালোহেতেন। আত্মাই নকয় আমাৰ। যিকোনো হিন্দুক সুধিব। আজি যি সকলে ৰাজনীতিৰ কাৰণত কাৰোবাৰ ভোট বেংক সলনি হৈছে, ভোট লাগে কোনোবা হিন্দুয়ে এইটো কৈছে, সেইটো বেলেগ কথা। কিন্তু মই ইছলামৰ মানুহক ধন্যবাদ দিম, যে আপোনালোকৰ সমষ্টি সলনি হ'লেও কিন্তু আপোনালোকে কুৰ্বানী নোহোৱা জন্তু নাখাও বুলি নকও। কালি যদি এজন মুছলিম মানুহৰ সমষ্টিও পৰিবৰ্তন হয় জনগণৰো যদি পৰিবৰ্তন হয় ইছলামক বিশ্বাস কৰা মানুহ এজনে কিন্তু গাহৰীৰ সপক্ষে নকয়। Character এটা আপোনালোকে evolve কৰিছে, মই মানি লওঁ You have develop a character.

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** আমাৰ চকুৰ আগতে খায়, আমাৰ বেয়া নালাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** মই কলোৱে You have develop a character . কিন্তু গাহৰীটোক আপোনালোকে পূজা নকৰে, পূজা কৰিলেটো মই বন্ধ কৰি দিলোহেতেন। এইটো এটা বেলেগ চেপ্তাৰ, মই কেতিয়াবা ডিবেদত যাম, মই পঢ়িছিলো এক্টখন অনাৰ আগতে। কুৰ্বানী কৰিব নোৱাৰে, That is the only কথা, কুৰ্বানী কৰিব পাৰিলে গাহৰীও কুৰ্বনীত গ'লহেতেন। কুৰ্বানী কৰিব নোৱাৰে কাৰণে গাহৰীটো আপোনালোকে নাখায়। ইমানে কথা। কিন্তু গাহৰীটোক আপোনালোকে পূজা নকৰে। গাহৰীৰ লগত পূজাৰ সম্পৰ্ক নাই। গো মাতৃক আমি পূজা কৰো। That is the fundamental difference. কোনোৱা এজন হিন্দুৱে যেতিয়া গৰু এটা বিক্ৰী কৰে, পালিব নোৱাৰাৰ কাৰণে আপোনালোকে কোৱা কাৰণবিলাকে মই কৈছো, দানা খুৱাব নোৱাৰো, পালিব নোৱাৰো, উপাই নাপায় বিক্ৰী কৰি দিওঁ। Fixed deposit ৰ কাৰণে নহয়, যে Admission ৰ কাৰণে বিক্ৰী কৰি দিম, বেমাৰত বিক্ৰী কৰি দিম এইটো নহয়। মোৰ দৰিদ্ৰতাই মোক বাধ্য কৰায়। আৰু যিদিনাখন এইটোত বাধ্য হয় গোহালীত গৈ যেতিয়া সেই গৰুটো নেদেখে আৰু পিছত যেতিয়া শুনে যে গৰুটো অমুকত লৈ গৈ কুৰ্বানী হৈ গ'ল তেতিয়া হিন্দু মানুহজনৰ আত্মাই কান্দে। সেই কান্দোন বৰপেটা ধুবুৰীত আপোনালোকে শুনিব লাগিব। কাৰণ আমি তাত সংখ্যা লঘিষ্ঠ। বৰপেটা, ধুবুৰী, গোৱালপাৰাত হিন্দুৰ স্বাৰ্থ সুৰক্ষা কৰাৰ দায়িত্ব আমাৰ মুছলমান সমাজৰ বিধায়ক সকল। শিৱসাগৰৰ সাম্প্ৰদায়িক সম্প্ৰিতিৰ উদাহৰণ অসমে ৫০০ বছৰ দিলে। এতিয়া আমাৰ মানকাচাৰত সাম্প্ৰদায়িক সম্প্ৰীতিৰ উদাহৰণ লাগে, এতিয়া জলেশ্বৰত সাম্প্ৰদায়িক সম্প্ৰীতিৰ উদাহৰণ লাগে, যে কেনেকৈ আপোনালোকে মন্দিৰবিলাক পুনৰ নিৰ্মাণ কৰি দিছে, কেনেকৈ আপোনালোকে এজন হিন্দু থকা পৰিয়ালতো ইদৰ দিনাখন সেই অঞ্চলত গৈ কুৰ্বনী কৰা নাই। মানুহে আপোনালোকক সন্মান কৰিব, এখন নতুন অসমৰ বুনিয়াদ নিৰ্মাণ হ'ব। আক্ৰমাণকাৰী আপোনালোক নহয় যে জয় কৰি

দিলো গতিকে ধুহি মুহি যাম। আপোনালোক এইখন সমাজৰ নাগৰিক। ভাৰতবৰ্ষৰ সভ্যতা-সংস্কৃতিৰ আপোনালোক অংশীদাৰ আৰু আপোনালোকৰ পূৰ্বজ এদিন হিন্দু আছিল। যেতিয়া এই কথা প্ৰতিদিনে মনত ৰাখিম যে, মোৰ পূৰ্ব যদি হিন্দু আছিল, মোৰ পিতৃ-মাতৃ কোনোবা জনমত হিন্দু আছিল তেতিয়া আৰু এইখন অসমত কোনো কাৰণতে সাম্প্ৰদায়িক সংঘৰ্ষ নহয়। মই আজি আপোনালোকক দায়িত্ব দিছোঁ, বৰপেটা সত্ৰৰ নাম আপোনালোকে ৰাখক। আমি আৰু নোৱাৰো। আমি পলিটিকেলি বৰপেটাত জিকিব নোৱাৰো। জনিয়াত হিন্দু জিকিব নোৱাৰে, মানকাছাৰত জিকিব নোৱাৰে। সেইখিনি সংৰক্ষণ কৰাৰ দায়িত্ব আপোনালোকে লওঁক। ইদৰ দিনাখন যাতে সেইঠাইৰ হিন্দুৱে কষ্ট নাপায়, আমি যেনেকৈ যোৰহাট, শিৱসাগৰৰ মুছলমানে যাতে কষ্ট নাপায় তাৰ চিন্তা কৰো। কেনেকৈ আপোনালোকে আমাৰ সেইসকল সংখ্যালঘিষ্ঠই যাতে দুখ নাপায় তাৰ চিন্তা কৰক। আজি ৰকিবুল হুছেইন ডাঙৰীয়াই যি উদাহৰণ দিলে সেই উদাহৰণ আছিল আজান ফকিৰ, শংকৰৰ। এই উদাহৰণ এতিয়া মানকাছাৰত আৰম্ভ হওঁক। যে মানকাছাৰৰ কামাখ্যা মন্দিৰৰ ৱাল আমিনুল ইছলাম ডাঙৰীয়াই দিছে, জনিয়া সত্ৰৰ সংৰক্ষণৰ দায়িত্ব ৰফিকুল ইছলামে লৈছে। তেনেকৈ নতুন অসমৰ বুনিয়াদ নিৰ্মাণ হ'ব। সেই কাৰণে মই আপোনালোকক অত্যন্ত বিনম্ৰতাৰে কৈছোঁ। যাৰ ভোট বেংকৰ লোভ আছে তাৰ কথা বাদ দিয়ক। এই সদনত বহুত মানুহ আছে যাৰ অন্তৰ পবিত্ৰ। আল্লা, ভগবানে আমাক পবিত্ৰ অন্তৰৰ গৰাকী কৰি পঠিয়াইছে। আপোনালোকে কওঁক যে ৫ কিঃমিঃ একো কথায়ে নহয়, বৰপেটা সত্ৰৰ মান ৰাখিবৰ কাৰণে আমি ৬ কিলোমিটাৰো মানি লম। চাওঁক কালিৰ পৰা অসমখন কেনেকুৱা সলনি হৈ যাব।

**শ্ৰীচিদ্দিক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ** ১৫ কিলোমিটাৰ কৰি দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** মইটো কৈছো কৰিব লাগে। কালিৰ পৰা মই শুনি আছিলো, কোনোবা আপোনালোকৰ চি এল পি ত কৈ আছে যে আমি টোটেল বেগুৰ কথা কম বুলি। কলেটো খুব ভাল। তেনেকুৱা কথা মই শুনি আছিলো, আপোনালোকৰ মাজত বিতৰ্ক হৈ আছিল। মই বোলো কৈয়ে দিব নেকি কোনোৱাই টোটেল বেগু কৰিব লাগে বুলি। গতিকে এইটো হলেটো ভালেই আছিল। মইটো জাপ মাৰি লৈ ল'লোহেঁতেন। অধ্যক্ষ মহোদয়, মই আমাৰ হাউচৰ প্ৰতিগৰাকী ইছলাম ধৰ্মী বিধায়কক আহ্বান জনাম, যে এই যে গৰুমাংস এৰি থৈ যোৱা, মন্দিৰত কাজিয়া লগা। কেতিয়াবা এৰি থৈ নাযায়, ওচৰতে কোনোৱা মুছলমান মানুহ থাকে, তেওঁলোকে নিয়ম মতে গো ভক্ষন কৰে, মেকুৰী, কুকুৰে তাৰ হাড়ডাল লৈ যাই ওচৰৰ মন্দিৰটোত ৰাখি দিয়ে আৰু গোটেই অসমখন সাম্প্ৰদায়িক সংঘৰ্ষত পৰিণত হয়। তেনেকুৱা হে হৈ যায়। গতিকে এইটো জন্তু-জানোৱাৰৰ যোগেদিও হয়। কেইদিনমান আগতে ঢেকীয়াজুলিত এনেকুৱা এটা ঘটনা হৈছে, মন্দিৰত গৰুৰ মাংস, হুলস্থূল। মই সুধিছো মানুহক যে সঁচাই কচোন এইটো কোনোৱাই ৰাখি থৈ গৈছে নেকি? বোলে নহয়, কোনোৱা কুকুৰে আহি এইটো ৰাখি থৈ গৈছে। লগে লগে মই এচ পি ক কৈছো যে বুজাক গৈ। আমি এনেই কাজিয়া নকৰো, কাজিয়া কৰাৰ যুক্তি থাকিলে বেলেগ কথা। অলাগতীয়াল কাজিয়া আমি নকৰো। তেতিয়াই মই মনত ভাৰিছিলো যে যদি ৫ কিলোমিটাৰ দূৰত্বটো আমি ৰাখি দিও অসমত আৰু কেতিয়াও সাম্প্ৰদায়িক সংঘৰ্ষ নহয়। আজি আপোনালোকে ধুবুৰীৰ কথা জানে, ধুবুৰীত কিমান সম্প্ৰাদায়িক সংঘৰ্ষত পৰিণত হয়। এইটো জন্তু জানোৱাৰৰ যোগেদিও হয়। কেইদিনমান আগত ঢেকীয়াজুলীত এটা ঘটনা হৈছিলে, মন্দিৰত গৰুৰ মাংস। মই সুধিছো তাৰে মানুহক এইটো কোনোৱাই ৰাখি থৈ গৈছে নেকি? তেওঁলোকে কলে যে কোনোৱা কুকুৰে আহি ৰাখি থৈ গৈছে। লগে লগে মই এছ পিক পৰিস্থিতি

বুজাৰলৈ কৈছো। এনে কাজিয়া নকৰো, কাজিয়া কৰাৰ যুক্তি থাকিলে বেলেগ কথা। অলাগতিয়াল কাজিয়া আমি নকৰো। তেতিয়া মই মনত ভাৰিছিলো যদি ৫ কিলোমিটাৰ দূৰত্ব আমি ৰাখি দিওঁ, অসমত আৰু কেতিয়াও সম্প্ৰাদায়িক সংঘৰ্ষ নহয়। আজি আপোনালোকে ধুবুৰীৰ কথা জানে, ধুবুৰীত কিমান ডাঙৰ এখন হিন্দুৰ তীৰ্থস্থান আছিল। তাত আজি চাৰিওফালে ইছলাম ধৰ্মীয় মানুহ আহিছে, মোৰ কোনো আপত্তি নাই। কিন্তু আজিৰ পৰা ২০, ৩০ বছৰ আগলৈকে যিখন হিন্দুৰ তীৰ্থস্থান বগৰীবাৰী মন্দিৰ আছিল, তাত গৰু নাখালে আমাৰ সকলো সলনি হৈ যাব নেকি? ল'ৰা-ছোৱালী ফেইল কৰা আৰম্ভ কৰিব নেকি? সকলো নষ্ট হৈ যাব নেকি? আমাৰ দুনীয়া শেষ হৈ যাব নেকি? মই আপোনালোকৰ অন্তৰ আত্মাক আহ্বান কৰিছো, এখন নতুন অসমৰ বুনিয়াদ হওঁক, আপোনালোকে সকলোৰে মানি লওক। গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ আইন আৰু আমাৰ আইনখন একে, মাত্ৰ তিনিটা নতুন প্ৰভিজন আনিছো, Transporation through Assam, মানে বাংলাদেশ যাব নালাগে, তাত কাৰো আপত্তি নাই আৰু দুটা পইন্ট হ'ল যে ৫ কিলোমিটাৰ আৰু substantial হিন্দু থকা ঠাইত গৰু নাখাব। এতিয়া substantial কি তাৰ পৰামৰ্শ দিয়ক, যে ৮০ শতাংশ, ৭০ বা ৬০ শতাংশ। কোনোবাই কৈছে মন্দিৰৰ কথা কৈছে যে মন্দিৰ হৈ যাব নতুনকৈ। আমি এনেকুৱা কথা কোৱা নাই। এই আইন হোৱাৰ দিনত যি মন্দিৰ আছে, এবাৰ যদি আমি কাৰোবাক দোকান খোলাৰ কাৰণে licence দি দিলো, তাৰ পিছত কোনোবাই মন্দিৰ বনালে স্থিতিৰ পৰিবৰ্তন নহ'ব নহয়। আজি দিনটোত যি মন্দিৰ আছে আৰু আমি মন্দিৰ বুলি কলে এইটো বুজোৱা নাই যে কোনোবা গছৰ তলত মন্দিৰ বনালে, সেইটো মন্দিৰ হ'ল। Rules will define। শংকৰদেৱে প্ৰতিষ্ঠা কৰা সত্ৰ, দামোদৰ দেৱে প্ৰতিষ্ঠা কৰা সত্ৰ, সনাতনৰ কিতাপত লিখা মন্দিৰ, ১০০ বছৰ পুৰনা মন্দিৰ। সকলো মন্দিৰৰ কথা আমিও কোৱা নাই। আজি এনেকুৱা শিৱ মন্দিৰ, কালী মন্দিৰ ১০০ বছৰ হৈ গ'ল, আমি সেইটো কোৱা নাই যে অহা কালি কোনোৱাই হিন্দু মুছলমানৰ সংঘাত লগোৱাৰ কাৰণে মন্দিৰ এটা পাতি দিব আৰু লগে লগে থকা দোকানখন বন্ধ হ'ব। তেনেকুৱা কথা একো কোৱা নাই। আজিৰ দিনটোত ৰাজ্যপালে accent দিয়া দিনা যি মন্দিৰ আছে, আছে, নতুনকৈতো মন্দিৰ হ'ব নোৱাৰে। যিটো নতুনকৈ মন্দিৰ হ'ব, সেইটো উপাসনা। আমি যাক মন্দিৰ বুলি বুজো, যাৰ মাহাত্ম্য আছে। ক'ৰবাত কিবা ভাল শিৱৰ মূৰ্তি উৎঘাটন হয়, পুৰণা যদি Architectural কিবা আৱিস্কাৰ কৰিব পাৰো, তেতিয়া দেখা যাব। কিন্তু আজিৰ দিনত এই দুয়োটা clause ত কিয় আপত্তি কৰিব লাগে, যে মন্দিৰ থকা ঠাইত আমি গৰু নাখাওঁ। কোৱাণেতো কোৱা নাই যে গৰু মাংস নাখালে অসুবিধা হ'ব বুলি। আজিৰ তাৰিখত বহুত মানুহে গৰুৰ মাংস নিজে নাখায়, বহুতো বিভিন্ন কাৰণ দিয়ে। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, তিনিটা পইন্ট Transporation ban, হিন্দু থকা ঠাইত licence থকা দোকান নকৰো আৰু এটা হৈছে মন্দিৰ থকা ঠাইত ৫ কিলোমিটাৰৰ ভিতৰত দোকান নকৰো। ঠাইৰ পৰিবৰ্তন হৈছে, আমাৰ কাৰণে সাধাৰণ কথা। আমি জানো যে হাজোৰ দৰে সমষ্টিৰ পৰিবৰ্তন হৈ গ'ল, তাত একো নাই আমাৰ। অহা কালি যদি কোনোবাই কয় কামাখ্যা থকা ঠাইত পৰিবৰ্তন হৈ গ'ল, তাত একো আমাৰ নাই। তেতিয়া থকা মানুহখিনিয়ে কব লাগিব যে, কোনে কৈছে তোমালোকৰ একো নাই। এইখন তোমালোকৰ ঠাই, আহা আমি আছো নহয়। সেই উদাৰ মনৰ যেতিয়া গৰাকী হ'ব, অসমখন পৰিবৰ্তন হ'ব। কিছুমান কথা আমিও ৰখাব নোৱাৰো, কিন্তু আপোনালোকৰ উদাৰতাই, আমাৰ উদাৰতাই যেনেকৈ ৫ শ বছৰৰ পৰা মহাপুৰুষ শংকৰদেৱে আমাক যি উদাৰতা শিকাই থৈ গ'ল,

সেই উদাৰতাখিনি যদি আপোনালোকে নিজৰ জীৱন আদৰ্শৰ লগত সমাহিক কৰি লয়, অসমখনে এটা নতুন দিশলৈ গতি কৰিব। Select Committee ত যাব লাগে নে নালাগে, এইটো সদনে সিদ্ধান্ত ল'ব, মোৰ কব লগীয়া একো নাই। কিন্তু মোৰ কথা হ'ল, এইখন বিলৰ ক্ষেত্ৰত ইছলাম ধৰ্মী বিধায়কসকল উদাৰ হওঁক। আজি এই বিলখন পাছ হ'ব লাগে, দেখিব অসমখন পৰিবৰ্তন হ'ব। অসমখন নতুন দিশলৈ গতি কৰিব। It is just a symbolization of our connection to our civilization। ইয়াৰ কোনো economic value নাই। economic তো হিন্দুৰ লোকচান হ'ব। কিন্তু ইয়াৰ পিছতো ইয়াতে civilization ৰ লগত মই যে কোনোবা এটা সভ্যতাৰ পৰা সৃষ্টি হৈ আছিলো, মোৰ মানুহ নামৰ পৰিচয়তো এই আইনখনতে লিপিবদ্ধ হৈ আছে যে মই এটা সভ্যতাৰ অংশীদাৰ, মই এটা গৌৰৱময় পৰম্পৰাৰ অংশীদাৰ, যিয়ে মোৰ সৰ্বধৰ্ম সমভাৱত শিকাইছে, যিয়ে মোক বসুদেৱ কুটুম্বকম শিকাইছে। সেই সভ্যতাৰ মই অংশীদাৰ আৰু যি সভ্যতাই ভাৰতৰ মাটিত হিন্দু মুছলমান, খ্ৰীষ্টান, বৌদ্ধ, জৈন সম্প্ৰদায়ৰ সৃষ্টি কৰিছে। যি সভ্যতাই নিজৰ সভ্যতাত নাথাকিও বুদ্ধদেৱক ভগৱনাৰ অৱতাৰ মানি লোৱাৰ ডাঙৰ অন্তৰ আছিল, সেইটোৱে হৈছে এই সভ্যতা।

মাননীয় অধ্যক্ষ মহোদয়, ভাৰতীয় জনতা পাৰ্টীৰ সদস্য হিচাপে, আমাৰ মিত্ৰদলৰ সদস্য হিচাপে এই বিলখন Select Committee ত যোৱাৰ আমি স্পষ্টভাৱে বিৰোধিতা কৰো। আমি বিচাৰো যে এই বিলখন ইয়াতে পাৰিত হওঁক, পাছ হওঁক। সিদ্ধান্ত সদনৰ অনুমতি লৈ আপোনাক কৰক, আপোনাৰ ওপৰত মই অৰ্পণ কৰিছো।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰথমে ক'লে Directive principle ৰ ওপৰত Fundmental Rights কৈ আৰু এনেকুৱা ধৰণৰ কিছু disputed কথাৰ কাৰণে, মই Select Committee ৰ কথা কৈছিলো। এই documents বিলাক মই আপোনাক অৰ্পণ কৰিম।

দ্বিতীয়তে, এই বিধান সভাতে প্ৰশ্ন ওলাইছে, আমাৰ **১৬** খন জিলাত পশু চিকিৎসালয় নাই, **৬** খন জিলাত আনকি পশু চিকিৎসালয়ৰ বাদে veterinary dispensary ও নাই। দহ বছৰ ধৰি পশু চিকিৎসকৰ নিযুক্তি হোৱা নাই। তাৰ পিছতো আমি cattle preservation ৰ কথা কৈ আছো। এই বিলাক কোৱাৰ আগতে সেইখিনি ঠিক কৰি লোৱা ভাল আছিলে। মই যিখিনি কথা কলো, মোক লৈ মহাত্মা গান্ধীৰ কথা কৈছে, মহাত্মা গান্ধীয়ে এবাৰ অসমৰ মানুহে বোলে ভুল কথা কৈছিল, পিছত তেখেতে সংশোধনী কৰিছিল। মই ইয়াত আজি উদ্ধৃতি দিছিলো সেইখিনি যোৱা সময়ছোৱাত নৰেন্দ্ৰ মোডী ডাঙৰীয়াই নিয়োগ কৰা Chief Economic Advisor তো তেখেতৰ চৰকাৰৰ। ঢালিয়া কমিটি আমি দিয়া নহয়, বিজেপি চৰকাৰে দিয়া। এই report ৰ ওপৰত ভিত্তি মই মোৰ কথাখিনি ৰাখিছিলো আৰু সেই কাৰণে Select Committee ৰ দাবী ধৰিছিলো। যিয়ে নওঁক, যিহেতু শাসক পক্ষই বিচৰা নাই, আমি ইয়াৰ প্ৰতিবাদ কৰিছো আৰু বয়কট কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য ৰফিকুল ইছলাম।

**শ্ৰীৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ উদাৰতাৰ কথাত মই ক'ব খুজিছো সোনাৰীৰ মন্দিৰ কমিটী মুছলমানে চলাই আছে। আমাৰ মইনপুৰী সত্ৰত ইমান দিনে মুছলমানে চাকি জ্বলাইছে নিজৰ পকেটৰ পইচাৰে, আমি আৰু কৰিম, সেই উদাৰ মন আমাৰ আছে, সেইখিনি সন্মানো আমাৰ আছে। কিন্তু যিটো দৰদ মৰম দেখুৱাইছে, বানপানীত

খাবলৈ নেপাই, খাদ্যৰ ব্যৱস্থা নাই, চিকিৎসাৰ কোনো ব্যৱস্থা নাই, ওচৰত খানাপাৰাত মেঘালয়ে কি কৰিব, তাৰ চিন্তা আমি নকৰিম। গতিকে মুখতে অকল এইখিনি হ'ব নালাগে। যদি সন্মান আছে, practically সেই বস্তুখিনি হোৱা নাই, যাৰ কাৰণে আমি Select Committee ৰ কথা কৈছিলো। সেইটো নকৰাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াৰ প্ৰতিবাদ কৰিছো আৰু বয়কট কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগত আৰু এটা এমেণ্ডমেণ্ট কৰিছো। আমি পিছত সদনৰ অনুমতি সাপেক্ষে ইয়াৰ পৰা 'বাফেলো' টো ৰিমুভ কৰি দিম। অধ্যক্ষ মহোদয় এটা গৰ্ভমেন্ট এমেণ্ডমেণ্টো আছে। *"In the Assam Cattle preservation Bill, 2021, in Section-3, in clause- (o), in third line, for the figure "8" appearing after the word "section" in the figure "9" shall be substituted.*

*In the Assam Cattle Preservation Bill, 2021 in section 13, in sub Section (1), in second line, for the figure and words "section 5,6 and 7" appearing in between the words "Act under" and "shall be", the words, figures and punctuation mark "section 4,5,6,7 and 8" shall be substituted.*

*In the Assam Cattle Preservation Bill, 2021, in section 19, in sub- section (1), in clause (ii), in sub-clause (c), in the second line, for the word "religious" appearing in between the words "such" and "occasion", the word "certain" shall be substituted.* লগত অধ্যক্ষ মহোদয়, from the defination I would like to propose that the word ' baffello' will be moved.

**মাননীয় অধ্যক্ষ ঃ** যিসকলে এই সংশোধনী প্ৰস্তাৱৰ সপক্ষে আছে , তেওঁলোকে কওক 'হয় ' যিসকলে বিপক্ষে আছে তেখেতসকলে কওক 'নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে, "হয়'ৰ সপক্ষে প্ৰস্তাৱটো গ্ৰহণ কৰা হ'ল। এতিয়া মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** The Assam Cattle preservation Bill, 2021 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল The Assam Cattle preservation Bill, 2021 পাৰিত কৰা হওঁক । যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক 'হয়' যি সকলে বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

(সদনত শাসকীয় দলৰ সদস্য সকলে 'ভাৰত মাতা কী জয়' বুলি ধ্বনি দিয়ে আৰু হাত চাপৰি বজায়)

(ইয়াৰ পিচত মাননীয় অধ্যক্ষ মহোদয়ে সদনত 'অধ্যক্ষৰ সামৰণি মন্তব্য' পাঠ কৰে।)

**মাননীয় অধ্যক্ষ ঃ** পঞ্চদশ অসম বিধান সভাৰ দ্বিতীয় তথা বাজেট অধিৱেশন ইংৰাজী ১২-০৭-

২০২১ তাৰিখে আৰম্ভ হৈ মুঠ ১৫ দিন সদনৰ কাৰ্য্যক্ৰমণিকা সম্পন্ন হোৱাৰ অন্তত আজি ১৩-০৮-২০২১ তাৰিখে অন্ত পৰিল।

১৫ দিনীয়া কৰ্মদিনৰ ভিতৰত ১৩ টাকৈ দিনত চৰকাৰী কাৰ্য্যসূচী সম্পাদন কৰাৰ বিপৰীতে ২ টা দিনত বেচৰকাৰী কাৰ্য্যসূচী সম্পাদিত কৰা হয়। অসম বিধান সভাৰ আটাইকেইদিনৰ কাৰ্য্যসূচীত ৰাজ্যখনৰ জ্বলন্ত সমস্যাকে আদি কৰি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত শাসকীয় আৰু বিৰোধী উভয় পক্ষৰ মাননীয় সদস্য, সদস্যাসকলে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীত সন্নিৱিষ্ট নিয়মৰ আধাৰত সদনত বিভিন্ন সাধনৰ জৰিয়তে উত্থাপন কৰি আলোচনা কৰাৰ সুযোগ লাভ কৰে আৰু উক্ত বিষয়বোৰৰ ওপৰত চৰকাৰী পক্ষৰ পৰাও চৰকাৰে গ্ৰহণ কৰা কাৰ্য্য-ব্যৱস্থাৱলীৰ বিষয়ে সদনক অৱগত কৰে।

অধিৱেশনৰ কালছোৱাত মাননীয় সদস্যসকলৰ পৰা পোৱা সৰ্বমুঠ ১৫৩৬ টা প্ৰশ্নৰ ভিতৰত ২৬০ টা প্ৰশ্ন মৌখিক আৰু ৬৪১ টা লিখিত প্ৰশ্নৰ ৰূপত গৃহীত কৰা হয়।

অধিৱেশনৰ কালছোৱাত নিয়ম ৫৪ৰ অধীনত ৪ খন জাননী, ৩০১ ৰ অধীনত ১২ খনকৈ জাননী সদনত আলোচনাৰ অন্তত উত্তৰ দান কৰা হয়। আনহাতে, নিয়ম ৫০ৰ অধীনত প্ৰাপ্ত হোৱা এখন জাননীৰো সদনত আলোচনাৰ অন্তত উত্তৰ দান কৰা হয়।

বেচৰকাৰী সদস্যৰ কাৰ্য্যসূচীৰ অধীনত "সদস্যৰ সময়" শিতানত গৃহীত হোৱা ৬ খন জাননীত অন্তৰ্ভুক্ত থকা ১৪ টা বিভাগৰ সন্দৰ্ভত আলোচনা কৰাৰ অন্তত বিভাগীয় মন্ত্ৰীয়ে উত্তৰ প্ৰদান কৰে।

সদনৰ শূন্যকালীন সময়ছোৱাত ৯ খনকৈ জাননী উত্থাপিত হোৱাৰ অন্তত উত্তৰ প্ৰদান কৰা হয়।

অধিৱেশনৰ কালছোৱাত ১৬ জুলাই, ২০২১ তাৰিখে মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে অসম চৰকাৰৰ ২০২১-২০২২ বৰ্ষৰ বাৰ্ষিক বিত্তীয় প্ৰ-বিৰৰণী (প্ৰাক্‌কলিত বাজেট) উপস্থাপন কৰে। বাজেটৰ ওপৰত ১৯ আৰু ২০ আগষ্ট, ২০২১ তাৰিখে সাধাৰণ আলোচনা অনুষ্ঠিত হয়। সৰ্বমুঠ ৩৫ গৰাকী মাননীয় সদস্যই উক্ত সাধাৰণ আলোচনাত অংশগ্ৰহণ কৰে। লগতে ইংৰাজী ৪, ৫ আৰু ৬ আগষ্ট, ২০২১ তাৰিখে "মঞ্জুৰীৰ বাবে দাবীসমূহৰ ওপৰত ভোটদান" শিতানত উত্থাপিত হোৱা কৰ্তন প্ৰস্তাৱ সমূহৰ আলোচনা অনুষ্ঠিত হয়। সৰ্বমুঠ ৪০ গৰাকী মাননীয় সদস্যই অংশগ্ৰহণ কৰা কৰ্তন প্ৰস্তাৱৰ আলোচনাৰ অন্তত ৬ আগষ্ট, ২০২১ তাৰিখে বিনিয়োজন (নং-১) বিধেয়কখন সদনত পাৰিত কৰা হয়।

তেনেদৰে পৰৱৰ্তী পৰ্যায়ত ৯ আগষ্ট, ২০২১ তাৰিখে উত্থাপিত হোৱা ২০২১-২০২২ বৰ্ষৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহ আৰু পৰিপূৰক বিনিয়োজন সমূহৰ তালিকা উপস্থাপন কৰা হয় আৰু ১১ আগষ্ট, ২০২১ তাৰিখে ভোটদান শিতানত কৰ্তন প্ৰস্তাৱ উত্থাপনৰ যোগেদি আলোচনা কৰাৰ অন্তত 'দি আসাম বিনিয়োজন (নং-২) বিধেয়ক, ২০২১' খন পাৰিত কৰা হয়। কৰ্তন প্ৰস্তাৱৰ এই আলোচনাত সৰ্বমুঠ ১৮ গৰাকীকৈ মাননীয় সদস্যই অংশগ্ৰহণ কৰে।

চলিত বিধান সভাৰ কালছোৱাত উত্থাপিত হোৱা ১৭ খনকৈ চৰকাৰী বিধেয়ক সদনে দফাই দফাই বিবেচনা কৰাৰ অন্তত পাৰিত কৰে। বিধেয়কসমূহৰ ভিতৰত দুখন নতুন বিধেয়ক তথা ১৫ খনকৈ সংশোধনী বিধেয়ক অন্তৰ্ভুক্ত আছিল।

বিধেয়কসমূহৰ ভিতৰত ৭৬ টাকৈ সংশোধনী প্ৰস্তাৱ উত্থাপিত হোৱা "The Assam

Cattle Preservation Bill, 2021” বিধেয়কখন বিস্তৃত আলোচনাৰ অন্তত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ উত্তৰ প্ৰদানেৰে সদনে পাৰিত কৰে।

অধিৱেশনৰ চতুৰ্দশ দিনা অৰ্থাৎ ১২ আগষ্ট, ২০২১ তাৰিখে অধ্যক্ষৰ উদ্যোগ শিতানত শক্তি বিভাগৰ ওপৰত বিশেষ আলোচনা অনুষ্ঠিত কৰা হয়।

অধিৱেশনৰ কালছোৱাত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ প্ৰতিবেদনৰ উপৰিও, অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ ৩ খন প্ৰতিবেদন, অসম বিধান সভাৰ নিয়মাৱলী সমিতিৰ ১৭ তম্ প্ৰতিবেদন, অসম বিধান সভাৰ বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতি সমূহৰ প্ৰতিবেদনকে ধৰি কেইবাখনো প্ৰতিবেদন সদনত দাখিল কৰা হয়। অসম চৰকাৰৰ বিত্ত (কৰাৰোপন) বিভাগৰো ১২ খন অসাধাৰণ ৰাজপত্ৰ অধিসূচনা দাখিল কৰা হয়।

কাছাৰ জিলাৰ লাইলাপুৰ অঞ্চলৰ অসম-মিজোৰাম সীমান্তত শেহতীয়াকৈ উদ্ভৱ হোৱা সীমা-বিবাদ সম্বন্ধীয় পৰিস্থিতিৰ বুজ লোৱাৰ অৰ্থে অসম বিধান সভাৰ অধ্যক্ষৰ নেতৃত্বত এক সৰ্বদলীয় প্ৰতিনিধি দল গঠন কৰা হয়। প্ৰতিনিধিৰ দলটোৱে যোৱা ৩১ জুলাই তাৰিখে অঞ্চলটোত ভ্ৰমণ কৰি যোৱা ৬ আগষ্ট তাৰিখে সদনত ইয়াৰ প্ৰতিবেদন দাখিল কৰে।

সদনত অসমৰ সুযোগ্যা সন্তান, উদীয়মান মুষ্টিযোদ্ধা শ্ৰীমতী লাভলিনা বৰগোঁহাইক টকিঅ' অলিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰি ৰাজ্যখনলৈ সুনাম কঢ়িয়াই অনাৰ বাবে শুভেচ্ছা জনাই ২০ জুলাই তাৰিখে সৰ্বসন্মতিক্ৰমে চৰকাৰী প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

পৰৱৰ্তী পৰ্যায়ত শ্ৰীমতী লাভলিনা বৰগোহাইয়ে ব্ৰঞ্জৰ পদক জয়েৰে লাভ কৰা ঐতিহাসিক সন্মানৰ বাবে ১০ আগষ্ট, ২০২১ তাৰিখে অসম বিধান সভাই অভিনন্দন জ্ঞাপন কৰি এক বাৰ্তাও প্ৰেৰণ কৰে।

অধিৱেশনৰ সময়ছোৱাত অসম-মিজোৰাম সীমান্তত শ্বহীদ হোৱা ৰাজ্যখনৰ ৬ গৰাকীকৈ আৰক্ষী বিষয়া তথা জোৱানকে আদি কৰি মুঠ ৩৩ গৰাকী বৰেণ্য ব্যক্তিৰ বিয়োগত শোক প্ৰস্তাৱ পাঠ কৰি প্ৰয়াত ব্যক্তিসকলক শ্ৰদ্ধাঞ্জলি নিবেদন কৰি শোক প্ৰস্তাৱ পাঠ কৰা হয়।

ভাৰত ত্যাগ আন্দোলনৰ ৭৯ সংখ্যক বৰ্ষপুৰ্তিৰ ক্ষণত অসম বিধানসভাই স্বাধীনতা আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলক স্মৰণ কৰে। সমগ্ৰ দেশৰ লগতে আমাৰ ৰাজ্যখনৰ পৰাও স্বাধীনতা আন্দোলনত আত্ম বলিদান দিয়া সম্বোধন ফংলে, কুশল কোঁৱৰ, কনকলতা বৰুৱা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননীকে আদি কৰি বীৰ শ্বহীদ সকলক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

অধিৱেশনৰ সকলো কাৰ্য্যসূচী সফলতাৰে সম্পন্ন কৰাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদ, শাসক-বিৰোধী উভয় পক্ষৰ মাননীয় সদস্য, সদস্যাই আগবঢ়োৱা সহযোগিতাৰ বাবে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছো। বিধান সভাৰ সচিবৰ লগতে এই সচিবালয়ৰ প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী, ৰাজ্যখনৰ মুখ্য সচিবকে আদি কৰি ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰী সকল, আৰক্ষী সঞ্চালক প্ৰধানকে ধৰি বিষয়া-জোৱানসকল আৰু প্ৰচাৰ মাধ্যমৰ বন্ধু সকলক অসম বিধান সভাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই পৱিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব পালন কৰোতে অসম বিধান সভাৰ মাননীয় সদস্য-সদস্যাসকলে আগবঢ়োৱা সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ আৰু সহযোগিতাৰ বাবে

মই পুনৰবাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। লগতে ভাৰতবৰ্ষৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ এই সন্ধিক্ষণত উপস্থিত সকলোকে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ। ধন্যবাদ,জয় হিন্দ ।

**( ইয়াৰ লগে লগে সদনত অসমৰ জাতীয় সংগীতৰ মূৰ্চ্ছণা বাজি উঠে আৰু সকলোৰে থিয় হয়)**

**এইদৰে বিয়লি ৫.৪০ বজাৰ লগে লগে ইং ১৩-০৮-২০২১ তাৰিখৰ পঞ্চদশ অসম বিধান সভাৰ বাজেট অধিবেশনৰ শেষৰ দিনটোৰ কাৰ্য্যক্ৰমণিকা সমাপ্ত হয়।**